# আব্ৰাহাম লিঙ্কন

26 AUG 1950

শ্ৰীৰঘুনাথ দেৱ চৌধুৰী, বি-এ

Please handle the book carefully

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰকাশক :
শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা, বি-এল
দয়াৰ্চ্ছ বুক ষ্টল
গুৱাহাটী, অসম।

প্ৰথম প্ৰকাশ ঃ জুলাই, ১৯৫৮

মূল্য ঃ ১·৫০ টকা

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

# আব্ৰাহাম লিঙ্কন

## মোৰ পৰিচয়

কেণ্টাকী যুক্তৰাজ্যৰ এখন প্ৰদেশ। সেই প্ৰদেশতে
াৰ জন্ম হয় ১৮০৯ খৃষ্টাব্দত। মোৰ আই-পিতা আছিল
দুখীয়া। দুয়ো হাবিৰ পৰা কাঠ কাটি খৰি বেচি
ানোমতে জীৱিকা উলিয়াইছিল। মই ওপোজা ঘৰটো
ঠেৰেই সজা। ঘৰটোৰ দুৱাৰ মাত্ৰ এখন,—খিৰিকি
ছিল; বৰ আন্ধাৰ-মুন্ধাৰ। কাঠনিৰ মাজতে এনে ঘৰ
াত আই-পিতাই কাঠকুৱাৰ ব্যৱসায় কৰি চলিছিল।
ৰত খেতি-পথাৰ বা গাওঁ-ভূঁই নাছিল। তেওঁলোকৰ
গ্যত মানুহৰ লগ-সঙ্গ নাছিল বুলিলেই হয়।

মোৰ পিতাই লিখা-পঢ়া নাজানিছিল; কিন্তু তেওঁৰ
-বিবেচনা বৰ ভাল আছিল। মোৰ আয়ে হলে কিছু
খা-পঢ়া জানিছিল। সেই বাবেই বোধ হয় মই লিখা-
। শিকিবলৈ ইচ্ছা কৰিছিলোঁ। তেওঁ তেওঁৰ নামটোহে
খিব পাৰিছিল আৰু ডাঙৰ ডাঙৰ আখৰৰ সৰল পুথি
়ব পাৰিছিল। তেওঁ কিন্তু পিতাক তেওঁৰ সেই বয়সতো
া শিকিবলৈ উদগাই আছিল। বহু সময়ত সেইবাবেই
য় তেওঁক লাজ-লঘূও কৰিছিল। পিতাই টীপ-চহী দিহে

দলিল আদি সম্পাদন কৰিছিল। পিছ'ল পিতাই আইৰ পৰা লিখা-পঢ়া শিকিব ধৰিলে। কিছুদিনৰ পিছত পিতাই টীপ-চহীৰ সলনি দস্তখত দিব পৰা হৈছিল।

আই আছিল বৰ বুদ্ধিমতী আৰু ধাৰ্মিক। পিতাই বাহিৰলৈ কাঠ কাটিব গলে তেওঁ অকলে ঘৰতে ৰন্ধা-বঢ়া আদি ঘৰুৱা কাম কৰি আছিল। কাম শেষ হলে পুথি এখনকে হাতত লৈছিল। তেতিয়া মই কৰিছিলোঁ কি? মই তেতিয়া সৰু। দৌৰিব, উমলিব, গছত উঠিব আৰু সাঁতুৰিব পৰা হৈছিলোঁ। মোৰ আয়ে মোক কৈছিল যে মই সৰুতে বৰ তুষ্ট আছিলোঁ। নদীৰ পানীত বা গছৰ ওপৰতে নানা তৰহৰ খেল খেলিছিলোঁ। পাঁচ কি ছ বছৰ বয়সত মোৰ আয়ে আৰু পিতাইও মোক পঢ়াশালিত পঢ়ুৱাবলৈ ইচ্ছা কৰিছিল। ওচৰতে পঢ়াশালি নাছিল। তিনি মাইল নিলগত থকা এখন পঢ়াশালিত মোক নাম লগাই দিলে। সিদিনা যে আইৰ কিমান আনন্দ!

সেইকালত পঢ়াশালিৰ উপযুক্ত শিক্ষক পোৱা টান আছিল। তেওঁলোকৰ শিকোৱাৰ জোখাৰে জ্ঞান বৰ কম আছিল; অথচ শিক্ষাৰ ভাৰ তেওঁলোকৰ ওপৰতেই। নহলে শিকায়ে বা কোনে? তেওঁলোকে ছাত্ৰক পঢ়াশালিত কিছুদিন পঢ়ুৱাই আন ফালে আন ব্যৱসায় কৰিব গৈছিল; কিয়নো শিক্ষকসকলৰ বেতন বৰ কম আছিল, তাৰে কোনোমতে জীৱিকা নচলিছিল।

মোক পঠোৱা পঢ়াশালিখনৰ শিক্ষকজনো তেনে ধৰণৰ মানুহ। তাতকৈ ভাল পঢ়াশালিত দিব লাগিলে মোক বহু দূৰত থৈ আহিব লাগে। এই খনতে যি শিকে, একো নোহোৱাতকৈ সেয়ে হব, তেনে ভাবি আই-পিতাই মোক সেইখন পঢ়াশালিতে নাম লগাই দিছিল।

মোৰ এজনী ভনী আছিল। তাই আৰু মই একেলগে পঢ়াশালিলৈ যাওঁ। মোক 'আবে' বুলি মাতিছিল। প্ৰথম দিনতে পঢ়াশালিলৈ গৈ বুজিলোঁ,—শিক্ষকজন বৰ চোকা। ছমাহ পঢাশালিলৈ অহা-যোৱা কৰাৰ পিছত মোৰ বানান শিকা শেষ হ'ল। ইমান কম বয়সতে বানান জোটাব পৰা হোৱাত শিক্ষকজনে মোক পিছলৈ বৰ ভাল পোৱা হৈছিল।

সেই বিদ্যালয়ৰ পাঠ শেষ হ'ল। তাতকৈ বেছি শিকিবৰ হলে আন পাঠশালাত পঢ়িব লাগে। উচ্চবিদ্যালয় কিছু দূৰত আছিল। আমি ভাই-ভনী দুটিক পিতাই দূৰৰ বিদ্যালয়লৈ পঠাই পঢ়ুৱাব ইচ্ছা কৰা নাছিল। তেওঁ ভাবিছিল,—দূৰত থাকি পঢ়িলে কিজানি আমাৰ কিবা বিপদেই হয়! আইৰ ধাৰণা কিন্তু আন ৰকমৰ। বিদ্যা বৰ দৰ্কাৰ। ইয়াৰপৰা জীৱনত বহু লাভ হয়। বিদ্যা অমূল্য ধন। গতিকে বিদ্যা শিকিবলৈ হলে কিছু দুখ খাবই লাগিব। আইৰ এনে যুক্তিত পিতাই আইৰ ইচ্ছামতে দূৰত থকা বিদ্যালয় এখনত আমাক থৈ আহিল।

Please handle the book carefully.

## নতুন পঢ়াশালিত

নতুন পঢ়াশালিত পঢ়োঁ। পঢ়াশালিলৈ যাওঁতে খাবলৈ আমি ৰুটি-পিঠা আদি নিতৌ টোপোলা বান্ধি নিছিলোঁ। দুয়ো ভাই-ভনী সেই ৰুটি আদিৰেই দুপৰীয়াৰ ভোক গুচাইছিলোঁ। এই বিদ্যালয়ত আমাৰ হাতৰ আখৰ ধুনীয়া হৈছিল; কাৰণ সেইকালত ধুনীয়া হাতৰ আখৰ ছাত্ৰ-ছাত্ৰীৰ এটা ডাঙৰ গুণ। সিহঁতে ভাল হাতৰ আখৰৰ বাবে ভাল ভাল চাকৰি পাইছিল। মোৰ হাতৰ আখৰ সকলোতকৈ ভাল হৈ উঠিছিল। চিঠি লিখা আৰু সহজ ৰচনা লিখা মই কম সময়তে শিকিলোঁ। হাতৰ আখৰ কিয় ভাল হব লাগিছিল মই পিছত জানিলোঁ। সেই দেশৰ জমিদাৰবোৰৰ গোলাম বেচা-কিনা কৰোঁতে অফিচত বহু কেৰাণী-মহৰী লাগিছিল। গতিকে সেইকালত ধুনীয়া হাতৰ আখৰৰ কেৰাণী তৈয়াৰ কৰিবলৈহে পাঠশালাবোৰ বহিছিল।

আমেৰিকাৰ পূবে আফ্ৰিকা নামৰ মহাদেশ। তাত নিগ্ৰো জাতিৰ ক'লা বৰণীয়া মানুহৰ বাস। ইউৰোপ আৰু আমেৰিকাৰ বগা বৰণৰ ধনী মানুহবোৰে এই নিগ্ৰোবোৰক গৰু-ছাগলী ধৰাদি ধৰি নি নিজৰ নিজৰ দেশত হাটে বজাৰে বিক্ৰী কৰি মানুহৰ ফালেঙীৰ ব্যৱসায় কৰিছিল। নিগ্ৰোবোৰ শকত-আৱত আৰু বলৱান। ইহঁতে ৰ'দ-বৰষুণ সহি খেতি-পথাৰত কাম কৰিব পাৰিছিল। সহিবৰ ইচ্ছা নকৰিলেও

গৰুজত বাধ্য হৈছিল। ঠিক যেন হালোৱা গৰু! এইবোৰক 'বগা' বোৰে 'দাস' বা 'গোলাম' বুলিছিল; ইউৰোপ আৰু আমেৰিকাৰ বগা ফালেণ্ডী সকলে বেছি লাভ পোৱাৰ বাবে আমেৰিকাৰ যুক্তৰাজ্যতহে বেচিছিল। সেই দেশত পতিত মাটিত কপাহৰ খেতি কৰিবৰ বাবে দাসবোৰক জমিদাৰ আৰু ধনী আৰু দালালবোৰে কিনি লৈছিল আৰু হাট-বজাৰত বেচা-কিনা চলিছিল। কিনাৰ পিছত বিক্ৰী হোৱা দাসবোৰ কিনোতাৰ সম্পত্তি হৈ পৰে। তেওঁ ইচ্ছা কৰিলে আকৌ বিকিব পাৰিছিল। মোৰ দেশত এনে প্ৰথা। এনে যুক্তৰাজ্যৰে ময়ো এজন বগা চামৰাৰ ঘৰৰ লৰা। পিতা বৰ দুখীয়া—গতিকে সেই কাৰবাৰ পিতাৰ নাছিল।

কেণ্টাকীৰ দৰে ইণ্ডিয়ানাও আন এখন প্ৰদেশ। ইণ্ডিয়ানা যুক্তৰাজ্যৰ 'ইউনিয়ন' বা 'ৰাজ্যসমূহ'ৰ এখন স্বাধীন প্ৰদেশ হবলৈ ইচ্ছা কৰিলে। তাৰ ফলত তাৰ দাসবোৰে গোলামি কৰিব নালাগে। সিহঁত স্বাধীন হব। সেই প্ৰদেশৰ 'বগা' সকলে ইণ্ডিয়ানাৰ স্বাধীনতাৰ আন্দোলনৰ বিৰুদ্ধে আপত্তি চলালে। প্ৰদেশত প্ৰবল আন্দোলন আৰম্ভ হ'ল। সেই আন্দোলন গোটেই যুক্তৰাজ্যতে বিয়পি পৰিল। আন্দোলন —নিগ্ৰোবোৰ স্বাধীন হোৱা, আৰু আনফালে বগাবোৰে তাৰ বিৰুদ্ধে যোৱা।

কেণ্টাকী প্ৰদেশৰ নিগ্ৰোবোৰৰ মাজতো এই আন্দোলনৰ ঢৌ উঠিল। ইহঁতেও বগা গোলাম-মালিকবোৰৰ তলত গৰুৰ

দৰে নাথাকি স্বাধীন হবলৈ আন্দোলন কৰিব ধৰিলে। মোৰ প্ৰদেশৰ দাসবোৰে ইণ্ডিয়ানালৈ পলাই গৈ তাত আন্দোলনত যোগ দিব ধৰিলে। পলাই যাওঁতে মালিকে ধৰিব পাৰিলে কিমান যে শাস্তি দিছিল! কেণ্টাকীত মোৰ পিতাৰ দৰে বহু দুখীয়া বগা চাহাব আছিল। তেওঁলোকে ইণ্ডিয়ানা স্বাধীন হব লাগে বুলি মত দিছিল। আন্দোলন বৰ জোৰেৰে চলিল। ফলত ১৮১৬ খৃষ্টাব্দত ইণ্ডিয়ানা স্বাধীন হৈ গ'ল আৰু ইউনিয়ন বা যুক্ত্যৰাজ্যৰ ভিতৰুৱা হ'ল।

মোৰ পিতাইও ইণ্ডিয়ানালৈ গৈ তাতে বসতি কৰিবলৈ ইচ্ছা কৰিলে। নিগ্ৰো দাসবোৰৰ ওপৰত মালিকবোৰে যি অত্যাচাৰ কৰে, তাক পিতাই সহিব নোৱাৰা হ'ল। চকুৰ আগত তেনে নিষ্ঠুৰ দৃশ্য নাচাবলৈ আৰু স্বাধীন দেশত বাস কৰিবলৈ পিতাই ইণ্ডিয়ানালৈ উঠি যাব ইচ্ছা কৰিলে। পিতা বৰ দুখীয়া। সেই প্ৰদেশ বহু দূৰৈত। লাগতিয়াল বস্তু-বাহানি নিয়াত বহু খৰচ লাগে। গতিকে বাপতীয়া মাটি-খিনিকে বেচিবলৈ ঠিক কৰিলে। এজন ধনীলোকে মাটি কিনিব ওলাল। পিতাই নগদ টকা বিচাৰিলে কিন্তু তেওঁ পিতাক বুজালে যে তেওঁ টকাৰ সলনি মদ লোৱাহে উচিত। তেওঁ ইণ্ডিয়ানালৈ গৈ মদৰ ঢোলবোৰ লাভ লৈ বেচিব পাৰিব। পিতাই টকাৰ সলনি মদৰ বহু ঢোল লোৱাকে ঠিক কৰিলে। তেওঁ আৰু বুজালে যে, ইণ্ডিয়ানাত ধনী মদখোৱা মানুহ বহুতো; তাত মদৰ দৰ বেছি। মদ বেচি হয় তাৰে কাৰবাৰ

কৰিব ; নহলে, মদৰ টকাৰে মাটিও কিনিব পাৰিব। লাভ হোৱাৰ আশাত পিতাই মাটিৰ সলনি মদৰ ঢোল কেইটামানহে ললে। ধনী কিনোতাই পালে মাটি, আৰু দুখীয়া বেচোঁতাই ললে মদৰ ঢোল। ইণ্ডিয়ানালৈ নাৱেৰে যোৱাত বাহিৰে আন সুবিধাৰ পথ নাছিল। এখন মাঝাৰি নাও ভাৰা কৰি লৈ তাতে মদৰ ঢোলবোৰ ভৰালে। আন আন লাগতিয়াল বস্তুও ললে। পিতা, আই, ভনী আৰু মই নাৱত উঠি ইণ্ডিয়ানালৈ যাত্ৰা কৰিলোঁ।

## ইণ্ডিয়ানালৈ যাত্ৰা

আইৰ ইণ্ডিয়ানালৈ যাবৰ বৰ আগ্ৰহ, কিয়নো তাত মোৰ আৰু মোৰ ভনীৰ ভাল লিখা-পঢ়া হব। বিদ্যাৰ পৰা বহু লোক ভাল মানুহ হৈ সুখতে জীৱন কটোৱা দেখি মোৰ আই আৰু পিতাই মোক ভালকৈ লিখা-পঢ়া শিকাবলৈ ইচ্ছা কৰিছিল। কেণ্টাকীৰ পৰা ইণ্ডিয়ানালৈ যোৱাৰ ইও এটা কাৰণ। পিতাৰ ইচ্ছা স্বাধীন হোৱা হে। স্বাধীনতা কি বস্তু পিতাৰ মুখত মই শুনিছিলোঁ। কিন্তু সি কি বস্তু তাক অনুভৱ কৰা নাছিলোঁ।

মাটি-বাৰী বিক্ৰী কৰি যাত্ৰাৰ বাবে পিতাই দিন ঠিক কৰিলে। নাৱেৰে যাবলৈ এখন নাও সাজি ললে। নাৱত হাতুৰী, বটালী, কুঠাৰ, কোদাল, কলহ, টেকেলি, কাঁহী-বাতি, চুঙা, আদি নিব পৰা বস্তুবোৰ ভৰালে। মদৰ পিপা-

বোৰ নাৱত বোজাই দিলে। আই, মই আৰু ভনী নাৱত ভালকৈ বহি ললোঁ। পিতাই নাও উজাই যাব ধৰিলে।

ওহিও নদী। ঠায়ে ঠায়ে বৰ বহল—বাৰিষা ইপাৰ সিপাৰ নেদেখি। দুয়ো পাৰে অগাধ কাঠনি হাবিত বাহিৰে একো চকুত নপৰে; মানুহৰ গাওঁ বা বসতি মুঠেই চকুত নপৰে। পিতাই নাওত বহি আছে, এনেতে হঠাৎ ধুমুহা বতাহ বৰষুণ আহিল। বাৰেদি পানী খাই শেষত উবুৰি হৈ গ'ল। মদৰ পিপাবোৰ পানীত পৰি গ'ল। সকলো বস্তু পানীত বুৰিল। নাও উবুৰি হৈ যোৱাত পিতাৰ দিহামতে সেই বিপদৰ মাজত ধৈৰ্য্যেৰে সৈতে কাম কৰোঁতে আমি কোনো-মতে নমৰাকৈ আছিলোঁ। উবুৰি হোৱা নাৱৰ পিঠিত আমি বহি লৈ উটি উটি গৈ আছোঁ। এনেতে পাৰৰ পৰা মানুহে দেখা পাই নাও আদি লৈ গৈ আমাক উদ্ধাৰ কৰে। তিনিটা মান মদৰ পিপাও উদ্ধাৰ হ'ল। এই দৰে আমি মৰণৰ হাত সাৰিব পাৰিলোঁ।

পুনৰায় নাৱত যাব ধৰিলোঁ। দুয়ো পাৰে কেৱল হাবিহে। পিতাই আগেয়ে চাই থোৱা ঘাটত নামি তাৰ পৰা গাড়ী এখন ভাৰা কৰি গাড়ীৰে যাব লগা হ'ল। এশ পঁচিশ মাইল নাৱেৰে এই ঠাইলৈ আহিছিলোঁ। গাড়ীৰ ভাড়াত কাটি পিতাই গাড়োৱানক নাওখনকে দিলে; কাৰণ তাক নাও এখন লাগিছিল। গাড়ীৰ বাট নাই। পিতাই হাবি কাটি কাটি গাড়ী যোৱা বাট উলিয়াই যাব লগা হৈছিল।

এইছোৱা বাটত দুই চাৰিটা মানুহৰ ঘৰ দেখা গৈছিল। ৰাতি মানুহ এঘৰত অতিথি হব লগা হ'ল। বৰ দুখীয়া মানুহ। ঘৰ একেটা। কোনোমতে তাতে ৰাতিটো কটাই পুৱাই আকৌ ৰাওনা হলোঁ।

বহু কষ্টৰ শেষত আমি পিতাৰ যাব লগীয়া ঠাইত উপস্থিত হলোঁ। তাত এজন ইংৰাজ বাস কৰিছিল। এঘৰ একে জাতীয় মানুহ লগ পাই তেওঁ বৰ সুখী হ'ল। নিবিড় অৰণ্য। ওচৰত লোকসমাজৰ বাস নাই। তেনে ঠাইত তেওঁ আমাক দেখি বৰ সুখী হ'ল। তেওঁ আমাক সকলোকে অভ্যৰ্থনা কৰিলে। কোন ঠাইত পিতাৰ ঘৰ সজা ভাল হব তেওঁ তাক দেখুৱাই দিলে। হাবিৰ মাজত হলেও ঠাইখিনি পিতাৰ বৰ ভাল লাগিল। যথা সময়ত পিতাই এই নতুন ঠাইত ঘৰ তৈয়াৰ কৰি পেলালে। বাঁহ, কাঠ আদিৰে ঘৰটো হৈ গ'ল। ঘৰ তৈয়াৰ হোৱাৰ পিছত সেই ভদ্ৰলোকৰ ঘৰৰ পৰা আমাক তিনিওজনকে নতুন ঘৰলৈ আনিলে। ঘৰৰ চকি, মেজ, খাট আদি অন্যান্য সাজ-সৰঞ্জাম বিলাক পিতাই মোৰ সহায়ত তৈয়াৰ কৰি ললে। সেই ভদ্ৰলোক গৰাকীৰ নাম উড্। তেওঁ মাজে সময়ে আহি নানা কামত সহায় কৰি যায়। ১৮১৭ চনত আমি নতুন ঘৰ ললোঁ।

সকলো ৰকমৰ বয়বস্তু যোগাৰ হোৱাত পিতাই জীৱিকাৰ পথ এটা উলিয়াব লগা হ'ল। ঘৰত খাবলৈ সামান্য ৰুটি দুই এটুকুৰা! পেটৰ দায়ত আৰু তিক্ততা আৰু ল'ৰা-

ছোৱালীৰ পালনৰ বাবে খেতি-বাতি নকৰিলেই নহব! কিন্তু খেতি কৰিবলৈ মাটি ক'ত? মাটি আছে; অটব্য কাঠনিৰে ভৰা। সিবোৰ কাটি খিল মাটি ভাঙি তাতে চাহ-বাহ নকৰিলে আৰু উপযুক্ত মাটি নাই। পিতাৰ জীৱনত ইও এটা ভীষণ পৰীক্ষা।

যুক্তৰাজ্যৰ নানা প্ৰদেশৰপৰা স্বাধীন ইণ্ডিয়ানালৈ দলে দলে ক'লা-বগা মানুহ আহি হাবিৰ মাজত পাম-খাট ধৰিলে। লাহে লাহে লিঙ্কন পৰিয়ালৰ চাৰিওফালে নতুনকৈ অহা মানুহৰ ঘৰ উঠিব ধৰিলে; লগে লগে হাবিও চাফ্ হব ধৰিলে। কিন্তু সিবোৰ মানুহ ভয়ানক মদপী। মোৰ আইৰ ভয় হ'ল—কিজানি মই ওচৰ-চুবুৰীয়াৰ মদপী লৰাৰ লগ লাগি মদপী হৈ যাওঁ! এই ভয়ত তেওঁ সদায় সাৱধান আছিল। তেওঁ মোৰ আগত মাজে মাজে মদ পানৰ দোষ সম্বন্ধে নানা উপদেশ দিছিল। মোৰ মনত পৰে,—এদিন আয়ে কথায় কথায় কলে,—"চোৱা এব্ৰ, মানুহে আগেয়ে মদ খাবলৈ আৰম্ভ কৰে, পিছত মদপী হয়। তুমি যদি জীৱনত কেতিয়াও মদ নোচোৱা তেনেহলে কেতিয়াও মদপী নহবা।" মই সিদিনাই আইৰ আগত শপত খালোঁ,—"আই, মই মোৰ জীৱনত কেতিয়াও মদ নুচুম।" মোৰ পক্ষে ই এটা জীৱনৰ লেখত লবলগীয়া ঘটনা।

## মোৰ পঢ়িবলৈ ধাউতি

নতুন ঠাইলৈ অহাৰ এবছৰ পিছতেই সংক্ৰামক ৰোগত আই ঢুকায়। মোৰ তেতিয়া নবছৰ মাথোন। আইৰ মৃত্যুৰ লগে লগে মোৰ মনত বৰ হতাশা আহিল; আৰু পৰিয়াল-টোত বৰ শোকৰ ছাঁ পৰিল। ইমান কম বয়সতেই মই মোৰ আইৰ স্নেহৰ পৰা বঞ্চিত হোৱাত মোৰ হৃদয় শোকতে খুন্দা মাৰি ধৰিলে। মোৰ ভৱিষ্যত জীৱনৰ সুখ-সম্পদ সকলো যেন ৰহিত হৈ গ'ল—মোৰ জীৱন যেন অথলে গ'ল। হাবিৰ মাজত সোমাই অকলে অকলে 'আই' 'আই' বুলি চিঞৰি চিঞৰি ফুৰিবলৈ ধৰিলোঁ। মই সংসাৰখন এন্ধাৰ দেখিব ধৰিলোঁ। মোৰ কামত চালক আৰু নাই; গতিকে মোৰ জীৱনৰেই দৰকাৰ নাই—এনে বিবেচনা কৰিলোঁ। মোৰ ঘৰত থাকিবৰ ইচ্ছা নোহোৱা হ'ল।

এদিন মোক পিতাই মাতি আনি কলে, "এব্ৰ, তুমি লিখিব জানানে?" মই উত্তৰ দিলোঁ, "জানো পিতা।" পিতাই কলে, "এব্ৰ, তুমিতো জানাই, তোমাৰ পিতাৰে কোনো দিনে চিঠি লিখিব শিকা নাই। তুমি তোমাৰ মাতাৰ সৎকামৰ বাবে পুৰোহিত পাদ্ৰী এল্‌কিন্সক চিঠিৰে মাতি আনিব লাগে। তেওঁ তোমাৰ মাতাৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা কৰিব। মই কৈ থাকিম তুমি লিখি থাকিবা।"

মোৰ হাতৰ আখৰ আৰু চিঠি লিখা বিদ্যা কাজত খটুৱাব

পাৰিম বুলি মোৰ মনত আনন্দ আছিল। চিঠি লিখা হ'ল। শেষত পঢ়ি শুনালোঁ আৰু ঠিকনা লিখি ডাকত দিলোঁ।

লিঙ্কন পৰিয়ালৰ কোনো পুৰুষতে চিঠি লিখি পোৱা নাই। পুত্ৰৰ বিদ্যা লাভৰ এই প্ৰত্যক্ষ উদাহৰণত পিতাৰ বৰ আনন্দ হ'ল। চিঠিখন পুৰোহিতে পাব নে নাপায় সেইটো মোৰ চিন্তা হ'ল। চিঠি দিলোঁ বাকচত কেনেকৈ, কেতিয়া তেওঁ পাব এই চিন্তাই মোক বৰ অস্থিৰ কৰি তুলিছিল। মোৰ এই প্ৰথম চিঠি লিখা দিনটো মোৰ জীৱনত বৰ গৌৰৱৰ দিন। মই যে বৰ ভাল চিঠি লিখিব পাৰোঁ এই খবৰ জনা-জাত হ'ল। ওচৰ-চুবুৰীয়াৰ বহুতে আহি প্ৰায় নিতৌ মোৰ হতুৱাই চিঠি লিখাব ধৰিলে। ময়ো বৰ আনন্দেৰে চিঠি লিখা কামত আগ বাঢ়িলোঁ। মুঠতে চিঠিৰে খা-খবৰ লিখা-লিখিৰ দ্বাৰা আত্মীয়-স্বজনৰ লগত দূৰত থাকিলেও ওচৰত থকা যেন কৰি পেলালোঁ। সেই বাবে মোক গাৱঁৰ সকলোৱে ভাল পোৱা হ'ল।

মোৰ প্ৰথম লিখা চিঠি পুৰোহিতে পায় নে নাপায়, আৰু পাই আছে নে নাহে ভাৱনাত পৰিছোঁ। চিঠিৰ উত্তৰ নাপাই বৰ বেজাৰ লাগি আছে। চিঠি দিয়াৰ তিনি মাহৰ মূৰত পুৰোহিত আহি পালে। মোৰ প্ৰথম চিঠি লিখা সাৰ্থক বুলি মই মনে মনে ভাবিলোঁ।

তেওঁ আমাৰ ঘৰ আহি নৌপাওঁতেই ঘৰৰপৰা অলপ দূৰতে এলকিন্স পুৰোহিতে মোক দেখা পাই মোৰ লগত

চিনা-জনা হ'ল। চিঠিখন মই লিখা বুলি কলোঁ। পুৰোহিতে মোক কলে, "বাপা! তুমি লিখা বুলি মই জানো। তোমাৰ সমনীয়া লৰাৰ বহুতে চিঠি লিখিব নাজানে।" মই কলোঁ, "পুৰোহিত মহাশয়! সেই খন চিঠিয়েই মোৰ পহিলা চিঠি"। এই দৰে কথা-বতৰা হোৱাৰ পিছত তেওঁক মই ঘৰলৈ আনিলো।

মাতৃৰ শ্ৰাদ্ধৰ দিনা দহ পোন্ধৰ মাইল দূৰৰ পৰাও আমাৰ মিতিৰ-কুটুমবোৰ আহি আমাৰ ঘৰত অতিথি হ'লহি। ৰবিবাৰে শ্ৰাদ্ধৰ দিন। ধৰ্মমতে পুৰোহিতে যি যি কৰ্ম কৰিব লাগে সকলো কৰিব ধৰিলে। উপাসনাত সকলোৱে যোগদান দিলে। আইৰ আত্মাৰ কল্যাণৰ অৰ্থে পুৰোহিতৰ লগতে সকলোৱে একে লগে কৰা প্ৰাৰ্থনা কি মনোমুগ্ধকৰ হৈছিল! মোৰ হিয়া আনন্দতে ভৰি পৰিল। মাতৃবিয়োগ দুখ মনৰপৰা আঁতৰিল। পুৰোহিত এল্‌কিন্স শ্ৰাদ্ধৰ শেষত গুচি গ'ল।

এল্‌কিন্স যোৱাৰ লগে লগে মোৰ মন আকৌ বিষাদেৰে ভৰপূৰ হ'ল। অনাই বনাই ফুৰোঁ। মন পাতলাবলৈ কিবা ভাল পুথি পাওঁনেকি বিচাৰিব ধৰিলোঁ। পিতাই বহু যত্ন আৰু শ্ৰম কৰি কুৰি মাইল দূৰৰপৰা মোলৈ এখন কিতাপ আনিলে। পিতাই সেইখন আনি মোক কলে, "বোপা! মই তোমালৈ এটা বস্তু আনিছোঁ। এই পুথিখন বৰ ভাল বুলি শুনিলোঁ। তুমি মোক পঢ়ি শুনাবা।" মই কিতাপ খনৰ নাম পঢ়িলোঁ—'Pilgrims' Progress।' বহুদিনৰ মূৰত

ভাল কিতাপ এখন পাই মনটো অলপ ভাল লাগিল। এই-খন দুবাৰ মান পঢ়িলোঁ। পিতাকো শুনালোঁ। ইয়াৰ পিছত ঈচপৰ সাধু-'Æsop's Fables' নামৰ পুথিখন পালোঁ। এইখন পুথিয়ে মোক বৰ আমোদ দিলে। এই দুখন পুথিয়ে মোৰ ভবিষ্যত চৰিত্ৰ গঠনত বৰ সহায় কৰিছিল।

মই য'তে পাওঁ ত'তে লিখি ফুৰিবলৈ ধৰিলোঁ। ঘৰৰ দুৱাৰ, তক্তা, খুটা আদি সকলোতে মোৰ হাতৰ লেখা। পিতাই এই কথাত বৰ বেজাৰ পাইছিল। এজন ওচৰৰ মানুহে কলে, যে মোৰ হাতৰ আখৰ উৎকৃষ্ট। সিদিনাৰ পৰা পিতাই বেজাৰৰ ভাব এৰিলে আৰু মোৰ লিখা ভাল পোৱা হ'ল।

পিতাৰ আগত বিৰাট কৰ্মক্ষেত্ৰ। মই পথাৰত কাম কৰিব লাগে। কামত মই ঢিলা হলোঁ। কাৰণ মোৰ লিখা-পঢ়া কৰিবলৈ বৰ ইচ্ছা আছিল। পিতাৰ ইচ্ছা আছিল, মোক লগত লৈ খেতি-পথাৰ কৰি ধনী হোৱা। কিন্তু স্বগায়া আইৰ ইচ্ছা আছিল মোক বিদ্বান কৰা। আইৰ অভাৱত পিতাৰ প্ৰভাবত পৰিলোঁ। কিন্তু মোৰ অদম্য উদসাহ আছিল পঢ়া-শুনা কৰি মানুহ হোৱা।

মোৰ জীৱনৰ পৰিবৰ্ত্তন আনে 'জৰ্জ ওৱাচিংটন'ৰ জীৱনী খনে। শুনিব পালোঁ মোৰ গাওঁৰে এজন লোকৰ এই কিতাপ আছে। মই সেইখন গৰাকীৰ পৰা ধাৰে ললোঁ। এইমাত্ৰ শুনিছিলোঁ, যে জৰ্জ ওৱাচিংটন যুক্তৰাজ্যৰ প্ৰতিষ্ঠাতা

আৰু আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধত সেনাপতি আছিল। মোৰ ককাদেৱে সেই স্বাধীনতা পাবৰ বাবে যুদ্ধ কৰিছিল। কিন্তু তেতিয়ালৈ ওৱাচিংটন বা স্বাধীনতাৰ যুদ্ধ সম্বন্ধে মই একো জনা নাছিলোঁ। গতিকে এই কিতাপখন মোৰ পক্ষে বৰ মূল্যবান হৈ উঠিল। সেইখন কিতাপ এবাৰ পঢ়িয়েই মোৰ তৃপ্তি নহ'ল। বাৰে বাৰে পঢ়িলোঁ আৰু ওচৰ-চুবুৰীয়াৰ আগত পঢ়ি শুনালোঁ। মই তেতিয়াহে বুজিলোঁ স্বাধীনতা কি, আৰু বুজিলোঁ জৰ্জ ওৱাচিংটন আমাৰ জাতিৰ পিতা আৰু স্বাধীনতা আনি দিওঁতা।

ওৱাচিংটনৰ জীৱনী পঢ়ি মোৰ মনত নতুন আশা আহিল; মনে মনে সংকল্প কৰিলোঁ ময়ো তেনে এজন হম। এই কিতাপেই মোক মানুহ হবলৈ আৰু দেশৰ কল্যাণৰ বাবে প্ৰাণ উছৰ্গিবলৈ অনুপ্ৰেৰণা দিলে। মই বুজিলোঁ—"মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ, আমিও কৰিব পাৰোঁ জীৱন গঠিত।" এয়ে হ'ল মোৰ জীৱনৰ মূল মন্ত্ৰ।

## পিতাৰ দ্বিতীয়বাৰ বিবাহ—জ্ঞান-তৃষ্ণা

আইৰ মৃত্যুৰ পিছৰপৰা বাইদেৱে গৃহস্থিৰ সকলো কাম কৰিব লগা হ'ল। কিন্তু তেওঁৰ বৰ পৰিশ্ৰম হব ধৰিলে। গতিকে পিতাই তেওঁৰ দুখ পাতলাবৰ ইচ্ছা কৰি দ্বিতীয়বাৰ বিয়া কৰালে। বিমাতাজনী এগৰাকী ধনীৰ ঘৰৰ। তেওঁক বিয়া কৰোৱা গিৰীয়েক ঢুকায়, সংসাৰত দুজনী ছোৱালী

আৰু এজন ল'ৰা এৰি যায়। পিতাই প্ৰথম বিয়াৰ আগৰেপ: এওঁক বিয়া কৰাবৰ ইচ্ছা কৰিছিল। কিন্তু পিতা অশিক্ষি কাঠকুৱা বুলি তেওঁ পিতাৰ লগত বিয়াত নোসোমাল দ্বিতীয়বাৰ বিয়াৰ কথা-বতৰা হোৱাত তেওঁ সম্মত হ'ল ১৮১৯ চনত এই বিবাহ হয়।

তেওঁ দুটি ছোৱালী আৰু এটা ল'ৰা লৈ পিতাৰ পত্নীৰূপে বহু মাল-বস্তু লৈ এদিন ঘৰত সোমাল। ভাল বিছনা, ধুনীয় সাজ-বাচন, মূল্যৱান চকি-মেজ, নানাৰকম বাকচ তেওঁ লগতে আনিলে। আমাৰ ঘৰ ভৰি গ'ল। আমাৰ কোনে পীৰিতে এনে সুন্দৰ বস্তু নাছিল। এইবোৰ এতিয়া আহি হয় কিন্তু থবৰ ঠাই নাই। মোৰ মনত বৰ আনন্দ হ'ল মই নিজে সিবোৰ সজাব ধৰিলোঁ। ঘৰৰ দুৱাৰ চাপ আছিল আৰু খিৰিকি নাছিল। বিমাতাই আহিয়েই ও দুৱাৰ আৰু খিৰিকি কৰালে। এনেকুৱা কৰাত ঘৰৰ ভিতৰ পোহৰ পৰিল আৰু বস্তুবোৰ জিলিকি উঠিল, ঘৰৰ ভিতৰ খনো ধুনীয়া হ'ল।

মোৰ স্বৰ্গীয়া জননীতকৈ বিমাতা অধিক শিক্ষিত আছিল। এই মহিলা উচ্চ বংশৰ। এওঁৰ আদৰ্শমতে আমা ঘৰ উচ্চ হব ধৰিলে। তেওঁ আহিয়েই মোক নিজহাতে এজোৰ কাপোৰ তৈয়াৰ কৰি দিলে। তেওঁ মোক বৰকৈ মৰম কৰি ধৰিলে। মই যে মাতৃহীন তাক মই একেবাৰে পাহৰিলোঁ তেওঁৰ নিজৰ ল'ৰা-ছোৱালীক বুজালে যে, মোৰ বাইদে

সিহঁতৰো বাইদেৱেক আৰু মই সিহঁতৰ ককাইদেৱেক। এতিয়া আমি কেবাজনো ভাই-ভনী হলোঁ। তেওঁ বিমাতা বুলি বিবেচনা নোহোৱা হ'ল। এই আইৰ নাম ছালে। এতিয়াৰপৰা এৱেঁই মোৰ আই হ'ল।

আই শিক্ষিতা আৰু বুদ্ধিমতী। আহিবৰ দিনাই হেনো তেওঁ কিবা বিশেষ গুণৰ লক্ষণ মোৰ গাত পাইছিল। মোক শিক্ষিত কৰি তুলিবলৈ তেওঁৰ একান্ত আগ্ৰহ হ'ল। তেওঁ বুজিছিল, যে যদি মোক লিখা-পঢ়া শিক্ষা দিয়া হয়, তেনেহলে মই হেনো এজন ডাঙৰ মানুহ হ'ম। তেওঁ মোৰ চৰিত্ৰ গঠনত বিশেষ মন দিলে।

ওচৰত স্কুল নাছিল। এনে সময়তে ওচৰতে ডৰসী নামে এজন লোকে এখন পঢ়াশালি পাতিলে। শিক্ষকজন অঙ্ক শিকোৱাত ভাল আছিল। আইৰো ইচ্ছা মই অঙ্ক শিকিব লাগে। পিতাই বজাৰৰপৰা পুৰণি গণিত এখন আনি দিলে। প্ৰথম দিন স্কুললৈ যাবৰ দিনা আয়ে মোক যি সাজ-পাৰ পিন্ধাইছিল সি মোৰ জীৱনত মনত ৰাখিব লগীয়া ঘটনা। সিদিনা মোক সকলোৱে চাইছিল। সাহিত্য বিষয়ত মোৰ আৰু শিক্ষক মহাশয়ৰ জ্ঞান প্ৰায় একে সমান। অঙ্কৰ জ্ঞান কিন্তু তেওঁ মোক দিলে। সামান্য ভূগোল শিক্ষাও মোক দিলে। মোৰ দুৰ্ভাগ্য কিছুদিন পিছতেই সেই বিদ্যালয় উঠি যায়। এইবোৰ শিক্ষাই মোৰ মনৰ হেপাহ নুপূৰালে। মোক লাগিছিল ডাঙৰ ডাঙৰ মানুহৰ শিক্ষা। মোক

লাগিছিল তেনে শিক্ষা—যিয়ে মোক মানুহ কৰি তুলিব পাৰে। মই তেনে কিতাপ সদায় বিচাৰোঁ। আয়ে কিন্তু মোক ডাঙৰ মানুহৰ জীৱনী শুনাইছিল। আইৰ মুখৰপৰা বহু ভাল মানুহৰ জীৱনী শুনি মোৰ বিশ্বাস হৈছিল যে, মইও এদিন তেনে লোক এজন হব পাৰিম। মনে মনে ভাব হয়—ওৱাচিংটনে যুক্তৰাজ্য স্বাধীন কৰে। মই কি কৰিব পাৰিম? মোৰ বাবে নিজৰ দেশৰ কল্যাণৰ অৰ্থে কাম বা কি হব?

আমাৰ গাওঁৰেই এজন মানুহে আহি পুৰণি স্কুলতে স্কুল পাতিলে। তেওঁৰ বিদ্যাও মোৰেই সমান। তথাপি বয়সীয়াল মানুহ বুলিয়ে তেওঁৰপৰা কিছু শিকিলোঁ। তেওঁ শিকোৱাত বৰ ভাল আছিল। এই শিক্ষকৰ নাম ক্ৰফোৰ্ড। তেওঁ চিনি পালে যে, মোৰ গাত ডাঙৰ মানুহৰ লক্ষণ আছে। তেওঁ পিতাক এদিন কলে—"টমাচ! এৱ অতি আচৰিত প্ৰতিভাশালী ল'ৰা। এটা বিষয় শিকা শেষ হলে তাতেই সি ক্ষান্ত নহয়—কিবা নতুন শিকাব লাগে। ই মহৎ লোক হব।" মুঠতে এওঁ মোৰ ভবিষ্যত জীৱন সম্বন্ধে পিতা-মাতাক আশ্বাস দিলে। আয়ে তেওঁক জ্ঞানীলোক বুলি কৈছিল। এওঁ মোক এটা নতুন কথা শিকাইছিল। সেই সময়ৰ সকলো শিক্ষকে পুথিৰ শিক্ষাৰ উপৰিও আন নতুন বাহিৰা সভ্য-জগতৰ কোনো খা-খবৰ দিয়া নাছিল। পিছত বুজিলোঁ তেওঁলোকে বাহিৰা কথা নাজানিছিল। এওঁ সভ্য সমাজত চলা-ফিৰা কৰা কায়দাও শিকাইছিল। এই স্কুলৰ পাঠ শেষ

হলত পাঁচ মাইল দূৰত থকা অইন এখন স্কুললৈ যাওঁ। তাতো যি শিকিব লাগিছিল শিকিছিলোঁ। এইদৰে পাঁচ বছৰৰ পৰা সোতৰ বছৰ বয়সলৈ মই শিক্ষা লাভ কৰিলোঁ। মুঠতে পাঁচখন পঢ়াশালিত মই পঢ়িছিলোঁ; কিন্তু কোনো এখনতে এবছৰৰ অধিককাল মই পঢ়া নাছিলোঁ। সোতৰ বছৰ বয়সতেই মোৰ ছাত্ৰ জীৱন শেষ।

মই কিতাপ বিচাৰি ফুৰিব ধৰিলোঁ। ওৱাচিংটনৰ জীৱনী এখন পালোঁ। এইখন অইন এজন মানুহে লিখা। ওৱাচিংটনৰ জীৱনী মই বৰ ভাল পাইছিলোঁ। ইয়াৰ কাৰণ আছিল, তেওঁৰ নিচিনা লোক আমেৰিকাত জন্মা নাছিল। তেওঁ ইংৰাজক আমেৰিকাৰপৰা খেদি দিবলৈ কম চেষ্টা কৰা নাছিল। পূৰা সাত বছৰ ধৰি ইংৰাজবোৰ ওৱাচিংটনৰ হাতত লাঞ্ছিত। এওঁৰ প্ৰতিভা আৰু স্বদেশপ্ৰেমত মই মুগ্ধ হৈছিলোঁ।

কিতাপখন ঘৰলৈ আনিলোঁ। কিছুদিন পিছত ফিৰাই দিব লাগিব। দুই এদিন যোৱাতে ৰাতি বৰষুণ পৰি কিতাপখন ভিজি গৈছে, পাতবোৰ নষ্ট হৈ গৈছে। কিতাপৰ এই অৱস্থা দেখি মোৰ চকুলো ওলাল। আইও বৰ দুখিত। কিতাপখন জুইৰ তাপ দি দি শুকালোঁ হয়, কিন্তু পূৰ্ব্বৰ সৌন্দৰ্য্য পুনৰ নাহিল। কি কৰোঁ উপায় নোহোৱা হ'ল। আয়ে দিহা দিলে যে ভালে-বেয়াই সেইখন গৰাকীক ফিৰাই দিব লাগে। মই নি যাচিলোঁ। যাচাত তেওঁ কিতাপ লবলৈ ৰাজি নহল। তাৰ বেচ দিব লগা হ'ল। মমো তাকে

দিবলৈ সাজু হলোঁ। কিন্তু ধন নাই। ঘৰলৈ আহি আইক কোৱাত তেওঁ কলে যে বন কৰিয়েই কিতাপৰ মূল্য দিব পাৰি। আমি দুখীয়া খেতিয়ক—বন কৰাত লাজ নাই।

মই গৈ সুধিলোঁ—"কিতাপখনৰ মূল্য কিমান? কাম কৰি আপোনাৰ কিতাপৰ দাম তুলি দিম। কি কাম কৰিব লাগে ক'ক। কিতাপখন আপোনাৰ ততেই থাওক।" তেওঁ বৰ শান্ত ভাবে কলে, "চোৱা। মোৰ পথাৰৰ শস্য পকি নষ্ট হৈ যাব ধৰিছে। মইও নানা কামত বৰ ব্যস্ত। তুমি সেইবোৰ কাটি দিয়া। যদি এই কামত সহায় কৰা তোমাৰ কিতাপৰ মূল্য উঠিব।"

মই কলোঁ, "ভাল হব। কিমান মাটিৰ শস্য কাটিব লাগিব?"

তেওঁ উত্তৰ দিলে, "আটাইবোৰ।"

"আটাইবোৰ নাকাটিলে হবনে?"

"তুমি কিতাপখন এনেয়ে পাবৰ ইচ্ছা কৰিছা নহয় নে? তুমি বৰ চালাক দেখিছোঁ।"

মই পিছদিনা শস্য কাটিব গলোঁ। আই-পিতাই এইটো বৰ নিষ্ঠুৰ বন্দবস্ত হৈছিল বুলি দুখ কৰিলে। শস্য কাটিব ধৰিলোঁ। অইন মানুহে পাঁচ দিনত যিমান কাটিলেহেঁতেন, মই তিনি দিনতে কাটি পেলালোঁ। মানুহজন ভয়ানক মতলবী পাগল যে মই বুজিলোঁ। তথাপি কিতাপখন মোৰ হব এই ভাবিয়ে ইমান হাৰ-ভগা পৰিশ্ৰম কৰি দিলোঁ। তেতিয়াও কিতাপৰ মূল্য নুঠিল। তেওঁৰ ঘৈণীয়েকৰ কামত

সহায় কৰিবলৈ মোক নতুনকৈ লগালে। ময়ো কৰিলোঁ কিতাপৰ আশাত। দৈনিক এক চিলিং লৈ কাম কৰিব ধৰিলোঁ। মোৰ প্ৰথম কামৰ বাবে মোৰ বাইদেউক আনি দিলোঁ। তেতিয়া মোক এটা ঘৰ সজা কামত খটুৱালে। মই এটা ঘৰ অকলে সাজি, ভেটি তুলি, বেৰ লিপি বাসৰ উপযোগী কৰি তুলিলোঁ। তথাপি কিতাপ মোৰ হোৱা নাই। তেওঁৰ নীচতাৰ বাবে মই বৰ আচৰিত হলোঁ।

সকলো দুখ, সকলো গালাগালি মই সহিবলৈ বাধ্য হৈছিলোঁ মাত্ৰ এটা কাৰণত—তেওঁৰ ঘৰত বহু কিতাপ আছিল। নিজে বহু ৰাতিলৈ জাগি থাকি সকলোবোৰ কিতাপ পঢ়ি পেলালোঁ। মোৰ মনত ৰখা শক্তি বৰ প্ৰখৰ আছিল। বহু কিতাপৰ বহু ভাল ভাল কথা মুখস্থ কৰি পেলাইছিলোঁ। ঘৰলৈ যাবৰ সময়ত গৰাকীয়ে কিতাপখন দিলে। টকাও কিছু দৰ্মহা হিচাবে পালোঁ। এই টকাৰে মই কিছুমান ভাল ভাল কিতাপ কিনিলোঁ।

এই দৰে এই ঘৰত দুখ-যন্ত্ৰণাৰ মাজেদি মোৰ জ্ঞান লাভ হয়; আৰু কিতাপ লাভ কৰাত বিশেষ সুবিধা হৈছিল। মই বুজিছিলোঁ—সোণ পুৰিলে উজ্জ্বল হয়।

## সামাজিক জীৱন—ৰাজনৈতিক শিক্ষা

ইণ্ডিয়ানাৰ হাবিৰ মাজত মই সৎ সমাজ পাইছিলোঁ এক বিষয়ত। সেই অঞ্চলৰ মানুহবিলাক দুখীয়া হলেও বৰ

ধাৰ্মিক। ধৰ্ম-প্ৰচাৰক পাদ্ৰীবোৰে আহি মাজে মাজে ধৰ্ম বিষয়ক বক্তৃতা দি ফুৰিছিল। কাৰবাৰ ঘৰত মানুহ মৰিলে, মৃত লোকৰ আত্মাৰ কল্যাণৰ বাবে সেই ঘৰত প্ৰাৰ্থনা কৰা হয়। সেই উপলক্ষে গাৱঁৰ সকলো মুনিহ তিৰোতা সেই পৰিয়ালতে গোট খায় আৰু উপাসনাত যোগ দিয়ে। তেওঁলোকে ধৰ্ম জানিছিল, কিন্তু এই ধৰ্মই সিহঁতক মানুহ কৰা নাছিল। মৃত্যুৰ পিছত আত্মাৰ মুক্তিৰ পথো কোনোৱে পোৱা নাছিল। কোনো এজন যোগী তপস্বী বা সাধকো ওলোৱা নাছিল।

যিদিন যাৰ ঘৰত উপাসনা হয়, সেইদিন সেই ঘৰৰ গিৰিহঁতে সকলো অতিথিকে অভ্যৰ্থনা কৰিব লাগিছিল। পিতাৰ ঘৰতো এসময়ত প্ৰাৰ্থনা আৰম্ভ হোৱাত সকলো অতিথিকে আলুৰে অভ্যৰ্থনা কৰিছিল।

কিন্তু বৰ দুখৰ কথা এই ধৰ্মৰ নামত সমাজত কুসংস্কাৰে ভৰা অৰণ্যৰ মাজত আছিল অন্ধ-বিশ্বাসী। বিশ্বাসে যেন স্বৰ্গলৈ নিব পাৰে। পুৰোহিত অহা শুনিলেই মিতিৰ-কুটুমবোৰে সকলো কাম এৰি দহ-বাৰ মাইল দূৰৰ পৰা গোট খায়হি। তিৰোতা সকলে জাৰ-কালিৰ পৰা ৰক্ষা পৰিবলৈ কাপোৰ নোহোৱাকৈয়ে ধৰ্ম-সভালৈ গৈছিল। লৰা-ছোৱালীক লগত লৈ ঘোঁৰা বা আন কোনো জন্তুৰ পিঠিত উঠি গৈছিল; গিৰীয়েকবোৰে খোজ কাঢ়ি গৈছিল। বুঢ়াবোৰে কাম বন্ধ কৰি দা-কোদাল লগত লৈ, ডেকাবোৰে হাবিৰ পৰা আহি

আমোদেৰে নিজৰ নিজৰ আসনত বহিছিল। বাৰ-ভুচুৰি গল্প চলি থাকে। বুঢ়াবোৰে বুঢ়ীবোৰৰ লগত বহি আমোদেৰে ধপাত খাই থাকে। ধপাত জ্বলোৱা জুইৰ ধুনি জ্বলা থাকেই। এই অতিথিবোৰৰ অভ্যৰ্থনাৰ বাবে আহিল মদ, পানী, চেনি, আটা বা চেকা আলু আৰু গাজৰ। উপাসনা আৰম্ভ নোহোৱা-লৈকে এই কাম চলে। ধৰ্মসভা আৰম্ভ হয়। পাদ্ৰীয়ে ধৰ্মৰ কাম কৰিবলৈ আৰম্ভ কৰে। প্ৰথমে গান, তাৰ পিছত প্ৰাৰ্থনা, তাৰ পিছত ধৰ্ম-পুথি পাঠ চলে। পিছত চলে বক্তৃতা। গাৰ ঘাম নোলোৱালৈকে তেওঁ বক্তৃতা দিয়ে। শেষত দুবাহু তুলি গান কৰি কৰি ধৰ্ম-সভা শেষ কৰে। এনে ধৰ্ম-সভাতে হেনো ইয়াঙ্কি সকলৰ মুক্তি!

কুসংস্কাৰো কম নাছিল। গৰু-মহৰ চিকিৎসাৰ বাবে মন্ত্ৰ জনা ওজা মতা হৈছিল। চিকাৰ কৰিবলৈ যাত্ৰা কৰিলে, কুকুৰে বাট কাটি গলে যাত্ৰা নিষ্ফল। এই দোষ কটাবৰ বাবে দুই কিনা আঙ্গুলীত টিপি ধৰিছিল। যাদুকৰবোৰে হাত কপাল চাই মানুহৰ ধন-ৰত্নৰ ভূত-ভবিষ্যৰ খবৰ দিব পাৰিছিল।

খিৰিকিৰ ওপৰত কোনো পখীয়ে মাতিলে হেনো ঘৰৰ কোনো লোক মৰে। লৰা-ছোৱালীৰ গাত ঘোঁৰাৰ নিশ্বাস পৰিলে সিহঁতৰ ঘুগুৰা কাহ হোৱা বিশ্বাস আছিল। এনেবোৰ অন্ধ বিশ্বাসে সেই সমাজৰ মানুহক শাসন কৰিছিল।

খেতি-বাতি বিষয়তো অন্ধবিশ্বাস ভৰি আছিল। তিথি-বাৰ চাইহে কৃষিৰ কাম নতুনকৈ আৰম্ভ কৰা হৈছিল। মূলা,

আলু আদি মাটিৰ তলত দোৱা বোৰ শুক্লপক্ষত ৰোৱা প্ৰথা আছিল। কোনো ঠাইত বেৰ দিব লাগিলে কৃষ্ণপক্ষত সি হ'ব নোৱাৰে। চন্দ্ৰ দেৱতাক তেওঁলোকে সন্তুষ্ট ৰাখিছিল, তেওঁৰ কোনো মতে খং তোলা নাছিল। চন্দ্ৰৰ কিৰণত চাবন তৈয়াৰ হৈছিল। সিও মাত্ৰ এজন মানুহেহে কৰিছিল। শুক্ৰবাৰে কোনো কাম আৰম্ভ কৰা নহৈছিল।

এনে সঙ্কীৰ্ণ সমাজত জন্মি মই ডাঙৰ দীঘল হৈছিলোঁ। তথাপি মই এইবোৰৰ ওপৰত। মোক এই সঙ্কীৰ্ণতাই চুব পৰা নাছিল। কিন্তু এনে সমাজৰ মানুহেই আছিল মোৰ লগৰীয়া, এনেবোৰ মানুহৰ ল'ৰা-ছোৱালীয়েই আছিল মোৰ খেলৰ লগৰ। দিনে-ৰাতি কাম কৰোঁ, সিহঁতৰ গল্প শুনো, সিহঁতৰ লগত কথা পাতোঁ, সিহঁতৰ অভাৱ আকাঙ্ক্ষা শুনো। গতিকে কেচুৱা কালিৰে পৰা মোৰ মনত যি সাঁচ পৰিছিল তাক সহজে মচা টান হৈছিল। এনে বেয়া সমাজত মই কিমান স্থিৰ চিত্তে থাকি চিন্তা কৰিব লগা হৈছিল তাক মইহে জানোঁ। সমাজৰ এই বেয়া নিয়মবোৰ মই কাঠৰ তক্তাত আৰু পালে কাকতত টুকি থওঁ। কোনো লোকৰ পৰা মই নোট-বহী এটা পালোঁ; তাতে মোৰ চকুত পৰা বেয়া নিয়মবোৰ লিখি যাব ধৰিলোঁ। এই নোট-বহী মোৰ চাকিৰ দৰে হৈছিল। মই বুজিলোঁ নোট-বহীয়ে বৰ উপকাৰ দিয়ে।

দুখীয়াৰ চিন্তাই বা কি? সংসাৰ বিষময়। ধন নহলে চলিব পাৰি কেনেকৈ? গতিকে মই সোতৰ বছৰ বয়সতেই

টেলাৰ নামে এজন মানুহৰ ঘৰত চাকৰিত সোমালোঁগৈ। বেতন মাহে ১৮৸০। কাম আছিল নাও বোৱা। মই নাও বোৱাত পাকৈত আছিলোঁ। গতিকে আপত্তি নোহোৱাকৈ সেই কাম কৰিব ধৰিলোঁ। এই কামৰ উপৰিও ঘৰৰ সকলো কাম, যেনে, খেতি-বাতি, ৰন্ধা-বঢ়া, ঠাই চাফ কৰা আদি কামো কৰিব লগীয়া হৈছিল। কোনো কামকেই মই ঘৃণা কৰা নাছিলোঁ। মোৰ গাত বল শক্তি আৰু উৎসাহ দিনক দিনে বাঢ়ি আহিছিল। ওখইদিও মই সাত ফুটেই হৈ উঠিছিলোঁ। গতিকে কোনো কামেই মোক বিৰক্তি দিব নোৱাৰিছিল।

দিনৰ দিনটো লোকৰ ঘৰত পৰিশ্ৰম কৰিও পঢ়াৰ ধাউতি মোৰ কমা নাছিল; বৰং বেছিহে হ'ল। এই ঘৰত এখন যুক্তৰাজ্যৰ ইতিহাস পালোঁ। ৰাতি ৰাতি মই সেইখন পঢ়ি পেলালোঁ। ৰাতি ১২টালৈ মই কিতাপ পঢ়োঁ। খুব পুৱাই উঠি মই নিজৰ কামত লাগোঁ। এসময়ত ৰাতি মোক ঘৰাকীয়ে কিতাপ পঢ়াৰ বাবে মাৰিলে। কিন্তু মই বিৰক্ত নহৈ একে ধৰণেই কিতাপ পঢ়ি থাকিলোঁ। মোৰ কামত গৃহিণী সন্তুষ্ট হৈছিল। এই ঘৰত মই গাহৰি মৰা বিদ্যা শিকিছিলোঁ। গিৰিহঁতে মোক এই কামত বৰ প্ৰশংসা কৰিছিল। এই কামত মই ইমান পটু হৈ উঠিলোঁ যে, পাৰাৰ সকলোৱে গাহৰি মাৰি মাংস কাটিবলৈ মোকহে নিমন্ত্ৰণ কৰিছিল। এই কামৰপৰা মোৰ ভবিষ্যত জীৱনৰ লাভ

হৈছিল। নমাহ কাম কৰি মই সেই ঘৰবপৰা ভালে ভালে ওলালোঁ।

ইতিমধ্যে বাইদেওৰ বিবাহ হয়। কিছু আমোদ-উৎসৱৰ মাজেদি বিয়া হৈ যায়।

মই পুনৰ ডেৰ মাইল আঁতৰত থকা এজন মুদিৰ দোকানত কাম কৰিব গলোঁ। দোকানত বহুত বস্তুই বিক্ৰী হৈছিল, দোকানৰ মহাজনে মই কাম লওঁতে সুধি লৈছিল, মই গাহৰি মাৰি ঠিক কৰিব জানো নে নাই। মই কলোঁ—মোৰ বেচ জনা আছে। দোকানৰ কামত মই লাগি গলোঁ। ইয়াত কাম হ'ল—গাহৰি মৰা, কটা, কৌটাত 'পেক' কৰা, গৰু-ছাগলী চৰাব নিয়া, দোকানৰ বস্তু ভালকৈ সজোৱা, ধান জোখা আৰু গুৰ জুখি বিক্ৰী কৰা। ইমান কাম কৰিবলৈ দিয়াৰ বাবে মই মহাজনক ধন্যবাদ দিলোঁ। মই মানুহ হবলৈ ইয়াতে শিকিলোঁ।

ইয়াতো কিছুমান ভাল ভাল কিতাপ পালোঁ। তাৰ ভিতৰত বেঞ্জামিন ফ্ৰাঙ্কলিনৰ জীৱনীখন উল্লেখযোগ্য। দোকানীজনে বাতৰি কাকত লৈছিল; মোৰ আজৰি সময়ত মই সেইখনৰ আটাইবোৰ পঢ়ি পেলাওঁ। এই মহাজনৰ নাম উড্।

উডৰ বাতৰি কাকত দুখন আছিল। এখন মদ নিবাৰণী সমিতিৰপৰা ওলোৱা 'টেম্পাৰেন্স্'। এইখন কাকত মই বৰ ভাল পাইছিলোঁ। মই উড্‌ক কলোঁ—"চাহাব! মই এই কাকতখন বৰ ভাল পাওঁ। ইয়াত লিখা কথাবোৰ

সঁচা!” মই মদৰ বিৰুদ্ধে ইমান থিয় হৈছিলোঁ যে, মদৰ বিৰুদ্ধে এটা প্ৰবন্ধ লিখি পেলালোঁ। মোৰ ৰচনাত তেওঁ বৰ মুগ্ধ হৈছিল। এজন পাদ্ৰীক সেইটো পঢ়িব দিলোঁ। পাদ্ৰীয়ে সেইটো বৰ ভাল পাই সুৰাপান নিবাৰণী সমিতিৰ কাকতৰ সম্পাদকৰ হাতত দিলে। সম্পাদকে প্ৰবন্ধটো প্ৰকাশ কৰিলে। তেতিয়া মোৰ বয়স সোতৰ বছৰ মাত্ৰ। মোৰ প্ৰবন্ধটো ছপা হোৱা শুনি উড্ চাহাবৰ পৰা কাকতখন নি বহুতে পঢ়িব ধৰিলে। আটাইতকৈ সুখী হৈছিল আয়ে। প্ৰবন্ধৰ মৰ্ম বুজি সেই মতে মদ এৰিবলৈ যে গাওঁৰ মানুহে কাকতখন টনা-আজোৰা কৰিছিল তেনে নহয়, সিহঁতে আগ্ৰহ দেখুৱাইছিল সিহঁতৰ ওচৰৰে ডেকা ল'ৰা এজনে লেখা বুলিহে।

উড্ চাহাবে মোৰ কিবা পৰিচয় পাই ৰাজনীতি সম্বন্ধে তেওঁ তেওঁৰ চাকৰৰ লগত আলোচনা কৰিব ধৰিলে। মোক ইয়াত সুযোগ দিয়াৰ বাবে মই বৰ ভাল পালোঁ। গৰাকীৰ পক্ষে ই বৰ উদাৰতা। তেওঁ ‘ডেমক্ৰেট্’ দলৰ লোক এজন। মইও এজন ডেমক্ৰেট হৈ পৰিলোঁ। দু বছৰৰ পিছত হেন্ৰী ক্লে'ৰ জীৱনী পঢ়োঁতে মোৰ মত পৰিবৰ্ত্তন কৰিলোঁ। এইয়ে মোৰ জীৱনৰ ৰাজনৈতিক শিক্ষাৰ আৰম্ভ। মোৰ ৰাজনীতিৰ জ্ঞানৰ সন্ধান পাই উড্ চাহাবে মোক ৰাজনীতি সম্বন্ধে এটা প্ৰবন্ধ লিখিব কলে। কিছুদিনৰ পিছত এটা প্ৰবন্ধ তেওঁৰ হাতত দিলোঁ—প্ৰবন্ধৰ বিষয় আছিল যুক্তৰাজ্যৰ শাসনতন্ত্ৰ। এই প্ৰবন্ধটিও ছপালে তেৱেঁই। তেওঁ বৰ

সন্তুষ্ট হ'ল। মোৰো ভাল লাগিল। পিতা-মাতাই মোৰ নতুন ভাব দেখি আনন্দিত হ'ল। যুক্তৰাজ্যই নতুন নিয়মৰ সন্ধান পালে।

ইয়াৰ পিছত তৃতীয়া পিতাক ধনেৰে সহায় কৰিবলৈ মই কামত সোমালোঁ। জেন্টি নামে জমিদাৰৰ তলত মাহে ২৫ টকা বেতনত চাকৰি কৰিলোঁ। কিছুদিনৰ পিছত তেওঁ মোক সুধি চালে মই ভালকৈ নাও বাব পাৰোঁ নেকি। পাৰোঁ বুলি কোৱাত তেওঁ কলে, যে মিচিচিপি নৈয়েদি নিউ অৰ্লেন্সলৈ বেপাৰী নাও লৈ যাব লাগে। সেই ঠাইৰ পৰা নিউ অৰ্লেন্সলৈ ১৮০০ মাইল দূৰ। পিতাৰ অমতত যাব নোৱাৰিম বুলি কলোঁ। নিউ অৰ্লেন্স চাবৰ হলে ইচ্ছা আছে বুলিও জনালোঁ। তেওঁ কলে, "তাৰ পৰা ফিৰি আহোঁতে জাহাজৰ ভাৰাখিনি দিম। মোৰ ল'ৰাজনো তোমাৰ লগত যাব। তোমাৰ পিতাৰ অনুমতি মই আনিম। তুমি সাজু হোৱা।"

## কৰ্মময় জীৱন—আদালতৰ শিক্ষা—নিগ্ৰো স্বাধীনতাৰ সংকল্প

নিউ অৰলেন্সৰপৰা ঘূৰি আহি মোৰ নতুন কাম নথকাত, কাঠ কাটি তক্তা ফালি এটি নতুন ঘৰ সাজিব ধৰিলোঁ। এনে সময়তে মই এজন বন্ধুৰ লগত চিনা-জনা হওঁতে তেওঁৰ ঠাইত এখন 'ইণ্ডিয়ানাৰ আইনৰ ব্যৱস্থা' নামৰ

কিতাপ পালোঁ। কিতাপখন আনি দিনে-ৰাতি পঢ়িব ধৰিলোঁ। পঢ়োঁ মানে সোৱাদ পাওঁ। সাধাৰণৰ বাবে কিতাপখন বৰ নীৰস; মোৰ পক্ষে সি বৰ ৰসাল হৈ উঠিল, কিয়নো যি আইনৰ বলেৰে দোষীক শাস্তি দিয়া হয়, সিবোৰ আইননো কেনে তাক জানিবৰ বৰ আগ্ৰহ হ'ল। কিছুমান আইন মুখস্থ হৈয়েই গ'ল। কিতাপ পঢ়া শেষ হ'ল। এতিয়া আইন মতে কেনেকৈ আদালতত বিচাৰ হয় তাক নিজ চকুৰে চাবৰ মন গ'ল। আদালত আছিল বুন্‌ভিল নামৰ ঠাইত; তালৈ পোন্ধৰ মাইল দূৰ।

লগত যাবলৈ কোনো বন্ধু নাপাই মই বুন্‌ভিল মুখে অকলে গলোঁ। মই আদালতত সোমাই এজন উকীলৰ বক্তৃতা শুনিলোঁ। এটা হত্যাৰ মোকৰ্দমাৰ আচামীৰ পক্ষে উকীল জনে বক্তৃতা দি আছে। তেওঁৰ নাম জন ব্ৰেকিন। তেওঁৰ বক্তৃতাত মই মোহিত হলোঁ। মই মনে মনে ভাবিলোঁ এওঁৰ নিচিনা যদি মই বক্তা হলোঁহেঁতেন, তেনেহলে কিমান গৌৰৱৰ হলহেঁতেন! বক্তৃতাৰ শেষত আদালতৰ বাহিৰত সেই বক্তা উকীলক মই লগ ধৰি কলোঁ—"মহাশয়! মই জীৱনত এনে বক্তৃতা কোনো দিনে শুনা নাই।"

জন ব্ৰেকিন ব্ৰীজ এজন বৰ জনা-শুনা উকীল। তেওঁৰ আগত মুখামুখিকৈ তেওঁক মোৰ নিচিনা কম বয়সৰ আৰু লেতেৰা সাজপাৰ পিন্ধা আইন নুবুজা ডেকাই প্ৰশংসা কৰা মোৰ পক্ষে বৰ ধৃষ্টতাই হৈছিল। তেওঁও

তাকেই বুজি বোধহয় প্ৰশংসাৰ প্ৰতি কাণ নিদিয়াকৈ গুচি গ'ল।

তেওঁৰ এই ব্যৱহাৰত মই বৰ অসন্তুষ্ট হ'লোঁ। মই বুজিলোঁ—মই দুখী, মোৰ সাজ-পাৰ কুৎসিৎ। মই কম বয়সীয়া বেয়া মানুহ হলেও গুণীৰ গুণ লবৰ ক্ষমতা নাই জানো! দুখীয়াৰ জানো অন্তৰ নাই! সংসাৰখন ধনীৰ হে নেকি? মানুহৰ ভাগ্য পৰিবৰ্ত্তন নহয় নেকি? দুখীয়া-নিছলাই ধনী-মানী নহয় নেকি? ব্ৰেকিন ব্ৰীজৰ দৰে দাম্ভিক মানুহৰ পতন নহয় নেকি? মই ঠিক কৰিলোঁ—দিন সকলোৰে সমান নাযায়।

বহু বছৰৰ পিছত মই যুক্তৰাজ্যৰ সভাপতি হওঁতে ব্ৰেকিন ব্ৰীজ চাহাব দাস প্ৰথা ৰখাৰ পক্ষে দেশৰ বিদ্ৰোহী হোৱাত বন্দী হৈ আছে। সভাপতি হিচাবে মই পালোঁ—পূৰ্বৰ দাম্ভিক উকীল জন। উকীলে মোক চিনা নাছিল। মই পূৰ্বৰ ঘটনা মনত পেলাই দিলোঁ। ব্ৰেকিন ব্ৰীজৰ বৰ অনুতাপ আহিল। তেওঁক ক্ষমা কৰিলোঁ আৰু জীৱন ৰক্ষাৰ ব্যৱস্থা কৰি দিলোঁ।

ব্ৰেকিন ব্ৰীজ আৰু আন আন উকীলৰ বক্তৃতা শুনি মোৰ প্ৰবল ইচ্ছা হ'ল—মই যেন বক্তা হওঁ। চহৰৰপৰা ফিৰি আহি মই মোৰ গাৱঁতে বক্তৃতা দিয়া সভা বা ক্লাব আৰম্ভ কৰিলোঁ। বন্ধুবৰ্গৰ লগত নানা বিষয়ত বক্তৃতা দিব ধৰিলোঁ। অতি সোনকালেই মই এজন ভাল বক্তা হৈ পৰিলোঁ। দেশৰ আইন মতে মই একুইছ বছৰ বয়সত চাবালক হলোঁ।

এদিন আলোচনা সভাত এটা প্ৰশ্ন উঠিল,—‘কাৰ দাবি বলবৎ হোৱা বিধেয়—ক’লা বৰ্ণৰ নিগ্ৰোৰ, নে, ৰঙা বৰ্ণৰ ইণ্ডিয়ানৰ ?’ মই যি কাৰণেই নহওক নিগ্ৰোৰ পক্ষ সমৰ্থন কৰিলোঁ। সেই দিনৰ পৰাই মই নিগ্ৰো দাস জাতিৰ মুক্তিৰ বাবে প্ৰচাৰ কৰিব ধৰিলোঁ। মোৰ অন্তৰ-আত্মাই মোক যেন কৈ উঠিল—‘এব্ৰ, তোমাৰ কৰ্মক্ষেত্ৰ চিনিছা। মানুহৰ স্বাধীনতাই, লাঞ্ছিতৰ মুক্তিয়েই তোমাৰ কৰ্ত্তব্য।’

চাবালক বয়স পাবৰ সময়ত পিতাই এদিন মোক কলে, “এব্ৰ, এতিয়াৰপৰা তুমি নিজৰ কামৰ নিজেই গৰাকী হলা।” মই উত্তৰ দিলোঁ—“তাতে কি হ’ল ?” পিতাই কলে, “কিয় ? তুমি ইচ্ছা কৰিলেই য’লৈ তলৈ যাব পাৰা। তোমাৰ বিনা সহায়ত আমি কেনেকৈ চলিম তাকে ভাবিছোঁ।” মই চকুলো টুকি কলোঁ, “আৰু আপোনালোক নহলে মই কি কাম কৰিব পাৰোঁ ?” মোৰ কথাত পিতাই বৰ ৰং পালে।

পিতাৰ পৰিয়াল পুনৰ ইলিনয় নামৰ ঠাইলৈ যাব লগা হ’ল। এই ঠাই ইণ্ডিয়ানাৰপৰা দুশ মাইল আঁতৰত। তাতে গৈ ঘৰ-দুৱাৰ সাজি তাৰ বাসিন্দা হব লাগিব। বৰ বিপদেৰে পূৰ্ণ বাট অতিক্ৰম কৰি গৈ তাত উপস্থিত হলোঁ। মই পিতা-মাতা থকাৰ বাবে এটা বৰ ধুনীয়া কুটীৰ সাজিলোঁ। ঘৰ সজা ঠাই এটা নদীৰ পাৰত। পাছ ফালে কাঠনি হাবি, আগফালে খোলা ; কিন্তু ওখ বনেৰে বহু ঠাই আগুৰা। এক

সপ্তাহৰ ভিতৰতেই ৬০ বিঘা মাটি হাল বাই খেতি আৰম্ভ কৰিলোঁ। চাৰি হদত বেৰ দিলোঁ।

হাবিৰ মাজত কাঠৰ পজাঘৰ এটা তৈয়াৰ কৰি ললোঁ। কাঠৰ ঘৰ হলেও বৰ ধুনীয়া কৰি ললোঁ। আইৰ সৌন্দৰ্য্যবোধ যথেষ্ট থকাৰ বাবে ঘৰৰ ভিতৰখন বৰ ধুনীয়া হৈ উঠিল। তেনে কুৰূপ ঘৰৰ ভিতৰখন ধুনীয়া কৰা সকলোৰে পক্ষে সহজ নহয়।

ইয়াত বাস কৰিবৰ ছমাহ মান পিছতেই আমাৰ বৰ সংক্ৰামক জ্বৰ হয়। পিতাই ৰোগৰ তাড়নাত ঘৰ সজা ঠাই বদলাবৰ ইচ্ছা কৰিছিল ; মই হাক দিলোঁ। কাৰণ আমি দুখীয়া যি হেতু আমাৰ য'তে ত'তে ৰোগ কষ্ট আৰু মৰণ স্বাভাৱিক। পইচাৰ অভাৱত চিকিৎসা নহব। তাৰ উপৰিও তাত ডাক্তৰ কবিৰাজ পাবৰ নাই। আন ঠাইত অগত্যা পিতাই নি ঘৰ সাজিলে। ইয়াতে পিতা ১৮৫১ খৃষ্টাব্দত স্বৰ্গী হয়। মই বৰ বিপদত পৰিলোঁ। পৰিয়ালটো পোহপাল দিয়া সম্পূৰ্ণ ভাৰ এতিয়া মোৰ ওপৰতেই পৰিল। চাকৰি নকৰিলে নচলে ভাবি মই নাৱৰীয়া হলোঁ।

আফ্‌কোট্‌ মহাজনৰ তলত নাৱেৰে অৰলেন্সলৈ দ্বিতীয়-বাৰ যাবলগীয়া হ'লো। তাত মোৰ বৰ আনন্দ হ'ল। বৰ দূৰ হলেও এই কামত কোনেও হাত নিদিয়ে। মই, মোৰ ভাই জনচন আৰু এজন সৰু ল'ৰা মাত্ৰ নাৱৰীয়া। দৈনিক বেতন প্ৰতিজনৰ ১৷৵৹ কৈ ঠিক হ'ল। মাল উঠাই দিব্লে হিচাব কৰি বাকী ১৮৭৷৹ টকা দিব।

মালিকজনৰ বাবে মই নিজে ভাল বেপাৰী নাও এখন তৈয়াৰ কৰি পেলালোঁ। ভাল ছৈ দিলোঁ। দেখাত বৰ ধুনীয়া ঘৰৰ নিচিনা হৈ উঠিল। সকলো ঠিক্‌ঠাক্ হোৱাত নাও এৰি দিলোঁ। অলপ দূৰ যাওঁতেই বান্ধ এটাত উঠি নাৱৰ পাছফাল ডুব গ'ল। নাৱৰ মালিকো নাৱতে আছিল। সৰু নাও এখন আনি মালবোৰ আজৰাই তাতে ভৰালোঁ। এই বিপদত মোৰ বুদ্ধি আৰু তৎকালিক মনৰ পৰিচয় পাই তেওঁ মোক বৰকৈ প্ৰশংসা কৰিলে। নদীত বিপদত পৰিলে তাৰ পৰা উদ্ধাৰ হোৱা বুদ্ধি মোৰ অনেক আছিল। কাৰণ নদীত নাও চলাই চলায়েই ডাঙৰ হৈছোঁ। ৷

সুখ-দুখৰ মাজেদি নানা বন্দৰত নাও লগাই লগাই আমি নিউ অৰ্‌লেন্সত ওলালোঁ। বস্তু বিক্ৰী হৈ গ'ল। মোৰ হাত গু গাৰ শ্ৰমত মুনিবৰ লাভ হ'ল।

এই চহৰতে এদিন নাৱত বহি আছোঁ। দেখিলোঁ পাৰে পাৰে এদল ক'লা নিগ্ৰোক দুটা দুটাকৈ হাতে হাতে বান্ধি এক ইংৰাজে মূৰত চাবুক মাৰি নি আছে। এই দৃশ্য দেখি মোৰ প্ৰাণ কান্দি উঠিল। ভাবিলোঁ—সিহঁত মানুহ। ক'লা বৰণৰ হলেও বগাবোৰৰ দৰে সুখ-দুখ বুজিবৰ মন আছে। সিহঁত পশু নহয়। মানুহে মানুহৰ ওপৰত ইমান অত্যাচাৰ কৰিব পাৰে! মই কৈ উঠিলোঁ,—“যি জাতিয়ে এনে অত্যাচাৰ কৰে আৰু অত্যাচাৰ কৰিয়ে গৰ্ব্ব কৰে, সেই জাতিয়ে এদিন নহয় এদিন কৈফিয়ৎ দিব লাগিব।” ইতিমধ্যে নিগ্ৰো

জাতিৰ, বগা চামৰা সকলৰ, গোলামিৰ কথা সিহঁতৰ ওপৰত অত্যাচাৰৰ কথা বুজা হবৰ পৰাই শুনি আছোঁ। সিহঁতক মুক্তি দিব কোনে ভাবিলোঁ। ভাবিলোঁ আমেৰিকাত পৰাধীন মানব জাতিৰ মুক্তি আনি দিব লাগিব ময়েই।

নিউ অৰলেন্সত থাকোঁতে মোৰ মুনিবে কৈছিল যে, নিউ-চালেমত তেওঁ এখন দোকান দিব। মই তাত কাম কৰিব লাগিব। মই ৰাজি হলোঁ। নিউচালেম এখন সৰু নগৰ। মাত্ৰ কুৰি ঘৰমান মানুহৰ বসতি। মই নগৰৰ সকলোবোৰ মানুহৰ লগতে চিনা-জনা হলোঁ। দোকানৰ মাল আহি পালে। মালৰ বাক্সবোৰ খুলি নানা ৰকমৰ বস্তু নানা উপযুক্ত ঠাইত সজাই থলোঁ। মুঠতে মানুহৰ দৰ্কাৰী সকলো বস্তু আছিল। মদো আছিল। মদ নহলে দোকানেই নচলে। মই দোকানৰ গোমস্তা, কেৰাণী, তত্ত্বাৱধান কৰোঁতা আৰু বস্তু জোখোঁতা মোৰ লগত আৰু এজন মানুহ ৰাখিছিল।

গ্ৰাহকবোৰে যাতে ঠগ নাখায় তাৰ বাবে মই বিশেষ নজৰ দিছিলোঁ। উপযুক্ত মূল্য দিব আৰু বস্তু নিব; ইয়াৰ মাজত ঠগ-বাজি যে ক'ত হব পাৰে মই ভাবি নাপাওঁ। অথচ মই শুনি আছিলোঁ—বহু দোকানীয়ে গ্ৰাহকক ঠগায়, বিশেষতঃ হোজা, তিৰোতা আৰু নিগ্ৰোবোৰক। এটা ঘটনা উল্লেখযোগ্য। এদিন এজনী বুঢ়ীয়ে কিবাকিবি মাল লৈ গ'ল। তেওঁ, তেওঁৰ পইচা দিয়াৰ সময়ত ভুলতে ১॥০ টা বেছিকৈ দি গ'ল। গধূলি হিচাব মিল কৰাত সি ধৰা

পৰিল। মই তৎক্ষণাত দোকান বন্ধ কৰি তিৰোতাজনীৰ ঘৰলৈ গৈ পইচা দি আহিলোঁ। তুমাইল দূৰত থকা বুঢ়ীৰ ঘৰলৈ গৈ পইচা ফিৰাই দিয়াত তেওঁ ঘৰ ভাল পালে। মোৰো অন্তৰত সন্তুষ্টিৰ ভাব আহিল। এই ঘটনাৰপৰা নিউচালেমৰ দোকানী হিচাবে মোৰ বৰ নাম হ'ল।

এই দোকানত বহু মানুহৰ লগত মিলা-জুলা কৰিব লগা হয়। জীৱনৰ সুখ-দুখৰ নানা ঘটনা,—বিশেষতঃ মিচিচিপিৰে নিউ অৰলেন্সলৈ তুবাৰো নাৱেৰে যোৱাৰ অভিজ্ঞতা বন্ধুবৰ্গৰ আগত মই কৈ থাকিব লগা হৈছিলোঁ। ভালকৈ কথা কোৱাৰ অভ্যাস মোৰ ইয়াতেই হয়। ৰাজনীতি, নিগ্ৰোৰ অত্যাচাৰ, ফ্ৰেঙ্কলিন আৰু হেন্ৰী ক্লেৰ জীৱনী—-এই সকলো বিষয়েও মই নিতৌ বুজা মানুহৰ লগত আলোচনা কৰিলোঁ।

ইয়াতেই মই ইংৰাজী ব্যাকৰণ এখন পঢ়িব ধৰিলোঁ। দিনত সময় নাই—গতিকে ৰাতি ৰাতি মই সেইখন পঢ়োঁ। দোকানত দিনত যেতিয়া মানুহ নাথাকে সেই আজৰি সময়তো পঢ়োঁ। ব্যাকৰণৰ বহু কথা আয়ত্ত্ব কৰিলোঁ। ব্যাকৰণ পঢ়া শেষ হলত মই আলোচনা সভাত যোগ দিলোঁ। ইয়াৰ বাবে আমাৰ বিশেষ ঠাই নাছিল। কোনো ৰাতি সাত মাইল দূৰলৈ গৈও তৰ্ক-সভাত যোগ দিছিলোঁ। সভাবোৰৰ সভ্য বা বন্ধুবোৰ অশিক্ষিত ; সিহঁতৰ আলাপ বৰ ঘৃণনীয়। কিন্তু মই কাকো ঘৃণা কৰা নাছিলোঁ। মই লাহে লাহে তেওঁলোকৰ মনৰ গতি বদলাই দিওঁ। মদৰ বিৰুদ্ধে নানা উদাহৰণ দি

বক্তৃতা দিওঁ। নিগ্ৰোবোৰৰ প্ৰতি অত্যাচাৰৰ কথা কওঁ। সভালৈ নগলে মই ৰাজনীতিমূলক বাতৰি কাকত পঢ়ি কটাওঁ। ‘লুইচ ভিলা’ৰ আলোচনী খন আছিল মোৰ বৰ আপোন; কাৰণ তাত ৰাজনীতিৰ কথা বহুত লিখা আছিল। অন্যান্য বহু কিতাপো মই পঢ়ি পেলালোঁ।

মুনিবৰ দোকানত বহু বিধৰ লাভ হ’ল। মোৰ নিচিনা ন্যায়বান গোমস্তা বা ভৃত্য পাই তেওঁ নিশ্চিন্ত হৈছিল। দোকানৰ জয়-জয় ময়-ময় অৱস্থা হৈছিল মোৰ যত্নত। মই তাৰপৰা আহিব লগা হলোঁ ইলিয়ন প্ৰদেশৰ গবৰ্ণৰৰ আদেশত। মালিকে মই যোৱাৰ কথা শুনি বৰ দুখ কৰিলে। মই নহলে তেওঁ দোকান বন্ধ কৰিবই। তেওঁৰ সৌভাগ্য একেবাৰে বন্ধ হৈ গ’ল। আহিবৰ দিনা মই চকুলো টুকি আহিলোঁ। মুনিব আকেট চাহাবে মোৰ গলত ধৰি কান্দি পেলালে।

## প্ৰথম সদস্য নিৰ্ব্বাচিত—জৰিপ আৰু পোষ্ট অফিচৰ চাকৰি

সেই সময়ত এদল আমেৰিকান গুণ্ডাৰ দলৰ বিৰুদ্ধে যুক্তৰাজ্যৰ সভাপতিয়ে যুদ্ধ ঘোষণা কৰিলে। সিহঁতক দমন নকৰিলে দেশত অত্যাচাৰৰ অন্ত নহয়। ইলিয়ন প্ৰদেশৰ গৱৰ্ণৰে মোক মাতি নি যুদ্ধৰ ভলন্টিয়াৰ বা সৈন্যদল এটা গঠন কৰিবলৈ কলে। মই ভৰ্ত্তি হোৱাৰ লগে লগে বহু

লোক ভৰ্ত্তি হ'ল। যুদ্ধৰ বাবে বহু বুঢ়াও সৈন্য-শ্ৰেণীত সোমাল। দল হ'ল হয়, কিন্তু তেতিয়াও নেতা নিয়োগ হোৱা নাই। নিউচালেমৰ বহুতে মোক দলনায়ক পতাৰ পক্ষপাতী। কিছুমান লোকে আন এজনক পতাৰ পক্ষপাতী। ভোটত নিৰ্ব্বাচন হ'ল। মইয়ে দলপতি নিৰ্ব্বাচিত হলোঁ।

দলপতি নিৰ্ব্বাচিত হোৱাত স্বেচ্ছাসেৱক সমূহৰ মাজৰ পৰা জয়ধ্বনি আৰু মোৰ প্ৰশংসাৰ চিৎকাৰৰ কোঢ়াল উঠিল। এজন মানুহে চিৎকাৰ থমালে। মই তেওঁলোকক লক্ষ্য কৰি কলোঁ,—"মোক আপোনালোকে যি সন্মান দেখুৱাইছে তাৰ বাবে মই কৃতজ্ঞ। আপোনালোকে বিশ্বাস কৰি মোক এই পদত নিয়োগ কৰিলে। এই বিশ্বাস যেন চিৰদিন অচল থাকে, এই আশা।" এজন বন্ধুই কলে, "লিঙ্কন ইয়াৰ আগেয়ে আমাৰ বন্ধু আছিল, আজি কিন্তু তেখেত আমাৰ নেতা, আমাৰ ভাগ্য-নিয়ন্তা।"

তিনি মাহ মানৰ পিছতহে যুদ্ধ আৰম্ভ হয়। যুদ্ধত বিপক্ষ দল হাৰে আৰু মূৰ দাঙিব নোৱাৰা হয়। এই যুদ্ধ সৰু হলেও মোৰ সাহ, বীৰত্ব আৰু ৰণ-কৌশল বেচ ফুটি ওলাইছিল বুলি গৱৰ্ণৰে প্ৰশংসা কৰিছিল।

যুদ্ধৰ পৰা ফিৰি আহি মই নিউচালেমলৈ আহিলোঁ। তাত এজন বন্ধুৰ ঘৰত ৰলোঁ। নগৰৰ মানুহবোৰে মোক বৰ আদৰ সন্মান কৰিলে। বন্ধুৰ পৰিয়ালে মোক পুহিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু মই নিজৰ বিনা কামে আনৰ ঘৰত

থকা মুঠেই ভাল পোৱা নাছিলোঁ। গতিকে মই কি ব্যৱসায় লওঁ তাৰেই চিন্তাত আছোঁ। যি ব্যৱসায়ৰ দ্বাৰা সমাজৰ হিত কৰা হয় তাকে লবলৈহে মোৰ বৰ ইচ্ছা আছিল। মই কমাৰৰ বৃত্তি লওঁ বুলি ভাবিছিলোঁ। কিন্তু বন্ধুবোৰে ইতিকিং কৰি দিলে। তাত মোৰ লাজ নাই। বহুতে লাজ দিলে এই বুলি যে, মই দলপতি আছিলোঁ, ইয়াৰ পিছতেই কমাৰৰ কাম বৰ নীচ হব। মই এই যুক্তি হাঁহি উৰাই দিলোঁ। মই কলোঁ—"তোমালোকে পদৰ গৌৰৱ বৰ ভাল পোৱা। কামতহে আচল মানুহ হয়; পদত নহয়। মানুহে মনত ডাঙৰ নহলে পদত ডাঙৰ হব নোৱাৰে।" তেওঁ কলে, "তুমি যুক্তৰাজ্যৰ সদস্য হবৰ যোগ্য। তোমাক ভোট দি পঠাম। তুমি নাজানা, এই অঞ্চলৰ বহু গণ্য-মান্য লোকে তোমাক সম্মত কৰিবলৈ দুই এদিনতে আহিব। ভোট ঠিক হৈয়েই আছে। তুমি উঠিলেই হ'ল।" মই ঠাট্টা কৰি উৰাই দিলোঁ।

ইতিমধ্যে নিউচালেমৰ কেইজনমান মুখ্য লোক আহি মোক যুক্তৰাজ্যৰ ব্যৱস্থাপক সভাৰ সদস্য হবলৈ অনুৰোধ কৰিলে। মই হাঁহিয়াতৰ পাত্ৰ হম বুলি কলোঁ। তেওঁলোকে ভোটত জিকাই দিম বুলি কোৱাত মই সম্মত হলোঁ।

যি সকল লোক মোৰ প্ৰতিদ্বন্দ্বী আছিল, তেওঁলোকৰ প্ৰত্যেক জনেই বৰ লোক। কোনোবা জন পূৰ্ব্বৰ সভ্য, কোনোবা জন উকীল, কোনোবা জন বৰ ধনী। এনে মানুহৰ

লগত মোৰ প্ৰতিদ্বন্দ্বিতা হাঁহি উঠা কথাই! তদুপৰি মই নিউচালেমত অপৰিচিত লোক। জন্মভূমি কেণ্টাকী, বৰ্ত্তমানৰ ঘৰ ইলিয়নত, ডাঙৰ হৈছোঁ ইণ্ডিয়ানাত। তথাপি মানুহৰ ইচ্ছাত মোৰ বাধা দিবৰ সাহ নহল। মোৰ পক্ষ গ্ৰহণ কৰোঁতা সকলে মোৰ জয়ৰ বাবে দেহে-কেহে যত্ন কৰিব ধৰিলে। ভোট হ'ল! ফল বাহিৰ হ'ল। কিন্তু কি আচৰিত— নিউচালেমৰ ভোট ২৮৪ টাৰ ভিতৰত মই অকলে ২৭৭ টা পালোঁ আৰু মুঠতে মই প্ৰথম হলোঁ। মই যুক্তৰাজ্যৰ সদস্য নিৰ্বাচিত হলোঁ।

নিৰ্বাচন শেষ হলত মই উকীল হবলৈ মনস্থ কৰিলোঁ। কিন্তু আইন পঢ়ি আয়ত্ত কৰা কথা বৰ টান হ'ল। বন্ধুৰ খোচনিত পৰিও এই ব্যৱসায় লবৰ বাধ্য হলোঁ। তেওঁলোকৰ ধাৰণা মই পুথি পঢ়া কামত পাছ নপৰোঁ; সহজে হেনো আইন আয়ত্ব কৰিব পাৰিম। কাৰণ তেওঁলোকে জানিছিল মই বহু লোকৰ জীৱনী, বহু দেশৰ ইতিহাস পঢ়ি শেষ কৰিছোঁ; বহু কবিৰ কবিতা আৰু বাৰ্ণাচ আৰু চেক্সপীয়াৰৰ বহু অংশ মুখস্থ কৰি পেলাইছোঁ। অৱশ্যে মই এটা নতুন কামো কৰিছিলোঁ। যিবোৰ কিতাপ পঢ়িছিলোঁ,—সিবোৰ সংক্ষিপ্তকৈ লিখি উলিয়াইছিলোঁ—যাতে মোৰ মুখস্থ থাকে।

ইতিমধ্যে মই এটা চাকৰি বিচাৰিয়ে আছিলোঁ। স্প্ৰিংফিল্ড নামে নগৰৰ জন কাহ্মুন নামে এজন ভদ্ৰলোকৰ অনুগ্ৰহত মই এটা মাটি জৰীপ কৰা কাম পালোঁ। তেওঁ

মোক জৰীপ বিদ্যাটো শিকিবলৈ কৈছিল। মই ডেৰ মাহতে দুখন কিতাপ পঢ়ি জৰীপ সম্বন্ধে মোটামুটি জ্ঞান লাভ কৰিলোঁ। এই আমিন তেতিয়া নিউচালেমলৈ জৰীপ কৰিবলৈ আহিছিল। জৰীপ বিজ্ঞানৰ জটিল কথাবোৰ তেওঁৰ পৰাই শিকি ললোঁ।

জৰীপৰ কাম ভালকৈ জনা হলোঁ। পথাৰৰ মাটি জুখি জুখি ফুৰোঁতে মানুহে মোক ভাল পোৱা হ'ল। মাটিৰ সীমা লৈ হোৱা কাজিয়াবোৰ মই যিমতেই নিষ্পত্তি কৰি দিওঁ সেই মতেই মানুহে মান্তি হৈছিল। বিনা বেতনে মই বহুতৰ মাটি জুখিও দিছিলোঁ। বিনা পয়চাই খটাত বৰ আনন্দ লাগিছিল।

১৮৩০ চনত মই নিউচালেমৰ পোষ্টমাষ্টৰ হৈছিলোঁ। পোষ্ট অফিচটো এটা ভাৰা ঘৰত আছিল। এই কাম কৰি থাকোঁতে জৰীপ কৰিবলৈও যাওঁ। ডাকঘৰতে পঢ়িব নোৱাৰা লোকৰ চিঠি মই পঢ়ি দিওঁ। যিমানবোৰ বাতৰি কাকত ডাকঘৰলৈ আহে সকলোকে মই পঢ়ি শেষ কৰোঁ। ডাকঘৰত উপস্থিত হোৱা লোকসকলৰ আগত মই ডাঙৰ ডাঙৰকৈ বাতৰি কাকতত লিখা ভাল ভাল খবৰবোৰ পঢ়ি শুনাওঁ।

ডাকঘৰৰ কাম বৰ বেছি নাছিল। চিঠি-পত্ৰ খুব কম আহে আৰু কম যায়। পৰাপক্ষত চিঠি মই নিজে বিলি কৰিছিলোঁ যাতে চিঠিৰ গৰাকীয়ে চিঠি পায়। ডাকঘৰত চিঠি জমা কৰি থোৱা অভ্যাস মোৰ নাছিল।

এই চহৰত কিছুদিন আছোঁ। ইয়াত এটা ইংৰাজৰ ল'ৰাৰ গুণ্ডাৰ দল আছিল। দলটোক বুলিছিল 'ক্লাৰীবনৰ ল'ৰাৰ দল'। ইহঁতে মদ খায় আৰু মানুহৰ ওপৰত অত্যাচাৰ কৰে। মই মদ নাখাওঁ বুলিয়েই সেই দলটোক মই চকুৰ নীলাই দেখিব নোৱাৰিছিলোঁ। সিহঁত মোৰ শত্ৰু যেন হ'ল। মই সিহঁতক কোনো দিনে প্ৰশ্ৰয় দিয়া নাই। কিন্তু এদিন সেই দলটোৰ লগত মোৰ কাজিয়াৰ ফলত চৰ্দাৰৰ লগত বাহু-যুদ্ধ হয়। এই যুদ্ধত দলপতি হাৰিল। সি ঘোষণা কৰিলে যে, মোৰ সমান বলী মানুহ নাই। সকলোৱে তাকে মানি ললে। সিহঁতৰ চৰিত্ৰ-দোষ কিছু কমালোঁ।

ইয়াত থাকোঁতে আৰু এটা ঘটনা ঘটে। 'কৃষ্ণশেন' নামে আমেৰিকাৰ দলপতি এজনৰ অত্যাচাৰৰ বিৰুদ্ধে যুক্তৰাজ্যৰ সভাপতিয়ে যুদ্ধ ঘোষণা কৰিলে। ইলিয়ন প্ৰদেশৰ শাসনকৰ্ত্তাই ইলিয়নবাসীক যুদ্ধৰ স্বেচ্ছাসেৱক হবলৈ আদেশ দিলে। ময়ো সোমালোঁ। যুদ্ধত মোৰ সাহ, বল আৰু বীৰত্ব প্ৰচাৰ হ'ল।

১৮৩৪ খৃষ্টাব্দত মই প্ৰথমে যুক্তৰাজ্যৰ পৰিষদৰ সভ্য নিৰ্বাচিত হওঁ। সেই সময়ত যুক্তৰাজ্যত হুইগ্ আৰু ডেমোক্ৰেট্ নামে দুটা ৰাজনৈতিক দল আছিল। মই হুইগ্ দলৰ পৰা প্ৰাৰ্থী হৈছিলোঁ। কিন্তু বহু ডেমোক্ৰেট্ দলৰ লোকেও মোক ভোট দিছিল।

আগতে উল্লেখ কৰা উকীল বন্ধুজনে মোক উকীল হবলৈ

ৰৰকৈ কৰ ধৰিলে। মোৰ উকীল হবলৈ বিদ্যা-বুদ্ধি নাই বুলি কোৱাত তেওঁ মোক কৈছিল যে তেওঁ ওকালতি শিকাৰ যিমান কিতাপ লাগে দিব। মই ওকালতি কৰিলেই তেওঁ বৰ সুখী হয়। তেওঁ ডেমোক্রেট্ দলৰ লোক, মোৰ বিৰুদ্ধ দলৰ। হুইগ্ দলৰ জন্ম দিওঁতা হেনৰী ক্লেৰ জীৱনীখন তেওঁ মোক দিলে আৰু তেওঁৰ মুখে মুখে তেওঁৰ জীৱনী সম্বন্ধে বহু কলে। তেওঁ বৰ উদাৰ। নহলে এজন বিৰুদ্ধ দলৰ লোকৰ জীৱনী সম্বন্ধে কিয় মোক শিকাব বা শুনাব? মই যি দলতে নাথাকোঁ কিয় সেই দলতে ৰাজনীতিত মই নাম কৰিম বুলি তেওঁৰ বৰ বিশ্বাস আছিল। মোক তেওঁ হেনৰী ক্লেৰ দৰে মানুহ হবলৈ বিচাৰিছিল। এনে উদাৰ প্ৰকৃতিৰ লোক বৰ বিৰল। মই তেওঁৰ উদ্‌গণিত আইন পঢ়িব ধৰিলোঁ।

মই আইন পঢ়া শুনি বহুলোকে বৰ ৰং পালে। আনকি বহু ডেমোক্রেট দলৰ লোকেও বৰ আনন্দ প্ৰকাশ কৰিলে। উকীলৰ ঘৰ ২০ মাইল দূৰত। তেওঁৰ ঘৰলৈ মই মাজে মাজে যাওঁ। তেওঁৰপৰা মোক লগা কিতাপবোৰ লৈ আহোঁ। মই ওকালতি বিদ্যা পঢ়োঁতে ২ বছৰমান গ'ল। লগে লগে মোৰ পৰিষদৰ সভ্য-পদৰ কালো উকিল গ'ল। ইয়াৰ কাল দুবছৰ মাত্ৰ। কাজে কাজেই দুবছৰ অন্তত পুনৰ নিৰ্বাচন হ'ল।

১৮৩৬ খৃষ্টাব্দত দ্বিতীয়বাৰ মোক নিৰ্বাচন কৰিলে। ইয়াৰ

পৰা মই বুজিলোঁ যে বহু বামুহে মোক ভাল পায় আৰু তেওঁলোকৰ মোৰ ওপৰত আস্থা আছে। প্ৰথম বাৰ সভ্য হৈ থাকোঁতে মই বৰ ভাল বক্তৃতা দিব পৰা নাছিলোঁ হয়, কিন্তু দেশৰ কল্যাণৰ বাবে কেবাটাও সজ প্ৰস্তাৱ তুলিছিলোঁ। এইবোৰ পৰিষদৰ বৰ টান সমস্যা হৈ উঠিল। বিশেষ একো কাম অৱশ্যে কৰিব নোৱাৰিলোঁ। এইবাৰ বক্তৃতা মই ভালকৈ দিব পাৰিছিলোঁ আৰু সকলোকে বুজাব পাৰিছিলোঁ। ১৮৪২ চনলৈ মই সভ্য-পদলৈ আছিলোঁ।

জৰ্জ ৱাশ্বিংটনৰ দিনৰ পৰাই যুক্তৰাজ্যৰ দক্ষিণ অঞ্চলৰ প্ৰদেশবোৰত কপাহ খেতি আৰু কপাহৰ ব্যৱসায়ত বিশেষ লাভ দেখা দিলে। মহাজন দালালবোৰে আফ্ৰিকাৰ পৰা নিগ্ৰো পৰিয়াল হাজাৰে হাজাৰে বোজাই দি আমেৰিকাৰ বজাৰত বিক্ৰী কৰিব ধৰিলে। কপাহ ব্যৱসায়ীবোৰে সিহঁতক বনুৱা হিচাবে কিনি নি কপাহ ব্যৱসায়ত ধন-দৌলত বাঢ়িব ধৰিলে। দক্ষিণৰ মহাজনবোৰে দাস প্ৰথা থাকিলেহে ধনী হব পাৰিব ভাবি দাস প্ৰথা চালু ৰখাৰ পক্ষপাতী হ'ল।

মহাজনবোৰে দাসবোৰক কিনি নি নিজৰ সম্পত্তি কৰি ৰাখে আৰু দৰকাৰ নহলে বা বেয়া কাম কৰিলে নানা কষ্ট দি বজাৰত বা কোনো মহাজনৰ ঠাইত ধন লৈ বিক্ৰী কৰি দিয়ে। দাসবোৰৰ পৰিয়ালৰ মতা বা মাইকী, ল'ৰা বা ছোৱালী যাক যেনে দাস লাগে তেনে হে কিনি লৈছিল। মাকৰ বুকুৰ পৰা ল'ৰা শিকলিৰে বান্ধি নিছিল। ঘৈণীয়েক

ল'ৰা-ছোৱালীৰ মাজৰপৰা হয়তো গিৰীয়েকক হে বান্ধি নিছিল। তাত বেয়া কাম কৰিলে আকৌ আন মহাজনৰ ঠাইত বিক্ৰী হৈছিল। কোনো দাস পলাই গলে তাক ধৰি আনিবৰ বাবে যে কিমান যত্ন কৰে তাক ঠাৱৰ কৰা টান; আৰু ধৰিব পাৰিলে যি শাস্তি দিয়ে তাৰ বৰ্ণনা নাই। এনে 'দুষ্ট' দাসক ভৰিত শিকলি লগাই অনাহাৰে ৰাখি কোবাই কোবাই হয়তো হত্যাই কৰিছিল।

দ্বিতীয়বাৰ সভ্য হৈয়েই মই দেশৰপৰা গোলামি প্ৰথা উঠাই দিবলৈ আন্দোলন আৰম্ভ কৰোঁ। আন্দোলন যাতে কৃতকাৰ্য্য হয় তাৰ বাবে মই প্ৰাণপণে যত্ন কৰিব ধৰোঁ। নানা পুস্তিকা, হেণ্ডবিল, বাতৰি কাকতত ইয়াৰ বিৰুদ্ধে প্ৰচাৰ কৰিব ধৰিলোঁ। নানা ঠাইত বক্তৃতা কৰিব ধৰিলোঁ। দাসত্বৰ বিৰুদ্ধে দেশত জাগৰণ তুলিলোঁ। গোলাম বেছিকৈ থকা প্ৰদেশবোৰে এই আন্দোলনত যোগ দিলে। কিন্তু উত্তৰ অঞ্চলৰ ৰাষ্ট্ৰবোৰে দাসত্ব প্ৰথা ৰখাৰ পক্ষপাতী। এই দুই অঞ্চলৰ গৱৰ্ণৰে এই প্ৰথা ভাল বুলি মন্তব্য প্ৰকাশ কৰে। মোৰ প্ৰদেশ ইলিয়নৰ বহুলোক এই আন্দোলনৰ বিৰোধী হ'ল। এজন পাদ্ৰীয়ে নিজৰ ছপাখানাত মোৰ আন্দোলনৰ বিৰুদ্ধে কাকত-পত্ৰ ছপাব ধৰিলে। আন্দোলনৰ পক্ষপাতী কোনোবাই তেওঁক হত্যা কৰি ছপাখানা পুৰি পেলায়।

ডেমোক্ৰেটৰ সংখ্যা অধিক। মই কম সংখ্যক হুইগৰ এজন। এই উদাৰ আন্দোলনৰ বিৰুদ্ধে ডেমোক্ৰেট সকল

একেলগে থিয় হ'ল। তেওঁলোকে এই আন্দোলন বন্ধ কৰিবলৈ আইন কৰিব ধৰিলে। সদস্য সংখ্যা সৰহ যিহেতু তেওঁলোকে যি ইচ্ছা তাকেই কৰিব পাৰে। হুইগবোৰে বিশেষতঃ আন্দোলনকাৰী সকলৰ ওপৰত নানা ভয় দেখুৱাব ধৰিলে। আমাৰ বিৰুদ্ধে বৰ টান আইন জাৰি কৰিব ধৰিলে। ভয় পাই বহু বিৰুদ্ধবাদীয়ে আন্দোলন এৰিলে। মই প্ৰায় অকলে থাকিলোঁ, মোক ঘূৰাব নোৱাৰিলে। মই অকলে হলেও প্ৰতিবাদ কৰিয়ে থাকিলোঁ। মই দঢ়াই দঢ়াই কলোঁ তেওঁলোকৰ এনে আইন কৰিবৰ ক্ষমতা নাই। মোৰ ওপৰতো কৰা হব ধৰিলে কিন্তু মোক একোৱে ভয় দেখুৱাব নোৱাৰিলে। মই নিজৰ উদ্দেশ্য—দাসত্ব প্ৰথা উঠোৱাত অচল অটল। মোৰ কিন্তু দল নাই যাৰ লগ লৈ মই প্ৰতিবাদো কৰিব পাৰোঁ। কেৱল অকলে সহ্য কৰি সময় সুযোগলৈয়ে বাট চাই ৰলোঁ। মই সদায় সত্য পথত। মোৰ সত্যক মই বিশ্বাস কৰোঁ। মানুহ মানুহৰ বাবে—এই নীতি সত্য বুলি কোন জ্ঞানীয়ে নকয়? সত্যক অসত্য বুলি প্ৰতিপন্ন কৰি, ন্যায়ক অন্যায় বুলি আঁতৰাই মানুহে ভয় দেখুৱাব পাৰে। কিন্তু যি নিৰ্ভীক, সাহসী, ধীৰ, তেওঁ মানুহৰ অত্যাচাৰক ভয় নকৰে। তেওঁৰ সত্য অন্বেষণ বৃথাই নাযায়। সেই কাহিনীও অমৰ আৰু মানব জাতিৰ স্বাধীনতাৰ বাবে। মই স্থিৰ কৰিছিলোঁ—মহাত্মা ছ'ক্ৰেটীছো এদিন সত্য পথত থাকি অসজ মানুহৰ হাতত প্ৰাণ দিব লগা হৈছিল। দেখাকৈ বা

গোপনীয় ভাবে যি অন্যায় কৰে তাৰ কল্যাণ নাই বৰং পতন হে আছে।

মোৰ দলৰ সকলোবোৰে ভয়তে এৰা দি দি গ'ল। কেৱল বন্ধু ডানষ্টান্ মোৰ লগত ৰ'ল। মোৰ বিপদ সমুদ্ৰত তেওঁ বন্ধু। প্ৰতিবাদ কৰিলেও আমি দুয়ো, নিৰ্য্যাতন খাব লগা হলেও আমি দুয়ো। আমি কৰোঁ কি? দেশৰ সকলো ঠাইতে সকলো সময়তেই কেৱল নিগ্ৰো জাতিৰ মুক্তিৰ আন্দোলনকে সজীব কৰিব ধৰিলোঁ। বহুত গাৱঁলীয়া লোক আহি আমাৰ দলত লগ হলহি। মানুহৰ মুক্তিৰ নিমিত্তে মানুহ নাহি গৰু আহিব নেকি? সত্যৰ জয়ৰ বাবে পশু লৰি আহিব নেকি? আমি দুয়ো সেনানায়কৰ অধীনত নিপীড়িত মানৱ-স্বাধীনতাৰ যুদ্ধ হব। যোগ হলে কি হব? আমাৰ সুযোগ সুবিধাই বা ক'ত? দেশৰ শাসক-মণ্ডলী ডেমোক্ৰেট—আমাৰ বিৰুদ্ধবাদী। আমাৰ কেৱল নিজকে নিজে ৰক্ষা কৰিব লগা হ'ল। মোৰ দলত কিন্তু এতিয়ালৈ ডেকাদল এটা পালোঁ। বুঢ়া, কপটী, কুচক্ৰী, কুটবুদ্ধিৰ লোক মোৰ দলত নাছিল, নালাগেও। লাগে মোক ডেকাদল যি ক্ষুদ্ৰ স্বাৰ্থ এৰি, বদমাচৰ দলৰ ভিৰ ভাঙ্গি নতুন সাঁচত সমাজ গঢ়িব পাৰে। ডেকাৰ বাহিৰে বুঢ়া, কুচক্ৰীয়ে কোনো দেশতে কোনো কালেও স্বাধীনতা আনি দিব পৰা নাই। কুটনীতিৰ ওপৰত কোনো মহৎ কাম এদিনেও সাধিত নহয়। আমি ডেমোক্ৰেট সকলৰ ভয় নকৰিলেও সকলো সময়তে

প্ৰকাশ্যে বিৰোধিতা কৰা নাছিলোঁ, সময়-সুযোগলৈ বাট চাই আছিলোঁ।

এই ভয়াবহ আন্দোলনৰ সময়ত মোৰ দলৰ মানুহে মোক নির্বাচিত কৰি দুবাৰ পঠালে—১৮৩৮ চনত তৃতীয় বাৰ আৰু ১৮৪০ চনত চতুর্থবাৰ। মোৰ জীৱনৰ যে কিবা বিপদ হব পাৰে তাৰ বাবে মোৰ ভয় নাছিল। মোৰ দলৰ লোকৰো ভয় কম আছিল—কাৰণ আমাৰ বিশ্বাস আছিল সত্যৰ সদায় জয়!

## ওকালতি

মই ১৮৩৭ খৃষ্টাব্দত আইন পাঠ কৰি ওকালতি আৰম্ভ কৰোঁ। প্ৰথমে মই মোৰ পূৰ্বৰ বন্ধু উকীলৰ তলত থাকি কাম শিকিব ধৰোঁ। মই ইয়াত থাকোঁতে বহু লোকক সহায় কৰিছিলোঁ। মই পইচা হলে কাৰো পৰা লোৱা নাছিলোঁ।

নিজাকৈ ওকালতি আৰম্ভ কৰোঁ ১৮৪২ খৃষ্টাব্দত। সেই বছৰতেই মই মোৰ ৩৩ বছৰ বয়সত লিঙ্কন উড নামৰ ব্যৱস্থাপক সভাৰ সভ্যৰ ছোৱালী এজনীক বিয়া কৰাওঁ। ঘৈণীৰ নাম মেৰী। পিছলৈ মোৰ বিবাহৰ ফল স্বৰূপে চাৰিটা ল'ৰা হয়। ডাঙৰ ল'ৰাটোৱে পিছত ৱাচিংটনত সেনাপতি নিযুক্ত হয়। ই বহুদিন পিছৰ কথা।

ওকালতি ব্যৱসায়ৰ কথা মই বহু আগৰপৰাই শুনি

আছোঁ। এই ব্যৱসায়ত বহু হীন বৃত্তি আছে। মই এই কৰ্মক্ষেত্ৰত নামিয়ে ইয়াৰ বদনামৰ কথা বুজিলোঁ। দুখীয়াক সহায় কৰা আৰু নিৰ্দোষীয়ে যাতে বিচাৰত দোষী প্ৰমাণিত হৈ শাস্তি নাপায় এয়ে ইয়াৰ মূল নীতি। কিন্তু মই দেখিলোঁ ইয়াৰ ওলোটা। টকা লৈ নাবালক, বিধবা, দুখীয়া, নিৰ্দোষীক দোষী কৰিবৰ যত্ন বহু উকীলেই কৰে। মোৰ এই প্ৰথা বৰ অসহ্য হ'ল। এদিন এজনৰ সম্পত্তি চক্ৰান্ত কৰি লব লাগে। বৰ্ণনা শুনি বৰ দুখ লাগিল, আৰু মোক্কেলক খেদি দিলোঁ। কলোঁ, বোলে মই এনে মিছা মোকৰ্দমা নলম। আন এটা মোকৰ্দমাৰ আসামীৰ পক্ষ লৈছিলোঁ। সি বদমাচ বুলি প্ৰমাণিত হ'ল আৰু প্ৰকৃততে তেনে আছিল। মই পিছতহে জানিলোঁ যে সি বদমাচ। তেতিয়া সেই মোকৰ্দমা এৰি দিলোঁ। অইন এটা মোকৰ্দমা লোৱাৰ আগতেই আচামী দোষী বুলি জানি সেই মোকৰ্দমা নললোঁৱেই। এইবোৰ দেখি শুনি মোৰ এই ব্যৱসায়ৰ অনীতিত ঘৃণা আহিল। উকীলবোৰে সাধাৰণতঃ দোষীক খালাচ দিয়াই বৰ গৌৰৱ কৰে আৰু নামজাদা উকীল হয়; টকাও বহু কৰে। কাৰণ তেনে ফৌজদাৰী উকীলৰ কাষলৈহে আচামীবোৰ যায়। তেওঁলোকে এইটো ভাবি নাচায় যে, তেওঁলোকে কিমান নিৰ্দোষী মানুহক দোষী প্ৰমাণ কৰি মহা পাপ আৰ্জিছে। নিৰ্দোষী লোকে যাতে শাস্তি নাপায় ইয়াৰ বাবে লক্ষ্য নাৰাখিলে আইনৰ বিচাৰ মিছা। যি উকীলে এই নীতি প্ৰশ্ৰয় দিয়ে

তেওঁলোক ঈশ্বৰৰ ওচৰত কিমান দোষী। এই দোষৰ প্ৰায়শ্চিত্ত নিশ্চয় আছে ?

সেই সময়ত আদালতবোৰ কোনো নিৰ্দিষ্ট এঠাইত নহৈছিল। হাকিম আৰু উকীল ঠায়ে ঠায়ে গৈ বিচাৰ কাৰ্য্য কৰিব লগা হৈছিল। ঘোঁৰাত উঠি হাবিৰ মাজে মাজে গাৱেঁ গাৱেঁ ফুৰিব লগা আছিল। ময়ো ঘোঁৰাত উঠি হাকিমৰ পাছে পাছে ফুৰিছিলোঁ।

মই প্ৰায়েই ফৌজদাৰী মোকৰ্দমা লৈছিলোঁ। নিৰ্দোষী আচামীৰ পক্ষ হৈ মোকৰ্দমা চলাইছিলোঁ। মোৰ জীৱনত কোনো নিৰ্দোষী আচামীয়ে দণ্ড পোৱা নাই। তেনে মোক্কেলক মই বিদায় দিছিলোঁ। দোষী আচামীক খালাচ দিয়াও উকীলৰ গৌৰৱ। মই তেনে মোকৰ্দমাও লৈছিলোঁ। নিউচালেমত ওকালতি কৰোঁতে মই এজন বন্ধুৰ ঘৰত আছোঁ। তেওঁৰ মৃত্যু হয়। পিছত তেওঁৰ বিধবা পত্নীয়ে মোলৈ চিঠি দিয়ে হেনো তেওঁৰ একমাত্ৰ ল'ৰাজন কুসঙ্গত পৰি আচামী হৈ গৈছে। সি দোষীয়ে আছিল; কিন্তু তাক বচাবৰ উপায় নাই। সাক্ষী আৰু নিজৰ জবানবন্দীৰ পৰা সি দোষীয়ে প্ৰমাণিত হয় এনে অৱস্থা। সকলো বন্ধু উকীলে বুজিছিল—সি দণ্ডিত হবই। কোনো উকীলে তাক বচাব নোৱাৰে। মই সাক্ষী এজনক জেৰা কৰি দোষ অপ্ৰমাণিত কৰি পেলালোঁ। গোটেই আদালত স্তম্ভিত হ'ল। এনে ধৰণৰ জেৰা যে হব পাৰে কাৰো মূৰত খেলোৱাই নাছিল।

হাকিমে দোষী প্ৰমাণ কৰিব নোৱাৰা হ'ল। আচামীয়ে খালাচ পালে।

মই কোনো এটা মোকৰ্দমাত ১২৫০ টকা পাইছিলোঁ। আৰু এজন উকীল বন্ধুৰ পৰা ২,০০ টকা ধাৰে লৈ সেই সমুদায় টকাৰে মাহী আইৰ বাবে এডোখৰ মাটি কিনি দিলোঁ। তেওঁ মোক যিমান শিকাইছিল, চৰিত্ৰগঠনত যিমান নজৰ দিছিল, মনুষ্যত্ব আৰ্জনত যিমান ব্যস্ত আছিল, তাৰ ঋণ শোধ এই মাটি দানেৰে কেতিয়াও হব নোৱাৰে। মোৰ এইটো কৰ্ত্তব্য বুলি ভাবিছিলোঁ।

ঘোঁৰাৰ পিঠিত উঠি ফুৰোঁতে মই সদায় নানা কিতাপ পঢ়ি যাওঁ। বাটে বাটে সাধাৰণ মানুহৰ আগত কিতাপৰ নানা কথা কওঁ। ভাল ভাল গ্ৰন্থকাৰৰ ভাল লিখাবোৰ দুই চাৰিটা মানুহৰ আগতেই আবৃত্তি কৰোঁ।

## গোলামীৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা

১৮৪৭ খৃষ্টাব্দত ইলিয়নৰ লোকে মোক ভোট দি যুক্তৰাজ্যৰ প্ৰতিনিধি সভাৰ সভ্য নিৰ্বাচন কৰি পঠালে। ইলিয়নৰ মানুহৰ মোৰ প্ৰতি কিমান আস্থা, কিমান বিশ্বাস! মই হুইগ দলৰ পৰা নিৰ্বাচিত হলোঁ। ডেমোক্ৰেট দলৰপৰা নিৰ্বাচিত হ'ল ষ্টীফেন ডগলাচ নামৰ নেতা এজন। তেওঁ দাসত্ব প্ৰথা ৰখাৰ পক্ষপাতী। ডগলাচ এজন ক্ষমতাশালী নামজ্বলা লোক।

এই সময়ত যুক্তৰাজ্যত দাসত্ব প্ৰথা লৈ তুমুল আন্দোলন

চলিছিল। দাসত্ব প্ৰথাৰ সমৰ্থক ইংৰাজ জমীদাৰ আৰু ধনী-সকলে নিজৰ নিজৰ স্বাৰ্থৰক্ষা কৰিবলৈ দেহে কেহে লাগি গ'ল। মেক্সিকো যুক্তৰাজ্যৰ বাহিৰত থকা স্বাধীন দেশ। এই দেশত গোলামী প্ৰথা চলি আছিল। যুক্তৰাজ্যত গোলামী প্ৰথা বলৱতী কৰিবলৈ ডেমোক্ৰেটসকলে যুক্তৰাজ্যৰ সভাপতিৰ হতুৱাই এই দেশ জয় কৰাই লয়। ইয়াত গোলামী প্ৰথাৰ প্ৰধান আড্ডা এটা কৰিব। ইতিমধ্যে দক্ষিণ অঞ্চলৰ গোলাম মুনিববোৰে টেক্সাচ নিজৰ এলাকালৈ আনে। এইবোৰ মই সহ্য কৰিব নোৱাৰা হলোঁ। মই অকলে গোলামী প্ৰথাৰ বিৰুদ্ধে যুদ্ধত আগবাঢ়িলোঁ। দেশক ইয়াৰ বিৰুদ্ধে জাগৰিত কৰি তুলিলোঁ। ওহিও প্ৰদেশত মাত্ৰ কেইজনমান মোৰ সহায়-কাৰী পালোঁ। তেতিয়া মোৰ বল আহিল। জৰ্জ ওৱাচিংটনে দেশ স্বাধীন কৰা মিছা। প্ৰকৃত স্বাধীনতা—মানুহৰ স্বাধীনতা তেতিয়াও বহু দূৰত। লাখ লাখ কলা নৰ-নাৰী গাহৰিৰ নিচিনা পৰাধীন। স্বাধীনতাৰ সুখ বগা চামবাৰ ইংৰাজ বোৰৰহে নেকি? নিগ্ৰোবোৰ জানো মানুহৰ মন-প্ৰাণ-যুক্ত মানুহ নহয়? এনেকুৱা ভাবে মোৰ যুদ্ধৰ জয়-ডঙ্কা। মই ধীৰে স্থিৰে উত্তেজিত হব ধৰিলোঁ। বুজিলোঁ ইমান দিনৰ কাল-গণনা এনেয়ে খেদাব নালাগে। সময় গৈ আছে। যুদ্ধই ক্ষণ-সুযোগ নিজে গঢ়ি লব লাগিব।

দাস-প্ৰথা উঠাই দিয়াৰ আন্দোলনত দেশত দুটা সমস্যাই দেখা দিলে। প্ৰথমতঃ আইনেৰে ৰাষ্ট্ৰ পৰিষদে সেই

কু-প্ৰথা উঠাই দিলে বা দিব খুজিলেও দক্ষিণৰ ৰাজ্যবোৰে যুক্তৰাজ্যৰ যৌথ ৰাষ্ট্ৰৰ পৰা পৃথক হৈ থাকিব বুলি এটা মত বলবান হ'ল। কিন্তু মোৰ ইচ্ছা ৱাচিংটনে স্বাধীন কৰা যুক্তৰাজ্য অখণ্ড দেশ হৈ থাকিব। দ্বিতীয় সমস্যা, যুদ্ধ নহলে দাস-প্ৰথা ৰহিত নহব। গৃহ-যুদ্ধই দেশ দুৰ্ব্বল কৰিলেও ন্যায়ৰ পক্ষপাতী হলে যুদ্ধ কৰিবই লাগিব। দ্বিতীয় উপায় অবলম্বন কৰি ডেমোক্ৰেট সকলক কাবু নকৰিলে যুক্তৰাজ্যও অখণ্ড নহব আৰু দাসো মুক্ত নহব। নিগ্ৰো মুক্তি ন্যায়-ধৰ্মত প্ৰতিষ্ঠিত বুলি মই বুজিছিলোঁ। তাৰ বাবে ধৰ্ম-যুদ্ধও হয়তো দৰকাৰ।

মই সভ্য নিৰ্বাচিত হৈ ইয়াৰ বিৰুদ্ধে পৰিষদত যুদ্ধ কৰিব ধৰিলোঁ। মোৰ বক্তৃতাত দাসবোৰ যেন উৎসাহিত হৈ উঠিল। মই দৰবাৰত ভয় কৰা নাই;—ভয়ৰ কাৰণো নাই। কাৰণ মোৰ ডেমোক্ৰেট বোৰৰ দৰে নিজা স্বাৰ্থ একো নাই। দৰবাৰত থাকি বক্তৃতা দি কৰিব পাৰোঁ কি? আইন তো মই অকলে বদলাব নোৱাৰোঁ। গতিকে তাত থাকি মই কৃতকাৰ্য্য হব নোৱাৰিম বুলি ঠিক কৰি জন-সমাজৰ মাজলৈ আহিলোঁ। সভাত বক্তৃতাৰ পৰা ধন্যবাদ পাবৰ মই আশা কৰা নাছিলোঁ। মোক লাগিছিল নিগ্ৰোজাতিৰ প্ৰকৃত মুক্তি। মই নিশ্চয়কৈ বুজিছিলোঁ—সংসাৰখন ধনী, জমিদাৰ, ক্ষমতা-বানৰ অন্ধ স্বাৰ্থৰ দাস নহয়—সি সত্যৰ ওপৰত প্ৰতিষ্ঠিত, ন্যায়ৰ বেদীত উদ্ভাসিত! ইয়াত লাগিব দুখীয়া, নিচলা, লাঞ্ছিত, পদদলিত সকলৰ আত্মাৰ বিকাশ হব দিবলৈ। স্থিৰ

কৰিলোঁ, বগা চামৰাৰ সমাজক শিক্ষা দিব লাগিব—ভগবানে বা যীশুখৃষ্টই দুখীয়া সকলকো মানুহৰ ওচৰত সমান অধিকাৰ দিছে। আজি শক্তিশালী হৈ যিয়ে নিঃসহায় নাবালক বিধবাক হেচি অন্যায় ভাবে তলত ৰাখিবৰ যত্ন কৰে, সুবিধা পালে সিবোৰেও তো এদিন নহয় এদিন অন্যায়-কাৰীৰ গলত চেপি ধৰি জিভা উলিয়াই দিব পাৰে! জগৎ পৰিবৰ্ত্তনশীল। সকলোৰে দিন সমানে নাযায়।

পুনৰায় নিৰ্বাচনৰ সময়। মোক উঠিবলৈ অনুৰোধ কৰাত মই নুঠিলোঁ; মই যুদ্ধৰ বাবে সাজু হব লাগে। নিগ্ৰো জাতিক স্বাধীনতা দিব লাগে। পৰিষদৰ সভ্য হৈ মই বুজিলোঁ মোতকৈ বহু জ্ঞানী লোক আছে। মোৰ জ্ঞান কম। যুদ্ধ চলাবলৈ হলে মই আৰু জানিব লাগিব। ইয়াকে বুজি যাতে পৰাজিত নহওঁ, তাৰ বাবে ইংৰাজী আৰু আমেৰিকান সাহিত্য আৰু খ্যাতনামা সাহিত্যিকৰ সাহিত্য আৰু ৰচনাবোৰ পঢ়িব ধৰিলোঁ। মই নিজে বুজিলোঁ, মোৰ মানসিক উন্নতি হৈছে। মই ওকালতি চলাই থাকিলোঁ।

১৮৬০ চনত মই আকৌ ৰাজনীতিত সোমাবৰ বাধ্য হলোঁ। কাৰণ দেশৰ প্ৰধান শত্ৰু মদৰ বিৰুদ্ধে প্ৰচাৰ কৰিব লগা হ'ল। তদুপৰি ডগলাচে মিচৌৰী আৰু কান্‌চাচ প্ৰদেশত গোলামী নতুনকৈ চলাবৰ জো-যা কৰিছে। মিচৌৰীৰ চুক্তি আছিল ইয়াত গোলামী নচলিব। কিন্তু ডগলাচৰ চুক্তি-ভঙ্গ মোৰ অসহ্য হ'ল।

ডগলাচে গোলামী প্ৰথা ৰখাৰ বাবে এদিন এঠাইত বক্তৃতা দিছিল। ময়ো সেই ঠাইতে সেই মানুহৰ আগতে গোলামী প্ৰথা উঠোৱাৰ মৰ্মে তেজস্বী বক্তৃতা দিলোঁ। বক্তৃতাত হেজাৰ হেজাৰ লোক মুগ্ধ হ'ল। সকলোৱে মোক সমৰ্থন কৰিলে। মোৰ যত্ন সফল হব বুলি মই আনন্দ পালোঁ। ডগলাচে য'তে বক্তৃতা দিয়ে তাতেই মই পিছ মুহূৰ্ত্ততে বক্তৃতা দিওঁ আৰু জন সমাজৰ মন ঘূৰাই দিওঁ। ডগলাচৰ বিৰুদ্ধে যুদ্ধ জয় কৰা মোৰ পৰীক্ষা হৈ উঠিল।

ভোটৰ সময়ত বৰ চতুৰালিৰে সৈতে মোৰ কৃতকাৰ্য্যতাৰ বাবে যত্ন কৰিব লগা হৈছিল। কান্‌ছাচ নেব্ৰাস্কা নামৰ ঠাইৰ পৰা ডেমোক্ৰেট দুজন প্ৰাৰ্থী হৈছিল। ভোট-যুদ্ধত মোৰ সুবিধা হৈছিল। মই হুইগ দলৰ পৰা উঠিছিলোঁ। তেওঁলোকে ভোটদাতাক মদ দি ভেটি দিয়ে। মই তাক কোনো দিনে কৰা নাই। মই জনতাৰ মন বুজি বক্তৃতা দি জনতাৰ মন ঘূৰালোঁ। মোক ভোট দিলে। এই দৰে মোৰ আৰু মোৰ অনুচৰ বোৰৰ যত্নত ডেমোক্ৰেট বোৰৰ দুৰ্বলতা আহিল। সিহঁতৰ অধঃপতন আহিব ধৰিলে। এই দল সম্পূৰ্ণ স্বাৰ্থপৰ। তেওঁলোকৰ ৰাজনীতি স্বাৰ্থৰ মাজেদি। মোৰ দলটো ৰিপাব্লিকান। ডেমোক্ৰেটবোৰে ৰিপাব্লিকানবোৰৰ দোষ দেখুৱায় কিন্তু নিজৰ দোষ অলপো স্বীকাৰ নকৰে। দৰাচলতে আমাৰ বিন্দুমাত্ৰও দোষ বাহিৰ কৰিব নোৱাৰে। আমাৰ মূলনীতি দেশ-সেৱা। ডেমোক্ৰেটৰ প্ৰধান দোষ

আছিল—তুখীয়া ৰিপাব্লিকানবোৰৰ হীন কূল বা সিহঁতৰ খেতি-বাতি কৰা হীন ব্যবসায় সম্বন্ধে সদায় কৈছিল। উইলিয়ম ছিৱাৰ্ড নামে এজন বৰ ক্ষমতাশালী প্ৰতিদ্বন্দ্বী আছিল। পিছত তেওঁ মোৰ মন্ত্ৰীসভাত এটা চাকৰি লয় আৰু মোৰ অনুগত হয়।

কান্‌ছাচ প্ৰভৃতি প্ৰদেশত ডেমোক্ৰেট সকল ইমান উত্তেজিত হৈছিল যে, ৰিপাব্লিকানসকলৰ ঘৰ-তুৱাৰ লুটি-পুটি নিছিল। কাৰো ঘৰ পুৰি দিছিল। এই ৰিপাব্লিকানবোৰ গোলাম নিগ্ৰো। আমেৰিকা জ্বলি উঠিল। তুই দলৰ তুই উদ্দেশ্য। ৰিপাব্লিকান কম অথচ সিহঁতৰ মন উচ্চ—নিগ্ৰোৰ মুক্তিৰ বাবে। ডেমোক্ৰেট অধিক অথচ সিহঁতৰ মন নীচ —নিগ্ৰোৰ দাসত্ব ৰক্ষাৰ বাবে। ৰিপাব্লিকান লাহে লাহে বেছি হৈ উঠিল। মই জানো মৱে এই আন্দোলনৰ জন্মদাতা। মৱে আমেৰিকাত অশান্তিৰ জুই জ্বলাইছোঁ। কোনো দল বা জাতিৰে শান্তি নোহোৱা হ'ল। কিন্তু শান্তি আনিব লাগিব। কোনে, কেতিয়া? ৰিপাব্লিকানে এই স্বাধীনতা আনি দি আমেৰিকাৰ শান্তি আনি দিব লাগিব। আমেৰিকা পৰিবৰ্ত্তন কৰিব নোৱাৰি। গোলামবোৰেও গোলামী পৰিবৰ্ত্তন ভাল নাপাইছিল। কাৰণ বহুদিন ধৰি অহা প্ৰথা উঠোৱাত জানো কিবা বেয়াহে হয়। এই তুৰ্বল মন মই বক্তৃতাৰে সবল কৰি মুক্তিৰ পথলৈ নিলোঁ।

চাওঁতে চাওঁতে ডেমোক্ৰেটসকলৰ টকা খাই সীমান্তৰ

গুণ্ডা সকলে ৰিপাব্লিকানবোৰৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিলে। ঘৰ-বাৰী পুৰি, ল'ৰা-তিৰোতাৰ ওপৰত অত্যাচাৰ কৰি, বয়-বস্তু ধন-সোণ লুট কৰি নিয়ে। কান্‌ছাচ আৰু নেব্ৰাৰাস্কাত এই অগ্নি জ্বলি উঠিল। গৃহ-বিবাদৰ এয়ে হ'ল সূত্ৰপাত।

নিজৰ মত জনগণৰ মাজত প্ৰবল কৰিবৰ বাবে বক্তৃতা আৰু সাময়িক প্ৰবন্ধ প্ৰকাশ কৰিলোঁ। সকলোবোৰ প্ৰচাৰ কাৰ্য্য কেৱল—দাস জাতিৰো প্ৰাণ আছে, আৰু সিহঁত ভগবানৰ অংশ আৰু সিহঁতক মানুহে দাস হিচাবে ব্যৱহাৰ কৰিব নোৱাৰে। হেণ্ডাৰ্চন নামে এজন জ্ঞানীলোকে সেই কালত মোৰ প্ৰবন্ধবোৰ সমৰ্থন কৰি মোক কামত উদগাইছিল। মই জানিছিলোঁ যে নতুন আন্দোলনত ধনী-দুখী, বগা-ক'লা, মুনিব-দাস, শাস্ত্ৰী-শিষ্য কোনেও সুখত থাকিব নোৱাৰিব। সুখীবোৰে যেনেকৈ পৰিবৰ্ত্তন পছন্দ কৰা নাছিল বহু নিগ্ৰোইও আনকি পুৰণি প্ৰথাৰ পৰিবৰ্ত্তন ভাল নাপাইছিল।

মোৰ আন্দোলন বৰ প্ৰবল। কোনো দলৰ শক্তিক মই ভয় নকৰোঁ। কাৰণ মোৰ লগত এতিয়া এটা প্ৰবল শক্তি। মোৰ শক্তি সম্বন্ধে এজন ভদ্ৰলোকে কৈছিল, মই হেনো আমেৰিকাত নব-যুগৰ সৃষ্টি কৰিম; মই নহলে বা মই এই আন্দোলন ত্যাগ কৰিলে আমেৰিকা ৫০ বছৰ পিছুৱাই যাব; নিচলা গোলামবোৰৰ ভাগ্য আকৌ মুনিবৰ পদতলত চিৰকাললৈ পৰি যাব। নিৰ্য্যাতিত সকলৰ মুক্তিৰ বাবেই

মোৰ জন্ম। মোৰ পৰাজয় নাই; দাস জাতি মুক্ত হবই। মোৰ ওপৰত এনে মন্তব্যত মই আনন্দিত হৈছিলোঁ।

মোৰ বিৰুদ্ধ মতৰ লোকসকলক মই ঘৃণা কৰা নাছিলোঁ। কৈছিলোঁ, বুজাইছিলোঁ, মনুষ্যত্ব জগাই দিছিলোঁ; সিহঁতৰ ভুল ভাঙ্গিবৰ যত্ন কৰিছিলোঁ। মই সিহঁতক কৈছিলোঁ—সকলো কালৰ পৰাই মই চিন্তা কৰি চাইছোঁ। মই মোৰ মনৰ ভাব খুলি কবৰ সাহ কৰিম। কাৰণ মই বিচাৰিছোঁ সত্য। সত্য অন্বেষণৰ বাবে যদি মোৰ পতন হয় সেই পতনো ভাল……ইত্যাদি। বিৰোধী বোৰে কিন্তু যুক্তি দিব নোৱাৰে। সিহঁতে পাৰে কেৱল খং কৰি চিঞৰি চিঞৰি প্ৰতিবাদ কৰিব। কিন্তু যি উদ্দেশ্য লৈ কৰ্মত নামিছোঁ সেই উদ্দেশ্য সিদ্ধিৰ বাবে নানা বিপদ ঠেলি যাবৰ সঙ্কল্প কৰিছিলোঁ।

## যুক্তৰাজ্যত সভাপতি নিৰ্বাচন

যুক্তৰাজ্যৰ সভাপতি নিৰ্বাচনৰ সময়। মোৰ নাম আৰু যশ এই সময়ত দেশৰ এচুকৰ পৰা আন চুকলৈ প্ৰচাৰ হৈছিল। শত্ৰুৱে যেনেকৈ মোৰ বিৰুদ্ধেই উঠি মোৰ নাম স্মৰণ কৰিছে মিত্ৰইও তেনেকৈ মোৰ উন্নতিৰ বাবে আস্থা কৰি সদায় মোৰ নাম গাইছে। মই সভাপতিৰ বাবে থিয় হলোঁ। ১৮৬০ চন, ১৬ জুন। যি সকল লোকৰ প্ৰতিদ্বন্দ্বী হৈ মই উঠিছিলোঁ সি সকলৰ প্ৰতিজনেই আমেৰিকাৰ নামজ্বলা লোক। বৰ গভীৰ চিন্তা আৰু উদ্বিগ্নতাৰ সৈতে পাঁচ হেজাৰ যুক্তৰাজ্যবাসী

ওৱাচিংটন চহৰত সভাপতি নিৰ্বাচনৰ বাবে লগ লাগিলহি। কোন সভাপতি হব, এয়ে এটা প্ৰধান আলোচনাৰ বিষয় হ'ল। বিৰাট জনতাৰ মাজৰ পৰা মোৰ নামৰ জয়ধ্বনিৰ চিৎকাৰৰ ৰোল উঠি আকাশ খলক লগালে। নিৰ্বাচন হ'ল। মই দুগুণ ভোট পাই সভাপতি নিৰ্বাচিত হলোঁ।

মই তেতিয়া বিপংফিল্ডত উকীল। ওকালতি কৰি আছোঁ। চৰ্কাৰী গেজেটত মোৰ নাম সভাপতি হিচাবে উঠিল। মই সভাপতি হোৱাত মদৰ বোটলবোৰ বন্ধুবৰ্গৰ পৰা উপহাৰ হিচাবে আহিব ধৰিলে। যুক্তৰাজ্যৰ সভাপতি নিৰ্বাচিত হলে এইদৰে মদ দি সন্মান দেখুৱা নিয়ম আছিল। মই আৰু মোৰ পৰিয়ালৰ কোনো জনেই কোনো দিনে মদ চোৱা নাছিলোঁ। গতিকে মই ফিৰাই দিছিলোঁ। মোৰ এনে আচৰণত বহুতে অবশ্যে বেয়া পাইছিল। মই এদিন তেনে বন্ধুসকলক মদৰ সলনি চেঁচা পানী দিয়েই সম্ভাষণ জনাই-ছিলোঁ। আগৰ পৰা চলি অহা নীতি গ্ৰহণ নকৰি মই বেয়াই কৰিছিলোঁ। কিন্তু মোৰ নিজা নীতি মই এৰাতকৈ সভাপতিৰ পদকে এৰি দিব পাৰিম বুলি কৈছিলোঁ। বহুতে সভাপতি হোৱাই বৰ গৌৰবৰ বিষয় বুলি বোধ কৰিছিল। মই হলে এই পদবীত বেছি গৌৰব বোধ কৰা নাছিলো। মই মদ গ্ৰহণ নকৰাত মোৰ বৰ বন্ধুসকলেও মোৰ শত্ৰুহে হব ধৰিলে। তেওঁলোকে মোক বেয়া পাব ধৰিলে। মই সক মনৰ সভাপতি হলোঁ বুলি সিহঁতে মোক কব ধৰিলে।

মোৰ কৰ্মক্ষেত্ৰ হাতত। মোৰ বন্ধু-বান্ধবৰ লগত আমোদ কৰিবৰ মুঠেই সময় নাই। আমেৰিকাৰ ৰাজনীতি মোৰ হাতত। ইফালে মোৰ নিৰ্বাচনত দুখীয়া গোলামবোৰে বৰ আনন্দ লভিলে। সিহঁত হৰ্ষত বলীয়া হ'ল। সিহঁতৰ হৰ্ষত মোৰ চকুলো ওলাই গ'ল। মই ভাবিলোঁ মোৰ বিপদ উপস্থিত, কাৰণ যি বিৰাট জাতি এটাই মোৰ মুখৰ পিনে মুক্তিৰ বাবে চাই আছে সেই জাতিক মুক্তি দিব নোৱাৰিলে মোৰ অকৰ্মণ্যতাৰ পৰিচয় হে হব। সিহঁতৰ মুক্তিয়েই মোৰ মুক্তি বুলি বুজিছিলোঁ।

ডেমোক্ৰেট দল দেশত বলবান। এই দলৰ বহু ক্ষমতা-বান নেতা প্ৰায় সকলো ৰাষ্ট্ৰতেই আছিল। মই ৰিপাব্লিকান দলৰ পৰা সভাপতি হোৱা শুনিয়েই ডেমোক্ৰেট দলৰ দক্ষিণ ফালৰ ডেমোক্ৰেটৰ বাহিৰে আন দলৰ সভাপতি হোৱা সিহঁতে সহ্য কৰিব নোৱাৰিছিল। মোৰ সন্মুখত ভয়ানক বিপদ। সিহঁতৰ আন্দোলন বৰ প্ৰবল হৈ উঠিল। দক্ষিণৰ সাতখন ৰাষ্ট্ৰই একেলগ হৈ যুক্ত-শাসনৰ পৰা পৃথক হৈ গ'ল। সেইবোৰ ৰাষ্ট্ৰৰ নেতাবোৰ বৰ শক্তিশালী। এই-বোৰ যুক্তৰাজ্যৰ বিৰুদ্ধে থিয় হ'ল। ৰণ কৰিবলৈ সিহঁতে সৈন্য-সামন্ত গোটাব ধৰিলে, কামান বন্দুক সাজু কৰিব ধৰিলে। ভোটৰ যুদ্ধত সিহঁতে হাৰি কামানৰ যুদ্ধত জয়লাভ কৰিবলৈ আয়োজন কৰিলে।

ধৰ্ম-প্ৰচাৰ কৰোঁতা পাদ্ৰীসকলো মোৰ বিপক্ষে গ'ল।

তেওঁলোকে মানুহক যীশুৰ বাণী প্ৰচাৰ কৰি ফুৰে। ইহঁতে ধনী ডেমোক্ৰেট সকলৰ ধন খাই সিহঁতৰ ফালে লগ হৈছে। ন্যায় পথ সিহঁতৰ নাই। নিগ্ৰোৰ স্বাধীনতা সিহঁতৰ বিষতুল্য। সিহঁতে ঈশ্বৰৰ বাণী প্ৰচাৰ কৰি ফুৰে অথচ ক'লা ব'গা এই দুই শ্ৰেণী কৰি সেই মতে কাম কৰে। সিহঁতেও ডেমোক্ৰেট সকলৰ দৰে ভাবে যে, নিগ্ৰোবোৰ ইংৰাজৰ দাস। কিন্তু এইটো সিহঁতে বুজি নাপায় যে, মানুহৰ ওচৰত দাস হলেও নিগ্ৰোবোৰ ঈশ্বৰৰ ওচৰত সমান। সকলো মানুহৰে আত্মা একে! আত্মা ভগবানৰ অংশ। ক'লাৰ আত্মাও ভগবানৰ অংশই। এই ভণ্ড ধৰ্ম-প্ৰচাৰক দলৰ প্ৰতি মোৰ অতিপাত ঘৃণা আছিল।

মানুহৰ দুখ মোচন কৰাই মানুহৰ ধৰ্ম। ই যীশুৰ প্ৰধান শিক্ষা। এই শিক্ষাটোকে পাদ্ৰীবোৰে নেজানে। সিহঁতে যদি দাসবোৰৰ মুক্তিৰ বাবে যত্ন কৰিলে হেতেন, তেনেহলে ধনী মুনিববোৰে সিহঁতক গৰু-গাহৰিৰ দৰে বাব নোৱাৰিলে হেঁতেন। তাকে নকৰি ধনীবোৰৰ পক্ষপাতিত্ব হে অবলম্বন কৰিছে। ঈশ্বৰৰ 'প্ৰেম'ৰ নামত, মানুহৰ 'ভ্ৰাতৃত্ব'ৰ নামত পাদ্ৰীবোৰৰ ইমান ভণ্ডামি! মই ভাবি ঠিক কৰিলোঁ— 'পাদ্ৰীসকল! তোমালোকৰ জ্ঞান চকু মেল খোৱা নাই। তোমালোকৰ ভুল ভাঙ্গিব লাগিব। গোলামবোৰে তোমা-লোকক জ্ঞানৰ পোহৰ দিব।'

## ওৱাচিংটনলৈ যাত্ৰা

সভাপতিৰ বিৰুদ্ধে দেশ জুৰি ষড়যন্ত্ৰ চলিব ধৰিলে। ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ যুক্তি। কোনো দলে মোক ঘৰতে আহি হত্যা কৰি যাব। কোনো দলৰ মতে মই ওৱাচিংটনলৈ গলে বাটতে হত্যা কৰিব। কোনো দলে পৰিয়ালৰ সৈতে মোক দেশৰ পৰা খেদি দিয়াৰে যুক্তি কৰে। মদ খোৱা ক্লাবেবোৰত মোৰ বিৰুদ্ধে সদায় তৰ্ক আৰু আলোচনা! দেশ জুৰি বিদ্ৰোহৰ জুই দপ্ দপ্ কৈ জ্বলি উঠিল। মোৰ নাম দেশবাসীৰ মুখে মুখে হ'ল। এই জ্বলি থকা জুইৰ মাজৰ পৰা শুই থকা শিশুক আনি মুক্তি দিব লাগিব। মোৰ কৰ্মৰ প্ৰধান পৰীক্ষা উপস্থিত। কৰ্ম কৰিবলৈ ভয় খালে তো নহব! সমুখত বহল কৰ্মৰ সাগৰৰ প্ৰবল ঢৌ।

মই ওৱাচিংটনলৈ যোৱাৰ আগতে আইক মাত দি যোৱা প্ৰধান কৰ্ত্তব্য। কাৰণ আইৰ পদধূলি লৈয়ে মই মানুহ হৈছোঁ। তেতিয়া আই মোৰ ভনীৰ গিৰিয়েকৰ ঘৰত আছিল। মই তালৈ তেওঁৰ পৰা বিদায় লব গলোঁ। মই ওৱাচিংটনলৈ যোৱাৰ কথা শুনিয়ে আয়ে কান্দি পেলালে। মই যুক্তৰাজ্যৰ সভাপতিৰ পদ পোৱাত যি আনন্দ লাভ কৰিব লাগিছিল সেই পৰিমাণে নিৰানন্দহে দেখা দিলে। মোৰ বিৰুদ্ধে হোৱা ষড়যন্ত্ৰৰ কথাবোৰ আইৰ কাণত পৰি-

ছিল। বিদায়ৰ সময়ত তেওঁ মোক বুকুত সুমুৱাই লৈ মুখত চুমা খাই কান্দি পেলালে। কাৰণ তেওঁ ঠিককৈ বুজিছিল মই হেনো গুপ্তঘাতকৰ হাতত মৰা পৰিম। এই দিনত মই পোৱা সভাপতিৰ পদ এৰি দিবলৈ সাজু আছিলোঁ; কাৰণ মই পদৰ বাবে লালায়িত নহওঁ। আয়ে এদিন মোৰ বিষয়ে মন্তব্য কৰিছিল,—মই যুক্তৰাজ্যৰ সভাপতি হব লাগিব। মই সভাপতি হলোঁ হয়; আইৰ দুখৰ বোজাহে হৈ পৰিলোঁ। যদি মোৰ নীতি অৰ্থাৎ দাস জাতিক মুক্তি দিয়া কথা মই সদস্য হৈয়ে সাধিব পাৰিলোঁ-হেঁতেন তেনেহলে মই সভাপতি হোৱাৰেই আৱশ্যক নাছিল। কিন্তু দেশৰ শাসন নিজে হাতত নললে তাক কেতিয়াও কৰা নহয়। মাতাক আকুল দুখৰ সাগৰত থৈও মই এটা জাতিৰ মুক্তিৰ বাবে সভাপতি হবলৈ বাধ্য হলোঁ। এই নীতি কেবল আমেৰিকাৰ যুক্তৰাজ্যৰ হে নহয়। পৃথিবীৰ সকলো সভ্যদেশতে দাস প্ৰথা চলিত আছিল। আমেৰিকাৰ যুক্তৰাজ্যৰ দাস-মুক্তি সাধন হলে পৃথিবীৰ সকলো দাসৰে মুক্তি নিশ্চয় হব।

আইক সান্ত্বনা দি মই বুজালোঁ, “আই! তুমি আমাৰ ঘৰলৈ অহাৰে পৰা মোৰ অন্তৰ পোহৰ হৈ উঠিছে। তুমিয়ে মোক অন্তৰৰ চকু দি মোৰ বাট মোকোলাই দিছা। দেশৰ মুক্তিৰ বাবে তুমিয়ে দেখোন মোক তাৰ চিত্ৰ আঁকি দিছা। সি চিত্ৰ আজি মোৰ অন্তৰত উজ্জল হৈ উঠিছে। তুমি

মোক পিতাৰ ঘৰত দেখা নিদিলে বোধহয় নিগ্ৰোজাতিৰ স্বাধীনতাৰ কল্পনা মোৰ মনলৈ কেতিয়াও নাহিলহেঁতেন। গতিকে ঈশ্বৰত বিশ্বাস ৰাখা। মই এই জাতিৰ মুক্তি আনি দিম। তুমি নাকান্দিবা। বাটৰ যি বিঘিনি আছে, সি সকলোকে ভগবানে আঁতৰাই নি একাষৰীয়া কৰি থব। যে আন্দোলন তুমি দেখিছা সি ময়ে তোলা। আন্দোলন বৰ প্ৰবল হৈ উঠাৰ বাবেহে ষড়যন্ত্ৰ আদিও দেখা দিছে। মই তোমাৰ পুত্ৰই ঈশ্বৰৰ ইচ্ছাত সভাপতি হৈছোঁ। তাৰ বাবে তুমি মোৰ কল্যাণ কামনা আৰু আনন্দহে কৰা উচিত। তাতোকৈ অধিক আনন্দ কৰিবা যেতিয়া দেশ জুৰি দাস জাতিৰ মুক্তি হয়। ইহঁতৰ মুক্তিৰ বাবে অকলে মই একো কৰিব নোৱাৰোঁ। তোমালোকেও যথেষ্ট সহায় কৰিব লাগিব। তুমি আশীৰ্বাদ দিয়া যাতে মই মোৰ সঙ্কল্প কাৰ্য্যত পৰিণত কৰিব পাৰোঁ।”

তেওঁ মোক ধৰি কান্দিয়ে আছে। মই কোনো মতে তেওঁৰ বুকুৰ মাজৰ পৰা মোৰ গাটো উলিয়ালোঁ। তেওঁ কান্দেহে কান্দে। দেশৰ সভাপতিৰ পদতকৈ মাতৃৰ চকুলো অধিক ডাঙৰ হৈ উঠিল। মোৰো ধৈৰ্য্য কমি গ’ল। আইৰ চকুলোৰ লগতে মোৰ অন্তৰৰ দেৱতা যেন উঠি গ’ল। অন্তৰে যেন কৈ উঠিল—‘এব্ তুমি মাতৃৰ চকুলো মোচা—তুমি যুদ্ধলৈ যাব নালাগে।’ আইৰ কান্দোনৰ কাৰণ—মোৰ যে ঘোৰ অনিষ্ট হব তাক তেওঁ জ্ঞানৰ চকুৰে দেখা পাইছিল।

এই দিব্যচকু তেওঁ ঈশ্বৰৰ পৰাই লাভ কৰিছিল। তেওঁৰ মোৰ প্ৰতি মৰমৰ শেষ সীমা আজিহে ভালকৈ প্ৰকাশ পালে। বিমাতাই যে সতীয়া পুতেকক ইমান মৰম কৰিব পাৰে ই মানব সমাজৰ কল্পনাৰ বাহিৰ।

এই বিদায় কালত মাতৃক শোক সাগৰত ডুবাই থৈ মই ওৱাচিংটনলৈ যাত্ৰা কৰিলোঁ। মোৰ ঘৈণীকো নিলোঁ। মই যাৰে পৰা বিদায় লওঁ তেৱেঁ মোৰ প্ৰতি দুখ প্ৰকাশ কৰে। তাত মই দুখ ভৰা কণ্ঠে কলোঁ—"বন্ধু সকল! পঁচিছ বছৰ কাল মই আপোনালোকৰ লগতে থাকিলোঁ। আপোনা-লোকৰ মৰম আৰু আশীৰ্বাদৰে মানুহৰ শাৰীত উঠিছোঁ। আপোনালোকেই মই এৱক আব্ৰাহাম লিঙ্কন কৰি দিছে। মই আপোনালোকৰ দাস। আপোনালোকৰ তলব মতেই মই কামত আগ বাঢ়িছোঁ। মই আপোনা-লোকৰ নিৰ্দেশ দিয়া কাম সমাধা কৰি সোনকালে যেন আপোনালোকৰ মাজলৈ ঘূৰি আহিব পাৰোঁ তাৰ বাবে মোক আশীৰ্বাদ দিয়ক। ই কাজ মোৰ নহয়—আপোনালোকৰেই; মই প্ৰতিনিধি মাত্ৰ। জগতৰ এটা জাতিৰ মুক্তিৰ যুদ্ধত মোৰ মৃত্যুও হব পাৰে। কিন্তু ইও আপোনালোকৰ জনা আছে যে, আমাৰেই পুৰ্বপুৰুষসকলে একালত নিজৰ বুকুৰ তেজ দান কৰিহে স্বাধীনতা লাভ কৰিছে। বিনা ৰক্তপাতে স্বাধীনতা অহা নাছিল। স্বাধীনতা মহাযুদ্ধত এচাম হয়তো মৰিব লাগিব। তেওঁলোকৰ ৰক্তৰ ওপৰত নতুন বীৰ এচাম

জীৱন ধৰিব। মহামানব ওৱাচিংটনে যুদ্ধ কৰিছিল। সেই যুদ্ধত বহু দেশবাসী পূৰ্বপুৰুষৰ ৰক্তপাত হৈছিল ইংৰাজৰ লগত যুদ্ধত। স্বাধীনতা লাভৰ বাবে এই বেলি যুদ্ধ হব ঘৰতে—মানুহে মানুহৰ গৰাহৰ পৰা মুক্তিলাভৰ বাবে। বন্ধু সকল! আপোনালোকে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰক যেন মই এই কামত কৃতকাৰ্য্য হওঁ। 'সত্যৰ সদায় জয়।'

## ওৱাচিংটনত সভাপতি

ওৱাচিংটনলৈ গলোঁ। নগৰত সোমায়ে দেখিলোঁ তাত দুটা বৰ কটকটীয়া দল—ৰিপাব্লিকান আৰু ডেমোক্ৰেট। ডেমোক্ৰেটসকলৰ ভয়ানক খং। সিহঁত যুদ্ধৰ বাবেই সাজু। যুদ্ধৰ সাজ-সৰাঞ্জাম মজুত কৰিছে। নগৰ তোলপাৰ। এদলে যত্ন কৰিছে পূৰ্বৰ প্ৰথাকে ৰাখি ৰিপাব্লিকানবোৰক নিৰ্মূল কৰিবলৈ। আন দলে পুৰুষাৰ্থ কৰিছে নিগ্ৰোজাতিৰ স্বাধীনতাৰ বাবে আন্দোলন শকত কৰিবলৈ। এদলৰ পৰা যদি ভয় হয়, আন দলৰ পৰা আশা আছে। এদলে বিচাৰে মানুহক পশু কৰিবলৈ, আনদলে বিচাৰে মানুহক মানুহ কৰিবলৈ। মোৰ অনুপস্থিতিতে যে ইমান গৰম হৈ আছে মই ভাবিবই পৰা নাছিলোঁ। বুজিলোঁ মোৰ আন্দোলনত দেশ জাগ্ৰত হৈছে। কিন্তু বৰ বীভৎস কাণ্ড মোৰ আগত উপস্থিত হ'ল—মোক খণ্ড খণ্ড ভাবে হত্যা কৰিবলৈ হেনো কোনো জনে যত্ন কৰি আছে।

মনুষ্যত্বত ভৰি দিওঁতেই মই দৃঢ় ৰূপে বিশ্বাস কৰি আহিছোঁ মোৰ কাৰ্য্য সাধন কৰিমেই। ঈশ্বৰত বিশ্বাস কৰিলে পৰাজয় নাই। কিন্তু মোৰ বিশ্বাস বদলাব লগা যেন হলোঁ। আগেয়ে মোৰ মৰণৰ বাবে ভয় নাছিল। এতিয়া অন্তৰত অলপ ভয় আহিল। ভাবিলোঁ জানোচা মই অকৃত-কাৰ্য্য হওঁ বা বৃথাই মোৰ দেহপাত কৰোঁ। চাৰিওফালে মোৰ শত্ৰু। মই এদিন নগৰত হোৱা উৎসবত মোৰ শত্ৰু পক্ষক কবৰ সুবিধা পাইছিলোঁ। কৈছিলোঁ, "বন্ধুসকল! দেশত যদি অশান্তিৰ জুই জ্বলি উঠে সি তোমালোকৰ দ্বাৰাই; আমাৰ দ্বাৰা নহয়। যুদ্ধ কৰা বা নকৰা তোমা-লোকৰ ইচ্ছা। আমি বা গৱৰ্ণমেণ্টে তোমালোকৰ লগত কাজিয়া নকৰিম। তোমালোকে এই দেশৰ শাসন-প্ৰথা উৰাই দিবলৈ যত্ন কৰিব পাৰা। কিন্তু এই দেশৰ বা গৱৰ্ণ-মেণ্টৰ কল্যাণ আৰু শান্তিৰ বাবে মই ঈশ্বৰৰ দ্বাৰা প্ৰেৰিত। গতিকে ইয়াৰ বাবে মই ধৰ্মতঃ দায়ী। আমিতো পৰস্পৰে পৰস্পৰৰ শত্ৰু নহওঁ। দেশৰ মঙ্গল সাধন কৰাই আমাৰ সকলোৰে প্ৰধান কৰ্ত্তব্য। এই উমৈহতীয়া স্বাৰ্থৰ ফালে নজৰ ৰাখি চলিলে দেশত অশান্তি নাহিব, যুজ-বাগৰো নাহিব। অযথা তেজৰ নদী বোৱাবলৈ জৰ্জ ওৱাচিংটনে আমাক স্বাধীন কৰা নাছিল। এটা দাস জাতিক পশু কৰি ৰাখিবলৈ তোমালোকে সমৰৰ আয়োজন কৰিছা। ই বৰ দুখৰ আৰু লাজৰ কথা। জগতৰ চকুত আমেৰিকাক অতি হেয় কৰিবলৈ

এই যত্ন তোমালোকে এৰা উচিত। ভগবানে কৰক, এই অশান্তি দূৰ হক।"

ওৱাচিংটনত সভাপতিৰ পদ গ্ৰহণ কৰিলোঁ। কাম হাতত ললোঁ। ডেমোক্ৰেটসকলৰ উদ্দেশ্য অচল অটল। ৰিপাব্লিকান বিলাকৰ বিৰুদ্ধে যুদ্ধ কৰিবই। দেশত যিমান খিনি হাত আছে সকলোতে সিহঁতে দল শকত কৰিবলৈ দেহে কেহে যত্নত লাগি গ'ল। বিশেষতঃ উত্তৰ অঞ্চলৰ ৰাজ্যবোৰত গোলামিৰ আড্ডা আছিল। সিহঁতৰ এটা সুবিধা হ'ল। খাজাঞ্চী অফিচৰ প্ৰধান অফিচাৰ হাওৱেল কব্ উত্তৰৰ জৰ্জিয়া প্ৰদেশৰ মানুহ। তেওঁ নিজৰ ক্ষমতা ষোল অনাই বজাই ৰাখিবলৈ চৰকাৰী ধন বিতৰণ কৰিব ধৰিলে। তেওঁ ডেমোক্ৰেট সৈন্যৰ দুৰ্গ নিৰ্মাণ কৰিবলৈ লাখ লাখ টকা ঢালি দিবলৈ ধৰিলে। উত্তৰে দক্ষিণে বিৰাট সৈন্যবাহিনী এটা গঢ়ি তোলা কামত টকা দি ভৰাল উদং কৰি দিলে। জন ফ্লয়েড আছিল যুদ্ধ বিভাগৰ নেতা। ভাৰ্জিনিয়া প্ৰদেশত তেওঁৰ ঘৰ। তেওঁ হাওৱেল কবৰ দৰে গোলামি প্ৰথাৰ বৰ পক্ষপাতী। তেওঁ যুদ্ধৰ বাবে দুৰ্গত থকা কামান বন্দুক আদি সকলো যুদ্ধৰ সাজ-সৰঞ্জাম খালি কৰি লৈ গ'ল। ৰণতৰীৰ নেতা আইজাক তৌচী। তেওঁ গোলামখানাৰ মালিক নাছিল; কিন্তু বিদ্ৰোহী নেতাবোৰৰ লগৰীয়া। এই নৌশক্তিৰ সেনাপতিয়ে ৯০ খন যুদ্ধ-জাহাজৰ ভিতৰত ৮৮ খন চৰকাৰী জাহাজ দূৰ ঠাইলৈ পঠাই দিছিল

মই চকুৰ আগতে দেখিলোঁ ক'ব চৰ্কাৰী ভৰাল গোলাম-খানাৰ উন্নতিৰ বাবে উদং কৰিছে। ফ্লয়েডে সৈন্যবাহিনী আঁতৰাই নি চৰ্কাৰী যুদ্ধৰ শক্তি লোপ কৰিছে, আৰু তৌচীয়ে জাহাজবোৰ আন ঠাইলৈ পঠাই দি গৱৰ্ণমেণ্টক দুৰ্বল কৰি দিছে। এই তিনিটা বিভাগেই দেশত শক্তিশালী। তিনিও বিভাগে বিদ্ৰোহৰ যুদ্ধত ডেমোক্ৰেটৰ ফালে যুদ্ধ নকৰিলেও ৰিপাব্লিকান চৰ্কাৰৰ পক্ষে যুদ্ধ নকৰিব ; মোক বিদ্ৰোহ দমন কৰিবলৈ অলপো সুবিধা নিদিব। ডেমোক্ৰেট-সকলৰ ইমান ক্ষমতা। ভেওঁলোকৰ শক্তি ইমানেই প্ৰবল। এনে গৱৰ্ণমেণ্টৰ মাজত মই সভাপতি হৈ কি মতে কাম কৰিব পাৰোঁ তাৰ উপায় চিন্তা কৰিব লগা হ'ল। চিন্তাৰেই বিষয়।

এনে বিদ্ৰোহৰ জুইৰ মাজতো মই হতাশ হোৱা নাছিলোঁ। মোৰ লগত চল্লিচ লাখ নিগ্ৰো দাস। সিহঁতেই মোৰ প্ৰধান সহায়। সিহঁতেই মোক উৎসাহ দি এই বিপদ সাগৰৰ মাজেদি লৈ যাব ধৰিছে। মোৰ শৰীৰত কিবা শক্তি আছে নে নাই কব নোৱাৰোঁ। কিন্তু মই জানিছিলোঁ মহৎ উদ্দেশ্য লৈ কাম কৰিবলৈ। ঈশ্বৰত বিশ্বাস ৰাখি কাম কৰিলে পৰাজয় ক'তো নাই বুলি মই থিৰ কৰিছিলোঁ। সেইবাবেই ভয় কি মই বুজা নাছিলোঁ।

যুদ্ধ নকৰিবলৈ সকলো ৰকমৰ যত্ন মই এৰা নাছিলোঁ। কিন্তু বিদ্ৰোহী দল নিজৰ লক্ষ্যত স্থিৰ। যুদ্ধ কৰিবই। ১৮৬১ চনৰ ১২ এপ্ৰিল বিদ্ৰোহী দলে বিদ্ৰোহৰ পতাকা উৰালে।

চাওঁতে চাওঁতে চৰকাৰী সৈন্যই চামটাৰ নামৰ ডেমোক্ৰেটৰ ডাঙৰ দুৰ্গ এটা আক্ৰমণ কৰি পেলালে। ১১ হেজাৰ সৈন্যই বিদ্ৰোহীৰ গতিবিধি লক্ষ্য কৰি থাকিল যুদ্ধৰ ঠাইত। দুই ঘণ্টা এই দৰে আছে। দুৰ্গৰ ৰক্ষকে বিদ্ৰোহী আক্ৰমণকাৰী সৈন্যৰ ওপৰত তেতিয়াও হাত দিয়া নাই। ইতিমধ্যে বিদ্ৰোহীয়ে দুৰ্গ ভাঙ্গিবলৈ যত্ন কৰিছে। তেতিয়া আৰু দুৰ্গ-ৰক্ষকে যুদ্ধ নকৰাকৈ থকা টান হ'ল। বিদ্ৰোহীৰ বিৰুদ্ধে প্ৰথম অস্ত্ৰ মেল খালে। দুৰ্গ ৰক্ষাৰ্থে উভয় দলৰ ভীষণ যুদ্ধ হয়। বাৰুদৰ আগাৰত জুই জ্বলি উঠিল। তেতিয়া দুৰ্গ ৰক্ষা কৰা টান হ'ল। দুৰ্গৰ সৈন্যবোৰ আন ঠাইলে পলাই গ'ল। দুৰ্গ হাতত পৰিল। দেশ জুৰি দুৰ্গ পতনৰ খবৰ বিয়পি পৰিল। মোৰ পক্ষপাতী সকলো যুক্ত-ৰাজ্যৰ প্ৰজাই বিদ্ৰোহ দমাবলৈ একত্ৰিত হ'ল।

দেশৰ এই দুৰ্দিনত পশ্চিম আমেৰিকাত ওহিওৰ হাবিত এজন ডেকা ল'ৰা মানুহ হব ধৰিছে। তেওঁ জ্ঞান আৰ্জন কৰিব ধৰিছে, চৰিত্ৰ গঠন কৰিব ধৰিছে, মানুহ তৈয়াৰ হব ধৰিছে আৰু দেশৰ মুক্তি দিবলৈ শক্তি সঞ্চয় কৰিছে—যুক্ত-ৰাজ্যৰ মুখ উজ্বল কৰিবলৈ। খৰিকটীয়া এজনে যুক্তৰাজ্যৰ সভাপতি হবলৈ ওহিওৰ হাবিৰ মাজত শক্তিৰ সাধনা কৰিব ধৰিছে। তেওঁ দেশপ্ৰেমিক হব ধৰিছে। দেশৰ কল্যাণৰ নিমিত্তে জীৱনো দান কৰিবলৈ শিকিব ধৰিছে। মই বুজিছিলোঁ তেওঁৰ সমান বুদ্ধিমান, জ্ঞানী, বিদ্বান আৰু

চৰিত্ৰবান দুখীয়া কাঠকৰ্ৱাৰ ঘৰত জন্ম হোৱা লোক আৰু নাই। এদিন আমেৰিকা ধন্য হব। এদিন এই ডেকাই যুক্তৰাজ্যৰ সভাপতি হব। তেওঁ ডেমোক্রেট বাপেক-মাকৰ ঘৰত জন্মগ্ৰহণ কৰিছিল; অথচ দুখীয়া ৰিপাব্লিকানবোৰৰ পক্ষ লবলৈ ভয় খোৱা নাছিল। ডেমোক্রেটৰ ঘৰত জন্মি, ডেমোক্রেটৰ ভাবাপন্ন হৈ নিগ্ৰোজাতিৰ মুক্তিৰ বাবে নিজৰ জাতি কুল আৰু ধৰ্ম এৰি মুক্তিৰ আন্দোলনত যোগ দিয়াটো গৌৰবৰ বিষয় বুলি বোধ কৰিছিল। এনে স্বাৰ্থহীন কৰ্মী আছে কেইজন? মোৰ নিগ্ৰো মুক্তিৰ পূজাৰ বাবে এহিওৰ প্ৰকৃতিৰ ৰাজ্যত ফুল আহৰণ কৰিব ধৰিছে। এইজন মহা-পুৰুষৰ নাম মহাত্মা গাৰফিল্ড।

১৮৬১ চনৰ ১২ এপ্ৰিল চাম্‌টাৰ দুৰ্গ পতন হয়। দেশত গৃহ-বিবাদৰ জুই জ্বলি উঠিল। আজি এটা, কালি এটা, এইদৰে দুৰ্গবোৰ অধিকাৰ কৰি শেষত ৰাজধানীও লব পাৰিব বুলি দেশত ৰোল উঠিল। এনে সময়তে এজন শত্ৰু মোৰ পৰম মিত্ৰ হয়। ডেমোক্রেটৰ প্ৰধান নেতা ডগলাচ মোৰ প্ৰতিদ্বন্দ্বী আছিল। তেওঁ মোক লগ ধৰি বহু সৎ উপদেশ দিলে। বিদ্ৰোহী দলৰ এজন নেতা হলেও তেওঁ মোৰ শক্তিৰ পৰিচয় হেনো কিবা পাইছিল। মোৰ ওপৰত তেওঁৰ বৰ আস্থা আছিল। তেওঁ মোৰ দলৰ অৰ্থাৎ ৰিপাব্লিকানৰ মানুহৰ নিচিনা মোৰ আগত বহু কথা কয়। তেওঁ যেন মোৰ চিৰকালৰ বন্ধু এনে ভাবে মোৰ লগত ব্যৱহাৰ কৰিছিল।

তেওঁৰ ব্যৱহাৰত মই সন্দেহ কৰিব লগীয়া অলপো নাছিল। তেওঁ মোক বন্ধুৰ দৰে সাৱতি ধৰি তেওঁৰ স্বদেশৰ প্ৰতি ভাল পোৱা ভাৱ প্ৰকাশ কৰিলে। ধন্য ডগলাচৰ স্বদেশপ্ৰেম! ইতিমধ্যে মই দেশৰক্ষাৰ বাবে পয়সত্তৰ হেজাৰ মানুহ লাগে বুলি এখন ঘোষণা-পত্ৰ প্ৰকাশ কৰিলোঁ। তেওঁ ইয়াত বৰ আপত্তি কৰিলে। তেওঁ কলে, "আপুনি পয়সত্তৰ হেজাৰ কিয়, দুই লাখৰ বাবে নিবেদন জনাওক। দেশৰক্ষীৰ দল আপুনি পায় নে নাপায় তেতিয়া দেখা পাব। আপোনাৰ ওপৰত কাৰ আস্থা নাই? এই হীন মনৰ ডেমোক্ৰেটৰ বদমাইচী আৰু সঙ্কীৰ্ণ মতলব মোৰ জনা আছে। মই যিমান জানো আপুনি বা ৰিপাব্লিকানৰ কোনোৱে তিমান নাজানে বুলি মই ডাঠি কব পাৰোঁ।" লগে লগে এখন মেপ দেখুৱাই কলে, "এইবোৰ ঠাই বৰ বিদ্ৰোহী। এইবোৰ ঠাই সুৰক্ষিত কৰিব লাগে। এই-বোৰ ঠাইৰ বিদ্ৰোহ দমন কৰিবলৈ চৰ্কাৰ উঠি-পৰি লগা কৰ্ত্তব্য। দমনৰ বাবে গৱৰ্ণমেণ্ট বৰ কঠোৰ হব লাগিব; কাৰণ বিদ্ৰোহী বৰ প্ৰবল। বিদ্ৰোহী প্ৰবল হলেও, জন-সংখ্যাত অধিক হলেও গবৰ্ণমেণ্টে বুদ্ধিৰে দমন কৰিব পাৰিব। বিশেষতঃ আপোনাৰ দৰে চতুৰ লোক থাকোঁতে আৰু ভাৱনা কি? যুদ্ধ চলাবই লাগিব। যুদ্ধ চলাবলৈ উঠি-পৰি লগা উচিত।" মোৰ শত্ৰু প্ৰতিদ্বন্দ্বী ডগলাচে মোৰ কাষ চাপি-বলৈ, আৰু কাষ চাপিবলৈয়ে নহয়, একেবাৰে বন্ধুভাবে দেশৰ কল্যাণ সাধন কৰিবলৈ কেনেকৈ সাহ পালে তাৰ অনুসন্ধান

মই কৰিবলৈ যত্ন কৰা নাছিলোঁ। মোৰ মনত হলে ডগলাচৰ চিন্তা বহুদিনলৈ আছিল। এই শুভ মিলনত হোৱা কথা-বতৰা খিনি ডগলাচে পিছদিনাই বাতৰি কাকতত তুলি দিলে। পিছত বুজিছিলোঁ এই মিলনৰ নেতা আছিল মিঃ আচ্‌মুন নামে এজন উদাৰ আৰু চতুৰ লোক। দেশৰ কল্যাণ-সাধন কৰিবলৈ আচ্‌মুনৰ কিমান যত্ন তাক জোখা টান।

## মোৰ শিক্ষা

চাম্‌টাৰ দুৰ্গ আমাৰ হস্তগত হ'ল। বিদ্ৰোহীৰ কঁকাল ভগা যেন হ'ল। দুগুণ উৎসাহে যুদ্ধৰ বাবে মানুহ-দুনুহ বয়-বস্তু টকা-পইচা হব ধৰিলে। ৰিপাব্লিকানে ডেমোক্ৰেটৰ পৰা দুৰ্গ কাঢ়ি লোৱাত শত্ৰুপক্ষই কিমান যে আঘাত পাই-ছিল তাক ঠাওৰোৱা টান। মই তেতিয়াও দুই এক বিষয়ত নজনা আছোঁ। সময়ৰ নীতি-নিয়ম মই জনা নাছিলোঁ। পুথি পঢ়ি আৰু সেনাপতি সকলৰ মুখৰপৰা জানি শুনি লৈ অতি কম কালতেই যুদ্ধ চলোৱা জ্ঞান লাভ কৰিলোঁ। শাসন সম্বন্ধেও মই বহু কথা নজনা আছোঁ। পুৰণি আৰু অভিজ্ঞ লোকৰ মুখৰ পৰা শাসনৰ আদব-কায়দা বহু শিকি ললোঁ। মই প্ৰশ্ন কৰাত তেওঁবিলাকে জানি শুনি হে উত্তৰ দিব বা মোক শিকাব লগা হৈছিল। ফলত তেওঁবিলাকৰ বহু জ্ঞান বাঢ়িল আৰু মোৰো জ্ঞান হ'ল। মই আনকি কম বয়সৰ সৈনিক বা কমেণ্ডাৰৰপৰা ৰণ-কৌশল আৰু নিম্ন

চাকৰীয়ালৰপৰা শাসন বিষয়ৰ কথা আলাপ আৰু প্ৰশ্নৰ চলেৰে শিকি লৈছিলোঁ। মই এই নীতি গ্ৰহণ কৰিছিলোঁ। কোনো বিষয়েই শিকিবলৈ বহু পলম হোৱা বুলি ভবা মিছা।

প্ৰশ্নৰ মাজেদি কৰ্মচাৰীসকলক নিজে নিজে একোজন পাকৈত কৰি তোলাই মোৰ উদ্দেশ্য আছিল। মোৰ এনে যত্নত বহু কৰ্মচাৰী প্ৰকৃত কৰ্মচাৰী হৈ উঠিল; কামত ফাঁকি দিব নোৱাৰা হ'ল আৰু কামো শিকিলে। বহুতৰ উলটা ধাৰণা। তলতীয়া কৰ্মচাৰীক চৰ্কাৰী গৌৰৱ বা গুণৰ জানিব দিয়া প্ৰথা নাই। মই এই প্ৰথা ভাল নাপাইছিলোঁ। যেতিয়া দেশৰ সকলোৱে বিনা হুকুমে নিজৰ দায়িত্ব বুজি কাম কৰিব পৰা হয় তেতিয়াহে দেশৰ প্ৰকৃত শাসন বুলি মই ভাবিছিলোঁ।

মই চৰ্কাৰী কাম কৰাত বৰ উৎসাহী আছিলোঁ। নানা বিভাগৰ উচ্চ কৰ্মচাৰীবোৰে মোৰ বাবে বৰ নিখুট ভাবে কাম কৰা পাইছিলোঁ। ফাঁকি দিয়া নাছিল। বহু দেশৰ ৰাজদূতৰ লগত আলাপ কৰোঁতে কিবা লিখিব লগা হলে মই কেৰাণীক নিদি নিজে লিখি পেলাইছিলোঁ। হেলা উট্ কি বস্তু তাক মই জনা নাছিলোঁ। চাপ্ৰাচী-মহৰীৰ পৰা বিভাগীয় কৰ্ত্তালৈ সকলো কৰ্মচাৰীৰে কামৰ খা-খবৰ মই নিজে লৈছিলোঁ। ইয়াৰ পৰা দেশৰ প্ৰকৃত শাসন আৰু দেশৰ অৱস্থাৰ ভু পাইছিলোঁ। বহু শাসনকৰ্ত্তাই ডাঙৰ ডাঙৰ সমস্যাবোৰতহে কেৱল চকু দিছিল। সৰু-সুৰা খবৰ ললে সৰু হোৱা ধাৰণা

মোৰ নাছিল। যিটো কৰোঁ তাক নিখুট ভাবে কৰাই মোৰ সৰু কালৰ পৰা অভ্যাস।

এটা বিষয়ে মোক মাজে মাজে ব্যাকুল কৰিব ধৰিলে। পুত্ৰস্নেহ বৰ পবিত্ৰ আৰু কোমল গুণ। সেই সময়ত মোৰ মাত্ৰ একেটি পুত্ৰ জীৱিত। সিও যুদ্ধৰ সৈন্য-বিভাগৰ কৰ্মচাৰী। মই স্প্ৰীংফিল্ডৰ পৰা ওৱাচিংটনলৈ আহিবৰ দুবছৰ মান আগতে এজন পুত্ৰ মৰে। ঠিক আহিবৰ আগে আগে এজন স্বৰ্গী হয় আৰু আন এজন মৰণৰ শয্যাত এৰি আহিছোঁ। কিছুদিন পিছতেই তাৰো মৃত্যু হয়। যিটো জীবিত সিও মৃত্যুৰ দুৱাৰ মুখত। কাজে কাজেই এজন আঘাত পোৱা ল'ৰা সৈনিকে মৃত্যুৰ শয্যাত কৈছিল,—"মই মৰণৰ সময়ত যেন আমেৰিকাৰ প্ৰেচিডেণ্টক দেখা পাওঁ।" মই তাৰ বিছনাৰ কাষতে বহি পৰিচৰ্য্যা কৰি উৎসাহৰ কথা শুনাই-ছিলোঁ। ল'ৰাটো মৰিল।

এক গাৱঁৰ দুজন ভাই-ককাই সৈন্য হৈছিল। সিহঁতৰ কোনো এজনে ৰাতি পহৰা দিয়াৰ কালত শোৱাৰ বাবে প্ৰাণদণ্ডৰ হুকুম হয়। এই হুকুম সেনাপতিয়ে দিছিল। মৃত্যু ঠিক বুলি জানি সি তাৰ পিতাকলৈ চিঠি লিখিলে। তাৰ প্ৰাণ ভিক্ষাৰ বাবে মোৰ ওচৰলৈ আহিব লাগে। তাৰ চিঠি পায়েই তাৰ ভনীয়েকে ৰেলগাড়ীৰে ওৱাচিংটনত উপস্থিত হৈ পুৱাই মোৰ আগত উপস্থিত হলহি। মই সুধিলোঁ—"তুমি কোন? কিয় বা ইমান পুৱাই আহিলা?" তেওঁ উত্তৰ দিলে,

"মোৰ ভাইজনৰ প্ৰাণ ভিক্ষা দিব লাগে।" মই কলোঁ, "কি ঘটনা হৈছে মোক বুজাই কোৱা।" তেতিয়া তেওঁৰ ভায়েকে লিখা চিঠিখন উলিয়াই দিলে, চিঠিত লিখা আছিল—

"দেউতা! মোৰ এই চিঠি আপুনি পায় মানে মোৰ প্ৰাণবায়ু বাজ হৈ যাব। মই জেমিকাৰ ল'ৰাৰ বাবে কাম কৰিছিলোঁ। তাতে মোৰ দোষ হয়। যুদ্ধ-ক্ষেত্ৰতে তাৰ বেমাৰ হয়। কিন্তু সম্পূৰ্ণ ভাল হোৱাৰ আগেয়েই আহিবৰ বাধ্য হয়। সি আহে। ময়ো তাৰ লগতে আহোঁ। সি খোজ কাঢ়িবকে নোৱাৰে। মই তাৰ বন্দুক আদি লৈ আহি সৈন্যদল পালোঁ। যোৱা কালি তাৰ পহৰা দিয়াৰ পাল। তাৰ নৰিয়াৰ বাবে তাৰ সলনি মই পহৰা দিওঁ। বাটৰ ভাগৰ গাত আছেই। ৰাতি মোৰ টোপনি আহিল। এয়ে মোৰ কৰ্ত্তব্য ত্ৰুটি। মোৰ ফাঁচীৰ হুকুম হৈছে। সামৰিক আইন এনেই তাকো জানিব। অৱশ্যে সেনাপতিয়ে ইচ্ছা কৰা হলে প্ৰাণ ৰক্ষা কৰিব পাৰিলেহেঁতেন।"

মই চিঠি পঢ়ি মুগ্ধ হলোঁ। মই তৎক্ষণাৎ ফাঁচীৰ আদেশ ৰদ কৰি চিঠি লিখিলোঁ। মই সৈনিকৰ ভনীয়েকক কৈ পঠালোঁ—"আই! তুমি যোৱা। তোমাৰ দেউতাৰাক কবা গৈ, যে তেওঁ বৰ স্বদেশ-প্ৰেমিক আৰু পুত্ৰৰ গাত মহত্বৰ বীজ আছে।" আৰু ল'ৰা বীৰক ভনীয়েকৰ লগতে ঘৰলৈ পঠাবৰ বন্দবস্ত কৰিলোঁ। এই বালক বীৰৰ দেশপ্ৰেম বৰ বেছি। এইদৰে মই মাজে মাজে সেনাপতিৰ আদেশ ৰদ কৰি দিছোঁ।

যি ডেমোক্ৰেটৰ দুৰ্বুদ্ধিৰ বাবে এই গৃহযুদ্ধ হয় সেই ডেমোক্ৰেটৰ বহু সৈন্যই যুদ্ধত হাৰি বন্দী হৈ আছিল। মই সিহঁতক মানুহ হিচাবে জ্ঞান কৰিছিলোঁ। মই সেই সৈন্য-বোৰক চাবলৈ গৈ কলোঁ, "অনুগ্ৰহ কৰি আপোনালোকে মোক শত্ৰু বুলি নাভাবিব। আপোনালোকৰ হাত উলিয়াই দি মোৰ লগত কৰমৰ্দন কৰক। আপোনালোকে ইচ্ছাৰ বিৰুদ্ধেহে যুদ্ধ কৰিছে নিশ্চয়।" বিদ্ৰোহী সেনাপতিয়ে সভাপতিৰ লগত বন্ধুভাবে কৰমৰ্দন কৰিলে। মোৰ পুত্ৰৰ বাবে শোক কৰা স্বাভাবিক। কিন্তু যেতিয়া ভাবো যে, গোলাম-খানাৰ পৰা কত পিতৃক পুত্ৰ-কন্যা পৰিবাৰৰ মাজৰ পৰা টানি নি ক'ত মাৰিছে ঠিক নাই, কত পুত্ৰক পিতা-মাতাৰ বুকুৰ মাজৰ পৰা টানি হাট-বজাৰত বেচিছে আৰু কত পত্নীক গিৰিয়েক পুত্ৰ-কন্যাৰ মাজৰ পৰা নানা অমানুষিক অত্যাচাৰ কৰি নি কৰবাত বন্দী কৰি পেলাইছে—তেতিয়া এই পুত্ৰ-শোক পাহৰি যাবৰ বাধ্য হওঁ। ইমানবোৰ মানুহে যদি শোক নোহোৱাকৈ বিচ্ছেদ হৈ আছে তেনেহলে মোৰ পুত্ৰ-শোক একো নতুন নহয়। মোৰ স্নেহ নিগ্ৰো-দাসৰ মন-সমুদ্ৰত লীন হৈ গ'ল।

যুক্তৰাজ্যৰ গৃহযুদ্ধৰ কাৰণ যিয়ে নহওক, নিজৰ মাতৃভূমিৰ কল্যাণৰ অৰ্থে ৰিপাব্লিকানবোৰ যুদ্ধত নামিছে। যিবোৰ সৈন্য দেশৰ কল্যাণৰ বাবে হাঁহিমুখে প্ৰাণ দিবলৈ সাজু হৈছে সিবোৰ সৈন্যৰ জীৱন সাৰ্থক। সিহঁতৰ স্বাৰ্থত্যাগ, আত্মত্যাগ

আৰু স্বদেশৰ মঙ্গলসাধনা কিমান উচ্চ তাক স্বদেশ-প্ৰেমিকেহে বুজে। স্বাধীনতা আৰ্জনৰ বাবে কত লোক মৰি যাব লাগিব। প্ৰথমে মৰাবোৰৰ বাবে দুখ কৰা অন্যায়। বৰং সিহঁতৰহে জীবন ধন্য। সিহঁত শ্বহীদ। সৈন্যক বলি দি এটা জাতিয়ে যে কিমান লাভবান হয় বহুতে নাজানে।

মই প্ৰত্যেক সৈনিককে নিজে সন্মান আৰু মৰম দেখুৱাই আহিছোঁ। সৈন্যবোৰৰ সুখ-দুখৰ প্ৰতি লক্ষ্য কৰোঁতে মোৰ সময় গৈছিল। মই কৰা কামৰ বাবে আন কৰ্মচাৰী নিয়োগ কৰিব পাৰিলোঁহেঁতেন, কিন্তু মই নিজে কৰোঁতেই মোৰ আত্মাই শান্তি পায়। কিয়নো প্ৰতিজন সৈন্য মোৰ পুত্ৰৰ নিচিনা; সকলোৱে সমান মৰমৰ অধিকাৰী। মোৰ সহানুভূতিৰ কথাৰে যদি সৈন্যবোৰৰ সুখ-দুখ নিজে বুজা যায় তাক কৰাত হেলা কিয়? সিহঁতৰ দুখকষ্ট বুজিবলৈ আৰু উৎসাহ দিবলৈ মই নিজে সৈন্যৰ তত্ত্বাবধান লওঁ। মই সভাপতিৰ পদত যেতিয়া তেনে কাম সদায় কৰা বেয়া বুলি বহুতে কৈছিল। সভাপতিৰ পদ যে সাধাৰণ জীৱনতকৈ বহু আঁতৰত তেনে বিবেচনা কৰিহে তেওঁলোকে এই মত দিছিল।

দোষৰ ক্ষমা আছে। সৈন্যবোৰে দোষ কৰিলে সেনাপতি সকলে সামৰিক আইন মতে গুৰুতৰ শাস্তি দিয়ে। মই বহু সৈনিকক ক্ষমা কৰি প্ৰাণ ভিক্ষা দিছোঁ। এই কামত সেনা-পতি সকলে মোক বেয়া পাইছিল। যি দুখৰ মাজেৰে সিহঁতে জীৱন কটায়, তাক ভাবিলে সিহঁতৰ দোষ ধৰিবই

নালাগে। বহু সৈন্যৰ ফাঁচিৰ হুকুম মই নিজে ৰদ কৰিছোঁ। এসময়ত এজন সৈনিকৰ প্ৰাণদণ্ডৰ হুকুম হয়। মই তাক বচাবলৈ ৰাতাৰাতি টেলিগ্ৰাম কৰিব লগা হৈছিল। সেনাপতিবোৰে দোষীক প্ৰাণদণ্ড দিয়া দস্তুৰ আছিল। মই তাক পৰাপক্ষত উঠালোঁ। তাৰ সলনি আন লঘু শাস্তিৰ বিধান কৰোঁ। মোৰ এই ক্ষমা গুণ বহুতে ভাল নাপাইছিল।

কেবাখনো যুদ্ধত ৰিপাব্লিকানৰ পৰাজয় হয়। কিন্তু এণ্টিটামৰ যুদ্ধত বিদ্ৰোহী দলৰ নায়ক জেনেৰেভ হাৰে। নিগ্ৰো জাতিৰ মুক্তিৰ বাবে এই যুদ্ধ কৰিবৰ মোৰ ইচ্ছা নাই। এই যুদ্ধৰ বাবে দায়ী ডেমোক্ৰেট নেতাসকল। ইমান লোকৰ অনৰ্থক প্ৰাণ-হানিত মোৰ অন্তৰ কান্দি উঠিল। এদিনৰ যুদ্ধত মই কুৰি হেজাৰ সৈন্যক মৃত্যুৰ মুখত পেলাইছিলোঁ। সেই শোকৰ জুই মোৰ মৃত্যুলৈ আছিল।

বহুদিন ধৰি যুদ্ধ চলিল। ৰিপাব্লিকানবোৰেই পৰাজিত হৈ আহিছে। এখন যুদ্ধতো জয়লাভ কৰিব পৰা নাই। চিকামোগা নামক ঠাইত এখন তুমুল যুদ্ধত আমাৰ জয়লাভ হয়। এই যুদ্ধৰ জয়েই আমাৰ সৈন্যৰ সকলো পৰাজয়ৰ হোৰ তুলিলে যেন। নতুন জীৱন যেন সৈন্যবোৰ লাভ কৰিলে। ইয়াতেই যুক্তৰাজ্যৰ ভবিষ্যতৰ ইতিহাস বদলি যায়। এই যুদ্ধৰ সেনাপতি আছিল বালক বীৰ গাৰফিল্ড। গাৰফিল্ডৰ যশস্যা দেশত প্ৰচাৰ হয় এই যুদ্ধতেই। তেওঁ অতি চতুৰ ভাবে যুদ্ধ চলাই জয়লাভ কৰিলে। এই যুদ্ধৰ পিছত তেওঁক মই মেজৰ

জেনেৰেলৰ পদলৈ প্ৰমোচন দিওঁ। ওহিও-বাসীয়ে তেওঁৰ ওপৰত আস্থা ৰাখি তেওঁক ভোটদি সদস্য নিৰ্বাচিত কৰিবৰ ইচ্ছা কৰিছিল। তেওঁ আপত্তি কৰিলে। মই মোৰ দৰ্কাৰ থকা বুলি তেওঁক সদস্য কৰি আনিলোঁ। দাস স্বাধীনতাৰ যুদ্ধত তেওঁ মোৰ সোঁহাত হৈ উঠিল। এই মহাত্মাৰ ঐশ্বৰিক শক্তিৰ সন্ধান মই কোনোবাদিনাই পাইছিলোঁ—বিশেষকৈ পৰিচয় পালোঁ চিকামৌগাৰ যুদ্ধত। এই যুবক এদিন যুক্ত-ৰাজ্যৰ সভাপতিৰ আসন উজ্জ্বল কৰিব এই মোৰ ধাৰণা।

যুদ্ধ বহু মাহ চলিল। যুদ্ধত বহু সৈন্যৰ প্ৰাণ নাশ হ'ল। বহুতৰ খুন জখম হ'ল। আহত হোৱা সৈন্যৰ চিকিৎসাৰ বাবে নতুন পুঁজি তুলি এটি নতুন বিভাগ খুলিলোঁ। দেশৰ আবেদনৰ ফল স্বৰূপে দেশ জুৰি সাহায্যৰ প্ৰতিশ্ৰুতি পালোঁ! নগদ টকা আৰু সৈন্যৰ পোচাক উঠিব ধৰিলে। সংগ্ৰহ হোৱা পূজিৰ মোট আয় ডেৰ কোটিৰো অধিক। আমেৰিকাত কোনো দিনে এনে অনুষ্ঠানৰ বাবে ধন আৰু সাজ-পাৰ সংগ্ৰহ হোৱা নাই; এয়ে প্ৰথম। যি সকল সৈন্য দেশৰ বাবে প্ৰাণ ত্যাগ কৰে আৰু আহত হয় সি সকলক তুচ্ছ কৰা মনুষ্যৰ কাম নহয়। সিহঁতৰ জীৱন মহৎ—যদি স্বদেশৰ কল্যাণৰ বাবে আগ বাঢ়ে। এনে সৈন্যক পৰিচৰ্য্যা আৰু সাজ-পাৰৰ দ্বাৰা সুখত ৰাখি চিকিৎসা কৰা চৰ্কাৰৰ কৰ্ত্তব্য। এই কামৰ বাবে মই দেশবাসীৰ পৰা প্ৰশংসা পালোঁ।

গৃহযুদ্ধৰ বিৰাম হোৱা নাই। মই নিজেই প্ৰধান

সেনাপতি। মই নিজে বহু যুদ্ধ চলালোঁ। কিন্তু বহুততে হাৰিছোঁ। বহুতৰ পৰা প্ৰাণ লৈ পলালোঁ। হাৰিলেও মই শত্ৰু-পক্ষৰ সেনাপতিৰ লগত অতি ভদ্ৰভাবে কৰমৰ্দন কৰি নানা কথা বুজাই আহোঁ। মোৰ নম্ৰ ব্যবহাৰত শত্ৰুৰে বশ হৈ যুদ্ধক্ষেত্ৰৰ ৰীতি পাহৰি যায়। যুদ্ধক্ষেত্ৰৰ ৰীতি মই বদলাই দিলোঁ। মোৰ নায়কত্বতে বহু সৈন্য পৰাজিত আৰু বন্দী হয়। বন্দীৰ ওপৰত বেয়া অত্যাচাৰ কৰে। মোৰ বৰ দুখ লাগিল। মই সেনাপতিৰ লগত অতি ভদ্ৰ ভাবে বুজনি দি মুক্ত কৰি আনোঁ।

## মোৰ কঠোৰতা

নিগ্ৰোৰ মুক্তিৰ বাবেই এই বিৰাট আন্দোলন আৰু গৃহযুদ্ধ। নিগ্ৰোৰ মুক্তিয়ে মোৰ একমাত্ৰ উদ্দেশ্য নাছিল। সিহঁত যাতে মানুহৰ শাৰীত একে সমানে স্থান পায়, স্বাধীন জাতি এটাই পৰাধীন জাতি এটাক স্বাধীনতা দানদি যাতে জগতৰ আগত আমাৰ উদাৰতা প্ৰকাশ পায় সিও আন এটি কাৰণ। ইউৰোপীয় বগা চামৰা সকলে মানুহৰ ওপৰত পাশবিক অত্যাচাৰ কৰা দোষ মই বগা চামৰা গাৰ পৰা গুচাব লাগে। এক শ্ৰেণীৰ মানুহৰ ওপৰত জগতবাসীয়ে দিয়া দোষ মোৰ সহ্য নহয়। নিগ্ৰোক দুখ দিয়াত মই যিমান দুখ পাওঁ, ধনী, মানী, ইউৰোপীয়ৰ গাত দোষৰ চেকা থকাতো মই সিমানে বেজাৰ পাওঁ। মোৰ মতে জগত শুদ্ধ হব

লাগে। মানৱ চৰিত্ৰ অকলঙ্ক হব লাগে। এটি জাতিক আনে বেয়া বোলাও মোৰ সহ্যৰ বাহিৰত। ভগবান সকলোৰে আত্মাত সমানে আছে। দৰিদ্ৰ নিগ্ৰোক খুৱাবলৈ, সহায় কৰিবলৈ, উদ্ধাৰ কৰিবলৈ দৰিদ্ৰ-নাৰায়ণ নিজে নিগ্ৰোৰ মাজত উপস্থিত। কাৰণ ই ভগবানৰ ইচ্ছা। 'পৰিত্ৰাণায় সাধুনাম্ বিনাশায় চ দুষ্কৃতাম্।'

ধনীসকল জগতত এক সম্ভ্ৰান্ত শ্ৰেণীৰ লোক। তেওঁ-লোকৰ মান সুকীয়া। দুখীয়া, বিশেষতঃ কলা চামৰাৰ দাস সকলৰ সন্মান বা সুখেই ক'ত? মানী লোক সকলৰ যিমান দোষ-পাপ নিগ্ৰোৰ সিমান দোষ-পাপ নাই। সকলোৰে অন্তৰৰ আত্মা সমান। কিন্তু আচৰিত,—মানুহে মানুহৰ ওপৰত অত্যাচাৰ কৰে, গৰুৰ দৰে বজাৰত বিক্ৰী কৰে। মানুহ বিক্ৰী কৰি শ্বেতাঙ্গই ভদ্ৰশ্ৰেণীৰ লোক হৈ উঠিছে। নিগ্ৰোক সুবিধা দিলে, পঢ়াশালিত দিলে, মানুহৰ দৰে মানুহৰ গুণ আৰ্জিব নোৱাৰে নেকি? মানী ধনী লোক হব নোৱাৰে নেকি? কোনে জানে,—সিহঁতৰ ভিতৰতো কলা কালিদাস, কলা ওৱাচিংটন, কলা চাণক্য নোলাব!

মই অৱশ্যে নিগ্ৰোৰ বৰলোক হব পৰাৰ পৰিচয় পোৱা নাই। মানুহ স্বাধীন হলে সকলো বিকাশ হয়, মগজু পুৰঠ হয়, স্বাধীন চিন্তাৰ বিকাশ হয় আৰু তথ্যৰ সন্ধান পায়। আত্মবিশ্বাসৰ অসুবিধা পৰাধীনতাতেই। নিগ্ৰো জাতি যদি স্বাধীন হয় সিহঁতৰ বিকাশ হবই হব—এই মোৰ

আশা। নিগ্ৰোজাতিৰ চেতনাৰ পৰিচয় পালোঁ—যেতিয়া এই যুদ্ধত দুই লাখ ডেকাই প্ৰাণ দিব ওলাইছে। যেতিয়া দুই লাখ নিগ্ৰো ৰিপাব্লিকান সৈন্যৰ দলত সোমাল জাতিৰ স্বাধীনতাৰ বাবে প্ৰাণ দিবলৈ, তেতিয়া মই বুজিলোঁ সেই জাতিৰ মুক্তি হাততেই। মৰণৰ ভয় নাই যেতিয়া মুক্তিৰ বাবে শক্তি সজাগ হৈছে। ভগবান আজি নিগ্ৰো জাতিৰ মাজত যেন মূৰ্ত্তিমান। ঈশ্বৰ যাৰ সহায় সেই জাতিৰ দুখ মোচন ওচৰতে। নিগ্ৰোৰ পৰা যে কিমান সৈন্য আহিব পাৰে তাৰ কল্পনা কৰা টান হ'ল। বোধ হয় সিহঁতৰ এনে চেতনা হৈছিল নিগ্ৰো নাৰীও যুদ্ধত নামি বীৰাঙ্গনাৰ উদাহৰণ জগতত ৰাখিব।

যুদ্ধৰ কালত বন্দী হোৱা নিগ্ৰো সৈন্যবোৰৰ ওপৰত নিষ্ঠুৰ ব্যবহাৰ যাতে নহয় তাৰ বাবে মই বৰ কঠোৰ হবলৈ বাধ্য হৈছিলোঁ। বন্দীবোৰৰ ওপৰত দাসত্ব প্ৰথা চলোৱা সমাজৰ নীতিৰ বাহিৰ। কোনো দেশৰ গৱৰ্ণমেণ্টে এই কথা সমৰ্থন নকৰে। এই প্ৰথা যাতে উঠে তাৰ বাবে মই এখন কঠোৰ ইস্তাহাৰ জাৰি কৰিলোঁ। ইয়াৰ মৰ্ম এই যে, সমৰৰ নীতি অনুসৰি যুদ্ধৰ বন্দীবোৰক ভাল ব্যবহাৰ কৰিব লাগিব। কোনো সৈন্যক বিক্ৰী কৰিব নোৱাৰিব। কলা হওক বা বগাই হওক সৈন্য সৈন্যই। যুক্তৰাজ্যৰ চৰ্কাৰে দেশৰ সকলো সৈন্যকে সমান চকুৰে চায়। যদি বিদ্ৰোহীবোৰে এই ঘোষণা নামানি কোনো সৈন্য বিক্ৰী কৰে তেনেহলে

যুক্তৰাজ্যৰ চৰ্কাৰৰ দ্বাৰা বন্দী হোৱা বিদ্ৰোহী সৈন্যকো বিক্ৰী কৰা হব। ৰিপাব্লিকান সৈন্যক হত্যা কৰিলে ডেমোক্ৰেট সৈন্যক ফাঁচী দিয়া হব। দাসত্ব প্ৰথা সিহঁতে চলালে, চৰ্কাৰে সিপক্ষৰ বন্দী সৈন্যক কঠোৰ শ্ৰম কৰিবলৈ দিব, শ্ৰমৰ শেষ নহব, ইত্যাদি। এই ঘোষণাৰ পৰা ফল ভাল হৈছিল। কোনো নিগ্ৰো সৈন্যক বিক্ৰী কৰা বা দাস হিচাবে ব্যবহাৰ কৰা তেতিয়াৰ পৰা শুনা নাছিলোঁ। ৰিপাব্লিকানে বুজিলে এই ঘোষণাই দাস মুক্তিৰ আগজাননী।

মই বহু দোষীক মুক্ত কৰি দিছোঁ। আনকি প্ৰাণদণ্ডৰ হুকুমো মই বহুবাৰ ৰদ কৰিছোঁ। কিন্তু নিগ্ৰো-ব্যবসায়ীৰ দোষ পালে তাক কোনো মতেই ক্ষমা নকৰিছিলোঁ। এজন দাস-ব্যবসায়ীৰ পাঁচ বছৰ জেল আৰু তিনি হেজাৰ টকা জৰিমনা হয়। পাঁচ বছৰ কাৰাবাস কৰাৰ পিছত সি বৰ কাতৰ ভাবে প্ৰাৰ্থনা কৰিলে যে, তেওঁক জৰিমনা মাফ দিব লাগে। মই তাক তাৰ কৃত দোষৰ বাবে ক্ষমাও কৰিব নোৱাৰিলোঁ আৰু জৰিমনা মাফ দিব নোৱাৰিলোঁ। যাৰ হৃদয় অতি নিষ্ঠুৰ, যাৰ প্ৰাণত অলপো দয়াৰ কণা নাই সি ক্ষমা পাবৰ যোগ্য নহয়। গোলামি আছিল তাৰ ব্যৱসায়, সি চিনিছিল পইচা, বুজা নাছিল ই কি পাপ! যেতিয়া আফ্ৰিকাৰ পৰা ল'ৰা-তিৰোতাৰ মাজৰ পৰাই সিহঁতক কন্দুৱাই সিহঁতৰ মাজৰপৰা মতা নিগ্ৰোক লৈ আহিব তেতিয়া কি করুণ দৃশ্য! পিয়াহ খাই থকা কেচুৱাক দলিয়াই দি

বা হত্যা কৰি মাকক টানি আনিলেও তাৰ দৰে লোকৰ অন্তৰ গলা নাছিল। এনে পাপীৰ প্ৰায়শ্চিত্ত কাৰাগাৰেই! সি আকৌ কাৰাবাসত থাকিব লগাই হ'ল। য'ত মানবৰ ওপৰত অসহনীয় অত্যাচাৰ তাত ক্ষমা কৰা উচিত নহয়। কিয় এনে লোকক মুক্তি দিব লাগে মই বিবেচনা কৰি বিচাৰি নেপালোঁ।

মই যে নিগ্ৰোজাতিক মুক্তি দিম তাক নিগ্ৰোজাতিয়ে প্ৰায় বুজিছিল। মুক্তিৰ আগজাননী সিহঁতে পাইছিল। মোৰ ঘৰলৈ মাজে মাজে দাসৰ সমাগম হব ধৰিলে। সিহঁতৰ ভয় কমি গ'ল। মই যে ৰাজ্যৰ সভাপতি সেই কথা সিহঁতে পাহৰি গ'ল। মই ইয়াতে বৰ ৰং পালোঁ। ফিলাডেল্‌ফিয়া যুক্তৰাজ্যৰ এখন চহৰ। তাৰপৰা নিগ্ৰো তিৰোতা এজনীয়ে মোক উপহাৰ দিবলৈ আহে। মই উপহাৰ লবলৈ খোজা নাছিলোঁ। বুঢ়ীৰ আগ্ৰহ আৰু চকুলো দেখি মই বৰ দুখিত হৈ উপহাৰ গ্ৰহণ কৰি, তাইকে ফিৰাই দিলোঁ। তাই সেই সময়ত কান্দি কান্দি মোক কৈছিল, "সেনাপতি! আমাৰ স্বাধীনতাৰ যুদ্ধত বহু ভদ্ৰলোকে যোগ দিছিল। কিন্তু শত্ৰু পক্ষই ভেটি দিয়াত সিহঁত এজন এজনকৈ আপোনাক অকলে এৰি গুচি গ'ল। আপুনিয়ে আমাক উদ্ধাৰ কৰোঁতা। ধনৰ আগত সকলো জয়। ধনৰ লোভত নিজৰ মত আপুনিয়ে এৰি দিয়া নাই। আপোনাৰ নিচিনা সাহসী কেইজন আছে? আপুনি ভগবানৰ সহায়ত নিজৰ উদ্দেশ্য পূৰ্ণ কৰিবলৈ

আগবাঢ়ি গৈ আছে। ঈশ্বৰে আমাক মুক্তি দিব। আপুনি ইয়াৰ ফল পাব।”

যুক্তৰাজ্যত যুদ্ধ-বিগ্ৰহ তেতিয়াও চলিয়ে আছে। দেশত ভয়ানক বিপ্লৱ। উভয় পক্ষৰেই সৈন্য বন্দী আৰু মৰা-মৰি। হওক মৰা-মৰি—যদি নিগ্ৰোৰ মুক্তি হয়। মৃত্যুৰ কামনা যি জাতিৰ অধিক, সি জাতি আৰু অধিক দিন পৰাধীন হৈ থাকিব নোৱাৰে। সি জাতিৰ মুক্তি ওচৰতে। দাসত্ব প্ৰথাৰ নিৰ্মূল সাধন আৰু ৰেড ইণ্ডিয়ানসকলৰ ওপৰত জাতীয় ঘৃণাৰ ভাৱ দূৰ কৰিবলৈ মই এই বাবেই চেষ্টা কৰিয়ে আহিছোঁ, যাতে যুক্তৰাজ্যৰ কল্যাণ হয়। বিদ্ৰোহীসকলে দেশৰ কল্যাণ সাধন কৰি দিব নোৱাৰে—সেইবাবেই মই সিহঁতক দমন কৰিবলৈ ওলাইছোঁ। সিহঁতৰ দমন নহলে দাসত্ব প্ৰথাৰ উচ্ছেদ মিছা।

১৮৬২ চনৰ চেপ্তেম্বৰৰ ২২ তাৰিখে চৰ্কাৰী ঘোষণা-পত্ৰ বাহিৰ হয়। এই ঘোষণাৰে দাসত্ব প্ৰথা উঠি গ’ল। ইয়াৰ মৰ্ম এই—১৮৬৩ চনৰ ১লা জানুৱাৰীৰ পৰা চিৰকাললৈ যুক্তৰাজ্যত কোনো ঠাইতে ক্ৰীতদাস বুলি নাম নাথাকিব। সকলো মানুহ স্বাধীন। শ্বেতাঙ্গৰ পৰা কলাবৰ্ণৰ কোনো পাৰ্থক্য নেথাকিব। নিগ্ৰোজাতি মুক্ত হব। এই বিখ্যাত ঘোষণা-পত্ৰই এদিন জগতত যুগান্তৰ আনিব বুলি মোৰ বিশ্বাস। নিগ্ৰোজাতিৰ আনন্দৰ সীমা নোহোৱা হ’ল। মোৰ আনন্দ তাতোকৈ অধিক। যি সাধনা ওৰে জীৱন কৰি

আহিছোঁ, তাক কাৰ্য্যত পৰিণত কৰিব পাৰি মই আনন্দত বলীয়া। মোৰ কাম প্ৰায় শেষ হ'ল। মোৰ উদ্দেশ্য সিদ্ধ হ'ল। আমেৰিকাৰ যুক্তৰাজ্যৰ কলা নিগ্ৰোজাতি আজি আনৰ প্ৰভুত্বৰ পৰা সম্পূৰ্ণ স্বাধীন! কিন্তু যুদ্ধ শেষ হোৱা নাই।

## গৃহ-যুদ্ধৰ সামৰণি

তিনি বছৰ ধৰি ৰিপাব্লিকান আৰু ডেমোক্ৰেটৰ গৃহ-যুদ্ধ। অন্যায় যুদ্ধৰ ওপৰত বিজয় পতাকা উৰাবলৈ আৰু বেছি দিন নাই। নিগ্ৰোৰ মুক্তিৰ ঘোষণা-পত্ৰ প্ৰচাৰ কৰাৰ পিছতেই মোৰ সভাপতিৰ কাৰ্য্য-কাল শেষ পৰিল। ১৮৬৫ চনত পুনৰ সভাপতি নিৰ্বাচনৰ সময় আহিল। মই প্ৰাৰ্থী হলোঁ। মোৰ বিৰুদ্ধে কত ফুচুলনি। মই ভাবি ঠিক কৰিছোঁ—যদি যুক্তৰাজ্যই মোক নিবিচাৰে তেন্তে তাত কথা নাই। মই ভোট ধৰিবলৈ কাৰো ঘৰলৈ যোৱা নাই। যদি মই অনুপযুক্ত, মোক ভোট নিদিব, আৰু যদি মই উপযুক্ত, দেশৰ মানুহে মোকেই ভোট দি পঠাব। যদি সভাপতি নহওঁ তেনেহলে মোৰ কৰ্মক্ষেত্ৰেই বা কি হব তাকো ঠিক কৰা নাই। কিন্তু যতেই নাথাকোঁ নিগ্ৰো স্বাধীন হবই। মোৰ ঘোষণা পৰবৰ্ত্তী চৰ্কাৰে বদলাব নোৱাৰে। বদলালেও নিগ্ৰোক বদলাব নোৱাৰে—সিহঁতৰ মানুহৰ আত্মা বদলাব নোৱাৰে, সিহঁতৰ স্বাধীনতাৰ চৈতন্য বদলাব নোৱাৰে।

নিৰ্বাচনৰ বাবে হুৰা-হুৰিৰ মাজতে মই জানিলোঁ—বাল্টি-মোৰ নৌবহৰৰ নাবিক আৰু সৈন্যবোৰে মই সভাপতি হলে ভাল পায়। সিহঁত ডেমোক্রেট কৰ্মচাৰী। লগে লগে বহু ডেমোক্রেটেও মোক সমৰ্থন কৰিব ধৰিলে। মই সদস্য পদত থাকি মন্ত্ৰী-সভাত প্ৰস্তাব দিলোঁ যে ৰিপাব্লিকান দলৰ বাবে আৰু বহু সৈন্য লব লাগে। সংখ্যাও দিলোঁ পাঁচ লাখ। তেওঁলোকে মোক সমৰ্থন কৰক চাৰি পদে পদে বাধা দিব ধৰিলে। মোক বুজালে, এনেকুৱা কৰিলে আপোনাৰ নিৰ্বাচনত বহু বাধা হব। কিন্তু, মই একোকে মনা নাছিলোঁ। কাৰণ এনে প্ৰতিবাদৰ ওপৰতেই মোৰ জীৱন গঠিত। তেওঁলোকক কবলৈ বাধ্য হলোঁ,—"মহাশয়বৰ্গ! আপোনা-লোকৰ উপদেশত মই সন্তুষ্ট; কিন্তু এইটো আপোনালোকে বুজিব আপোনালোকে এই সভাপতি পদৰ সমান ডাঙৰ পদবী নাই বুলি ভাবিছে। মই সভাপতি নহবও পাৰোঁ—কথা নাই। সেই সম্বন্ধে আপোনালোকে ভাবিব নেলাগে। আজিৰ তাৰিখত আমাৰ কাৰ্য্য উদ্ধাৰ কৰাই উদ্দেশ্য। দেশৰ লাখ লাখ বীৰ আজি যুদ্ধক্ষেত্ৰত। সিহঁতক সহায় কৰা আমাৰ প্ৰধান কৰ্ত্তব্য। সৈন্য কম হলে যুদ্ধ জয় নহব নিশ্চয়। গতিকে আমি পাঁচ লাখ সৈন্য লবই লাগিব।"

ইফালে ভোটৰ খবৰ ওলাল। মই সভাপতি নিৰ্বাচিত। যুক্তৰাজ্যৰ প্ৰজা আনন্দত মতলীয়া। মই তৎক্ষণাৎ পাঁচ লাখ সৈন্যৰ বাবে আবেদন জনালোঁ। কিন্তু প্ৰজাসাধাৰণৰ

উৎসাহ ইমান বেছি যে তিনি পাঁচ গুণ সৈন্য ভৰ্ত্তি হলেও আপত্তি নাছিল। পাঁচ লাখ সৈন্য লবৰ আয়োজন চলিল।

সভাপতিত্ব গ্ৰহণ কৰাৰ এমাহৰ ভিতৰতেই মই যুদ্ধক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ ওলালোঁ। ইতিমধ্যে ভাৰ্জিনিয়া আৰু জৰ্জিয়া এই দুখন গোলামিৰ প্ৰদেশ ৰিপাব্লিকানৰ হাতলৈ আহিছে। পলাই গৈ ডেমোক্ৰেটবোৰে ৰিচমাউণ্ড নামে আন এখন গোলামিৰ প্ৰদেশত গোট খাইছিল। সিহঁতৰ আৰু থুপিবৰ ঠাই নাই। ইয়াত ভয়ানক যুদ্ধ হব ধৰিছে। তিনি দিন ধৰি যুদ্ধ চলাৰ পিছত ৰিপাব্লিকানবোৰে তৃতীয় দিনা ১২ হেজাৰ সৈন্য বন্দী আৰু ৫০টা কামান দখল কৰে। চতুৰ্থ দিনা পুৱাই ৰিচমাউণ্ড পতন হয়। ডেমোক্ৰেট ৰণ ইয়াতে একপ্ৰকাৰ শেষ হয়। ৰিচমাউণ্ডৰ যুদ্ধ লেখত লব লগীয়া। ই ইতিহাসত স্মৰণীয়।

মই সঙ্গী সেনাপতি আদিৰ লগত ৰিচমাউণ্ড নগৰত বিজয়ী হৈ প্ৰৱেশ কৰোঁ। প্ৰৱেশ কৰিছিলোঁ কোনো আৰম্বৰ নোহোৱাকৈ সাধাৰণ পথিকৰ দৰে। ৰোমৰ মাৰিয়াচ বা জুলিয়াচ চিজাৰৰ দৰে মই গৌৰবেৰে সৈতে নগৰত সোমোৱা নাছিলোঁ। এই প্ৰথাত মোক বহুতে বেজাৰ পাইছিল। মই বুজিলোঁ, এই জয় দুৰ্গ জয় বা নগৰ জয় নহয়। এই জয় মানুহৰ অত্যাচাৰৰ ওপৰত মানুহৰ জয়—গোলামি দূৰ কৰি স্বাধীনতা স্থাপন কৰিবলৈ। ডেমোক্ৰেট মোৰ শত্ৰু নহয়। ৰিপাব্লিকানো আপোন

নহয়। দুয়োপক্ষই চৰ্কাৰৰ মানত সমান। দুয়ো দলেই দেশৰ সন্তান। মই এক শক্তিৰ মহিমা প্ৰচাৰ কৰিবলৈ আন শক্তিক হেয় নকৰিম। এই জয়ত জয়ধ্বনি নালাগে, ডেমোক্ৰেট সকলক অযথা ভয় খুৱাব নালাগে—এই মোৰ ইচ্ছা। ডেমোক্ৰেটে যদি আজি ৰিপাব্লিকানক স্বাধীন বুলি বুকুত সাৱতি ধৰে তেন্তে যুদ্ধৰ ঈৰ্ষাৰ শেষ তাতেই। দুয়ো বন্ধু হৈ, মিলিত জাতি হৈ যশ গান গাব—জয় যুক্তৰাজ্যৰ জয়! জয় সত্যৰ সদায় জয়! জয় মানবতাৰ জয়!

১৮৬৫ খৃষ্টাব্দৰ ৯ এপ্ৰিল তাৰিখত বিদ্ৰোহীৰ নেতাই সম্পূৰ্ণ পৰাজয় মানি ললে। মোৰ মনৰ বাসনা পূৰ্ণ হ'ল। যুক্তৰাজ্যৰ চাৰি বছৰীয়া গৃহ-যুদ্ধ শেষ হ'ল। দেশত নিগ্ৰো-স্বাধীনতাৰ বিৰাজ হ'ল। দেশত আনন্দৰ সীমা নোহোৱা হ'ল। মোৰ সাধনা সিদ্ধি হ'ল। জীৱন সাৰ্থক হ'ল। পিতা দুখীয়া, ইলিনয়ৰ হাবিৰ মাজৰ কাঠকুৰা। মই তেনে পিতাৰ দুখীয়া পুত্ৰ। অত্যাচাৰ সহি থকা জাতি এটাক মুক্ত কৰি দিয়াত মই দুখীয়াৰ কিমান আনন্দ। যুক্ত-ৰাজ্যৰ সভাপতিত্ব মোৰ কাম্য নহয়। সভাপতি হৈছিলোঁ সেই এক মহান উদ্দেশ্য সিদ্ধিৰ বাবে। কাৰ ফুচুলনিত মই সৰু কালৰে পৰা সভাপতিৰ পদৰ বাবে লক্ষ্য কৰি আহিছোঁ মই নাজানোঁ। জানোঁ মই এটা ঘটনা—আকট্ চাহাবৰ নাৱত বহি থাকোঁতে মূৰত চাবুক মাৰি নিয়া নিগ্ৰোবোৰক দেখি যি শোক আহে তাক গুচাবলৈ

মই ওৰে জীবন এই পদ লাভলৈ ধাবিত। সেই দিন আৰু এই দিন। এদিনৰ ঘটনাই মানুহ কৰি তোলা ঘটনা মোৰ জীবনত ঘটিছিল। আমেৰিকাৰ স্বাধীনতাৰ ৮৭ বছৰ পিছত নিগ্ৰোজাতিৰ স্বাধীনতা লাভ হল! মোৰ বিশ্বাস ই ভবিষ্যতৰ আমেৰিকাক শক্তিশালী কৰি তুলিব। আমেৰিকা অখণ্ড ৰ'ল। শক্তিৰ সঞ্চয় হ'ল।

মোৰ জীবন কিমান নগণ্য। ইলিনয়ৰ শিশু, ইণ্ডিয়ানাৰ হাবিৰ মাজৰ কাঠকুৰা, মিচিচিপি হেন বিৰাট নদীৰ নাৱৰীয়া, মুদীৰ দোকানৰ মদৰ গোমস্তা···চাকৰ আৰু চৈতনিক বিখ্যাত কশাই কৰা 'আৱে'—লিঙ্কনক সভাপতিৰ পদে লৰাব পৰা নাছিল। তাৰ বাবে আছিল অন্যলোক, অন্য মাতব্বৰ ধনী, মানী, সমজদাৰ লোক। সভাপতিৰ আসনে মোক লোভ দেখুৱাব পৰা নাছিল। নিগ্ৰো দাস জাতিৰ উদ্ধাৰৰ বাবে মোৰ অন্তৰ আত্মা কান্দিছিল। সেই কান্দোনত ব্যাকুল হৈ, কেবল সেই কাৰ্য্য সাধনলৈ উপলক্ষ্যহে। জীৱনত কিমান ভয়ৰ বিষয় আছিল তাৰ সীমা-সংখ্যা নাই। ভয় কাক বোলে মই নাজানিছিলোঁ। মোৰ লক্ষ্য ঠিক। সেই বাবেই বোধ হয় ভয় নাছিল। ইণ্ডিয়ানাত সন্ধিয়া মই কুঠাৰ ধৰি কাঠৰ কাম কৰি আহিছিলোঁ সি কেৱল নিজকে নিজে তৈয়াৰ কৰিবলৈ। জীবন তৈয়াৰ কৰি মানুহ হৈছিলোঁ— জাতি এটাক মুক্ত কৰিবলৈ। নিজকে নিজে পৰিবৰ্ত্তন কৰাও মোৰ অভ্যাস নাছিল। কাঠকুৰা 'আৱে' যেনে

Please handle the book carefully

আছিল সভাপতি লিঙ্কনো একেই। সকতে যদি সকলো কাম কৰিছিলোঁ এতিয়াও সকলোকে কৰিবলৈ হেলা নকৰোঁ। ইণ্ডিয়ানাৰ লগ কেবিনত যি জীৱন যাপন কৰিছিলোঁ সেই জীৱনকে যাপন কৰি আছোঁ সভাপতিৰ প্ৰাসাদতো।

ডেমোক্ৰেটবোৰ দেশৰ শত্ৰু হয়। কিন্তু সিহঁতে দেশৰ কল্যাণ কৰি গ'ল। আমেৰিকাৰ সমৰ শক্তি নিচেই নিশকতীয়া আছিল। ডেমোক্ৰেটসকলৰ লগত যুজিবলৈ দেশ তৈয়াৰ হব লগা হৈছিল। সেই সুযোগতে মই অসংখ্য সৈন্যবাহিনী, ৰণতৰী, দুৰ্গ, প্ৰভৃত ধন আৰু যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰৰ সৃষ্টি কৰি যুক্তৰাজ্যক বৰ শক্তিশালী কৰি তুলিলোঁ। আমেৰিকাৰ যুক্তৰাজ্যৰ শক্তি এদিন জগতত পৰিচিত হব। যুক্তৰাষ্ট্ৰৰ পৰা এখন প্ৰদেশো ভাগি যাব দিয়া নাই। সকলো মিলি এক যুক্তৰাষ্ট্ৰ আমেৰিকা হ'ল। অখণ্ড যুক্তৰাষ্ট্ৰই এদিন জগতত বিৰাট শক্তিৰূপে পৰিচয় দিব! এই মোৰ আশা। দেৱাসুৰৰ সমুদ্ৰ মন্থনৰ পৰা অমৃত ওলাইছিল। সেই নিচিনা এই যুদ্ধৰ পৰাও ওলাল দেশৰ চিৰজীৱী শক্তি। আমেৰিকাক মই দুটা মহাদান দিলোঁ—এটা নিগ্ৰোজাতিৰ চিৰমুক্তি, আনটো দেশৰ সমৃদ্ধিৰ বাবে বিৰাট সমৰ শক্তি। নিগ্ৰো-জাতিৰ মুক্তিৰ লগে লগে দেশৰ শক্তিবৃদ্ধি।

ভৱিষ্যতে ক'লাবৰ্ণৰ নিগ্ৰোৰ মনুষ্যত্ব বিকাশ হব ; জগতত বগাজাতিৰ মানুহৰ শাৰীত একে লগে বহিব। সমানে সমানে কাম কৰা আৰু চিন্তা কৰা দেখিলে মোৰ আত্মাই

শান্তি পাব। জগতত নতুন যুগ আনি দিব সিদিনা, যিদিনা দৰিদ্ৰ, পৰাধীন, নিপীড়িত জাতিৰ মুক্তি আহিব। জগতত বন্ধন নাথাকক, 'পৰাধীনতা' শব্দ উঠি যাওক, মানবজাতিৰ কল্যাণ সাধন হওক—এই এতিয়া মোৰ ইচ্ছা। মৃত্যুৰ পিছতো যি জনমত মই চাই সুখ পাম, মানুহৰ ওপৰত মানুহৰ সমান ব্যৱহাৰ, পৰাধীন জাতিৰ বিজয়-পতাকা উৰোৱা, মানুহৰ আত্মাৰ পূৰ্ণ-বিকাশ।

পৰাধীন জাতিৰ পৰা, নিগ্ৰোজাতিৰ পৰা ওৱাচিংটন, নেপোলিয়ন, চেক্ষপীয়েৰ, বুদ্ধ, কন্‌ফিউচিয়াচ, চ'ক্ৰেটিছ, বিক্ৰমাদিত্য, কন্‌ষ্টেণ্টাইন নাইবা মাৰ্টিন লুথাৰ নোলাব যে তাৰ কি প্ৰমাণ? জাতি স্বাধীন হলে, স্বাধীন চিন্তা সজাগ হলে কি নোলাব পাৰে? পৰাধীনতাৰ হেঁচাত সামৰিক বীৰেই বা ক'ত? প্ৰজাপালক শাসনকৰ্ত্তাই বা ক'ত? স্বাধীনতা জন্মিলে 'মানুহ' জন্মে।

## সামৰণি

যুক্তৰাজ্যত মোৰ কাম শেষ। মই নিগ্ৰোজাতিক স্বাধীনতা দিলোঁ। বিদ্ৰোহ দমন কৰিলোঁ আৰু দেশক শক্তিশালী কৰিলোঁ। জীৱনৰ কাম আৰু নাই। যি উদ্দেশ্য লৈ জন্মিছিলোঁ, যি উদ্দেশ্য লৈ আজীৱন যুদ্ধ কৰি আহিছোঁ, সেই উদ্দেশ্য সিদ্ধিৰ শেষত আন কাম মোৰ নাছিল বুলিলেই হয়। নতুন কাম ওলালে নতুনকৈ জীৱন ধাৰণ কৰিব লাগিব।

মোৰ বিৰুদ্ধে উঠি ডেমোক্রেটসকল ইমান দিনে একো কৰিব নোৱাৰিলে। মৰণৰ ভয় মোৰ নাই। মোক হত্যা কৰিব বুলি নানা ঠাইৰ পৰা দুখন বেনামী চিঠি মই পালোঁ। মই বেচ বুজিলোঁ মোক হত্যা কৰিবলৈ এটা দল আছে। নৰ-হত্যা কৰি যদি সিহঁতে শান্তি পায় তাকেই সিহঁতে কৰক। মই শান্তি পাইছোঁ দাসক মুক্তি দি; সিহঁতে শান্তি পাওক মোকেই হত্যা কৰি।

এক মহাপুৰুষৰ অসমাপ্ত কাম মই সমাপন কৰিলোঁ। জর্জ ওৱাচিংটনৰ স্বাধীনতা দান শেষ নহল। মই ৮৭ বছৰ পিছত সেই কাম শেষ কৰিলোঁ। তেওঁ স্বাধীন কৰিলে যুক্ত-ৰাজ্যক; মই তেওঁৰ পদ অনুসৰণ কৰি স্বাধীনতা দিলোঁ জগতৰ ঘৃণনীয় নিগ্রো দাসক। কোনোবা দেশী ভাইৰ মানত যদি আৰু কিবা অসমাপ্ত কাম আছে তাক তেওঁ কৰিবই। দেশৰ কল্যাণ সাধন কৰিবলৈ সকলোৰে স্বত্ব আছে। তেনে মহৎ কামৰ বাবে যদি তেনে কল্যাণকামী মানুহৰ নৰহত্যাও বাঞ্ছা তাকো হব দিব লাগে। মোৰ বুকুত গুপ্তঘাতকৰ গুপ্তঅস্ত্র প্রয়োগ কৰিলে যদি দুখীয়া, পদদলিত, নির্য্যাতিতৰ কেনে-বাকৈ উদ্ধাৰ হয়, মই নিজে বুকু খুলি দিবলৈ সাজু। মোৰ কর্ত্তব্য হলে মই শেষ কৰিছোঁ। মই যি কোনো সময়তে এতিয়া ইহলীলা ত্যাগ কৰিব পাৰোঁ। মই মৰাকে বাঞ্ছা কৰোঁ। কিন্তু মোৰ দেশৰ মানুহৰ হাতত মৃত্যুৰ কল্পনাই অশান্ত কৰে, বৰ দুখ দিয়ে। মনত পৰে আইৰ পৰা বিদায়ৰ করুণ দৃশ্য।

তেওঁৰ আশীৰ্বাদত মই বহু বছৰ ধৰি শত্ৰুৰ মাজেদি দিন কটালোঁ, কাৰ্য্যসাধন কৰিলো, নিৰ্য্যাতিত, পদদলিত নিগ্ৰো দাসক মুক্তি দিলোঁ, আমেৰিকা অখণ্ড ৰাখিলোঁ। নিৰ্যাতিত সমাজৰ মুক্তিৰ বাবেই যদি মোৰ মৰণ, সেই মৰণতো মোৰ আনন্দ।

অন্ত